

# অন্বেষণ

ত্ৰয়োদশ বছৰ ■ সপ্তম সংখ্যা ■ আগষ্ট, ২০২৬

## ক্ষুদ্ৰ পৰমাণু প্ৰচুৰ শক্তি



## উজনিত বানৰ সংহাৰ



## বিশ্বকাপ ফুটবল, ২০২৬



বৃটিছ সংগ্ৰহালয়



ভাৰতীয় সংগ্ৰহালয়, কলকাতা



ল্যুভ সংগ্ৰহালয়



ইকুইটোছ



Rat temple



চশমা-চকুৱা বান্দৰ



শিহু

# অন্বেষণ

**ত্ৰয়োদশ বছৰ, সপ্তম সংখ্যা, আগষ্ট, ২০২৬ চন**

**অন্বেষণ**, অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ দ্বাৰা প্ৰকাশিত সাধাৰণ জ্ঞান-ভিত্তিক এখন মাহেকীয়া আলোচনী

**ANWESHAN**, a general knowledge based monthly magazine published by Assam Jatiya Bidyalay Educational and Socio-Economic Trust

Email : assamjatiyabidyalay@gmail.com

Website : assamjatiyabidyalay.com

## সূচীপত্ৰ

২ **ক্ষুদ্ৰ পৰমাণু : প্ৰচুৰ শক্তি**
■ অভিজিত শৰ্মা বৰুৱা

৫ **দেশ-বিদেশৰ খবৰ**
■ কুশল গোস্বামী

৮ **খবৰৰ লেছেৰি বোটলা**
■ কুশল গোস্বামী

৯ **কেইটামান প্ৰখ্যাত সংগ্ৰহালয়**
■ পৰিণীতা চেতিয়া

১০ **বেবী ভকত—মানৱতাৰ অনন্য কাহিনী**
■ লিপিমণি দত্ত

১২ **জীৱনৰ সেউজীয়া বাট**
■ নিষাদ চয়ন ওজা

১৪ **অৰ্জুন বঁটা বিজয়ী স্মৃতি মান্ধানা**
■ সমৃদ্ধ ৰাগ শইকীয়া

১৫ **এভাৰেষ্ট শৃংগ আৰোহণকাৰী প্ৰথমগৰাকী দৃষ্টিশক্তিহীন মহিলা**
■ জেনিশা চন্দনা হালৈ

১৬ **পণ্ডিত জৱাহৰলাল নেহৰু**
■ উদ্দীপন বৰ্মন

১৭ **নামহীন ঠিকনা**
■ নীলম জ্যোতি বৰ্মন

১৭ **ফুল**
■ মনশ্ৰী কলিতা

১৭ **বৰষাৰ গীত**
■ উজ্জীৱন তালুকদাৰ

১৭ **যদি নহয় !**
■ বৰষা শৰ্মা

১৮ **ইকুইটোছ**
■ জিতেন গোস্বামী

১৯ **Did You Know**
■ Arpita Devi

২০ **Stories from World Classics**
■ Papari Kalita

২১ **কুইজ**
■ দীপাংকৰ কৌশিক

২২ **চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা**

২৮ **চুড'কু**

২৯ **বিশ্বকাপ ফুটবল, ২০২৬**
■ কুশল গোস্বামী

৩০ **গছৰ পাতে যেতিয়া ৰং সলায়**
■ ৰাণু বুজৰবৰুৱা

৩২ **সোনম ৱাংচুকৰ গণতান্ত্ৰিক প্ৰতিবাদ**
■ নিভা ৰাণী ৰায়

৩৩ **মানসিক সামৰ্থ্য বিকাশ**
■ ৰবীন্দ্ৰ বৰ্মন

৩৪ **সমুদ্ৰ অৰ্থনীতি**
■ অপৰ্ণা দেৱী

৩৫ **জেট লেগ**
■ ছায়াস্মিতা বৈশ্য

৩৬ **শিহু**
■ চন্দনা মেধি চৌধুৰী

৩৭ **ভাৰতৰ আন্তঃৰাষ্ট্ৰীয় স্থল সীমাৰেখা**
■ মৌচুমী দেৱী

৩৯ **উজনিত বানৰ সংহাৰ**
■ ড° বিদ্যুৎ বৰুণ শৰ্মা


**মুখ্য সম্পাদক** : ডা° নাৰায়ণ শৰ্মা (অবৈতনিক)
**সম্পাদক** : পংকজ দত্ত
**সহযোগী সম্পাদক** : ড° লিপিমণি দত্ত, কুশল গোস্বামী
**সহকাৰী সম্পাদক** : ডিম্পল তালুকদাৰ
**ব্যৱস্থাপনা** : দিলীপ কুমাৰ দত্ত চৌধুৰী (অবৈতনিক)

**বেটুপাত** : কুঞ্জৰ দাস
**আলোকচিত্ৰ** : জাহ্নৱী বৰুৱা (উৎস : ইণ্টাৰনেট)
**ছবি** : ইণ্টাৰনেট
**ডিটিপি** : প্ৰশান্ত বৰঠাকুৰ
**আৰ্হি পাঠ** : কুলধৰ কলিতা
**মূল্য** : ত্ৰিছ টকা

*অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ হৈ দিলীপ কুমাৰ দত্ত চৌধুৰীৰ দ্বাৰা প্ৰকাশিত, অজাবি ন্যাসৰ ছপাশাল, অসম জাতীয় বিদ্যালয় চৌহদ, নুনমাটি, গুৱাহাটী-৭৮১০২০ত প্ৰিন্স চৌধুৰীৰ দ্বাৰা মুদ্ৰিত।*

# ক্ষুদ্ৰ পৰমাণু : প্ৰচুৰ শক্তি

■ অভিজিত শৰ্মা বৰুৱা



আমি জানো যে পৰমাণু হ'ল পদাৰ্থৰ ক্ষুদ্ৰতম অৱস্থা। আমি খালী চকুৰে দেখা পোৱাৰ প্ৰশ্নই নুঠা এই পৰমাণু যে প্ৰচণ্ড শক্তিৰ উৎস হ'ব পাৰে, সেয়া হয়তো প্ৰথম অৱস্থাত কল্পনাৰ বাহিৰতে আছিল।

পৰমাণুৰ নিউক্লিয়াছ বা পৰমাণুকেন্দ্ৰক বিভক্ত কৰি (বিয়োজন বা fission প্ৰক্ৰিয়াৰে) বা একত্ৰিত কৰি (সংযোজন বা fusion প্ৰক্ৰিয়াৰে) বিপুল শক্তি উৎপন্ন কৰিব পাৰি। পৰমাণুত নিহিত এই শক্তিক পৰমাণু শক্তি বুলি কোৱা হয়। এই শক্তি বিদ্যুৎ উৎপাদন আৰু আন কাম-কাজত ব্যৱহৃত কৰিব পাৰি। সামান্য ভৰৰ পৰা প্ৰচণ্ড শক্তি উৎপাদনৰ ক্ষেত্ৰত ই অতি কাৰ্য্যকৰী পন্থা।

**পৰমাণু শক্তিৰ সু-ব্যৱহাৰ**

- **বিদ্যুৎ উৎপাদন** : নিউক্লীয় ৰিয়েক্টৰত (Reactor) ইউৰেনিয়াম বা ইউৰেনিয়ামৰ দৰে গধুৰ মৌলিক পদাৰ্থ ব্যৱহাৰ কৰি পৰমাণু শক্তি উৎপাদন কৰা হয়। এই পদ্ধতি কয়লা বা গেছ ব্যৱহাৰ কৰি বিদ্যুৎ উৎপাদন কৰাতকৈ বেছি কাৰ্য্যকৰী, আৰু লগতে প্ৰদূষণবিহীন।
- **চিকিৎসাবিজ্ঞান আৰু আন ক্ষেত্ৰ** : এক্স-ৰে, কেন্সাৰৰ চিকিৎসা আদিত পৰমাণু শক্তিৰ তেজস্ক্ৰিয় সমস্থানিক বহুলভাৱে ব্যৱহৃত হয়। তদুপৰি কৃষিক্ষেত্ৰ, অভিযান্ত্ৰিক ক্ষেত্ৰ আদিতো পৰমাণু শক্তিৰ ব্যৱহাৰ হয়।

**ব্যৱহাৰৰ ক্ষেত্ৰত মূল সমস্যা** : তেজস্ক্ৰিয় বৰ্জ্য ব্যৱস্থাপনা অত্যন্ত ব্যয়বহুল আৰু বিপদজনক।

পৰমাণুৰ নিউক্লিয়াছৰ ভৰৰ পৰা শক্তিৰ ৰূপান্তৰ আইনষ্টাইনৰ $E = m.c^2$ সমীকৰণ মতে হয়। ইয়াত $E$ = উৎপন্ন শক্তি, $m$ = শক্তি উৎপন্নকাৰী পদাৰ্থৰ ভৰ আৰু $c$ = পোহৰৰ বেগ (বায়ুশূন্য স্থানত)। এই সমীকৰণৰ দ্বাৰা গণনা কৰি উলিয়াব পাৰি যে মাত্ৰ ১ মিলিগ্ৰাম ভৰৰ পৰা ৯ হাজাৰ কোটি জুল শক্তি উৎপন্ন হয় (প্ৰায় ২৫ হাজাৰ ইউনিট)।

পাৰমাণৱিক শক্তিৰ বিষয়ে ১৮৯৬ চনত ফ্ৰান্সৰ পদাৰ্থবিজ্ঞানী হেনৰী বেকুৰেলে প্ৰথমে জানিবলৈ দিয়ে। তেওঁ লক্ষ্য কৰিছিল যে অন্ধকাৰত ইউৰেনিয়ামৰ ওচৰত ৰখা ফটোগ্ৰাফিক প্লেটত অদৃশ্য ৰশ্মিয়ে পৰিবৰ্তন সৃষ্টি কৰে। পাছত এয়া ইউৰেনিয়ামৰ পৰা নিৰ্গত পাৰমাণৱিক তেজস্ক্ৰিয় ৰশ্মি বুলি জনা গ'ল।

পাৰমাণৱিক শক্তিৰ উদ্ভৱ এনেদৰে হ'ব পাৰে—

- **তেজস্ক্ৰিয় ক্ষয় ঃ** তেজস্ক্ৰিয় পদাৰ্থৰ (অতি উচ্চ পাৰমাণৱিক ভৰৰ কিছুমান মৌলিক পদাৰ্থ, যিবোৰৰ পৰা নিজে নিজে আধানযুক্ত আৰু আধানহীন কণাৰ বিকিৰণ হয়) পৰমাণুৰ নিউক্লিয়াছত অৱস্থিত নিউট্ৰন বা প্ৰ'টনৰ ক্ষয়ৰ বাবে অন্যান্য ক্ষুদ্ৰাতিক্ষুদ্ৰ কণা, বিদ্যুৎচুম্বকীয় বিকিৰণ, নতুন নিউট্ৰনৰ উদ্ভৱৰ মাধ্যমেৰে পাৰমাণৱিক শক্তিৰ সৃষ্টি হয়।
- **নিউক্লীয় সংযোজন** (Nuclear fusion) : দুটা পাৰমাণৱিক নিউক্লিয়াছৰ সংযোজনৰ ফলত বৃহত্তৰ নিউক্লিয়াছ গঠনৰ বাবেও পাৰমাণৱিক শক্তিৰ সৃষ্টি হয়। সেই বিক্ৰিয়াত ভৰৰ কিছু ক্ষতি হয়। আমি আগতেই দেখুৱাই আহিছোঁ যে সামান্য ভৰৰ পৰাই অতিশয় বেছি শক্তিৰ সৃষ্টি হয়। গতিকে সামগ্ৰিক ভৰৰ ক্ষতি বেছি হ'লে তাতকৈও কিমান বেছি শক্তি উৎপাদিত হ'ব পাৰে, সেয়া সহজেই অনুমান কৰিব পাৰি।
- **নিউক্লীয় বিয়োজন** (Nuclear fission) : বৃহৎ ভৰৰ ডাঙৰ মৌলিক পদাৰ্থৰ নিউক্লিয়াছৰ ভাঙোন হৈ দুটা বা ততোধিক তুলনামূলকভাৱে পাতল

মৌলিক পদাৰ্থৰ নিউক্লিয়াছ সৃষ্টি হ'লেও পাৰমাণৱিক শক্তিৰ সৃষ্টি হয়। এই বিক্ৰিয়াতো ভৰৰ কিছু ক্ষতি হয় আৰু সেই ভৰৰ পৰাই প্ৰচণ্ড শক্তিৰ সৃষ্টি হয়।

**পৰমাণু শক্তি উৎপন্ন কৰাৰ সাধাৰণ পদ্ধতি**

যদি এটা গধুৰ মৌলিক পদাৰ্থৰ পৰমাণুক আন এটা বেগী নিউট্ৰনৰ দ্বাৰা আঘাত কৰা যায়, তেন্তে গধুৰ মৌলিক পদাৰ্থটো ভাঙি দুটা পাতল মৌলিক পদাৰ্থৰ পৰমাণুত পৰিণত হয় আৰু বিপুল পৰিমাণৰ তাপ শক্তিৰ বিকিৰণ ঘটে। এই শক্তিকেই পৰমাণু শক্তি বোলা হয়। এই বিক্ৰিয়া সংঘটিত হোৱা সময়ত সাধাৰণতে তিনিটা আন বেগী নিউট্ৰনো উৎপন্ন হয় আৰু এই তিনিটাই আন তিনিটা নতুন গধুৰ পৰমাণুৰ বিভংগন ঘটায়। ইয়াৰ ফলত ৯টা (৩ × ৩) নিউট্ৰন পোৱা যায় আৰু বিক্ৰিয়াটো দ্ৰুত গতিত বাঢ়ি যায়। এই বিক্ৰিয়াক কোৱা হয়—শৃংখল বিক্ৰিয়া (chain reaction)। এই শৃংখল বিক্ৰিয়া যদি অনিয়ন্ত্ৰিতভাৱে হয়, তেন্তে ই প্ৰচুৰ তাপ উৎপন্ন কৰিব আৰু এই পৰিস্থিতি সাংঘাতিক ধৰণে বিপদজনক হৈ উঠিব। আমি পাৰমাণৱিক বোমা বুলিলে যি বুজাওঁ, সি হ'ল মূলতঃ অনিয়ন্ত্ৰিত পাৰমাণৱিক বিক্ৰিয়া। আনহাতে এই বিক্ৰিয়াক যদি নিয়ন্ত্ৰিত কৰিব পৰা যায়, তেন্তে প্ৰয়োজন অনুসৰি সঠিক তাপ উৎপাদন কৰিব পাৰি আৰু সেই তাপক বিভিন্ন গৱেষণা আৰু বিদ্যুৎ উৎপাদনৰ কামত ব্যৱহাৰ কৰিব পৰা যায়।

**পৰমাণু বোমা** (atom bomb) **বা পাৰমাণৱিক অস্ত্ৰ** (nuclear weapon)

পৰমাণু বোমা বা পাৰমাণৱিক অস্ত্ৰ হ'ল এনে এটা অত্যন্ত শক্তিশালী বিস্ফোৰক সঁজুলি, যি নিউক্লিয়াছৰ বিয়োজন বা সংযোজন প্ৰক্ৰিয়াৰ মাধ্যমেৰে প্ৰচণ্ড ধ্বংসাত্মক শক্তি উৎপন্ন কৰে। ইয়াৰ বিস্ফোৰণে নিমিষতে এখন নগৰ ধ্বংস কৰি পেলাব পাৰে আৰু তেজস্ক্ৰিয়তা সৃষ্টিৰ জৰিয়তে পাছৰ বহু বছৰলৈ বিপৰ্য্যয়ৰ সৃষ্টি কৰে। এই বোমাত সাধাৰণতে ইউৰেনিয়াম বা প্লুটোনিয়ামৰ দৰে গধুৰ মৌল ব্যৱহাৰ কৰা হয়। ১৯৪৫ চনত আমেৰিকা যুক্তৰাষ্ট্ৰৰ 'মানহাটান প্ৰজেক্ট'ৰ অধীনত বিশ্বৰ প্ৰথমটো পৰমাণু বোমা তৈয়াৰ কৰা হয়। বিজ্ঞানী ৰবাৰ্ট অ'পেনহাইমাৰক পাৰমাণৱিক বোমাৰ জনক বুলি জনা যায়।

**হিৰোছিমা আৰু নাগাছাকি**

দ্বিতীয় বিশ্বযুদ্ধৰ শেষ পৰ্য্যায়ত ১৯৪৫ চনৰ ৬ আগষ্টত জাপানৰ হিৰোছিমাত প্ৰথমবাৰৰ বাবে বিধ্বংসী



কাৰ্য্য চলাবলৈ পৰমাণু বোমা (নাম আছিল 'লিটল বয়') নিক্ষেপ কৰা হয়। তাৰ পাছত ৯ আগষ্টত জাপানৰে নাগাছাকিত দ্বিতীয়টো পৰমাণু বোমাৰ (নাম 'ফেট মেন') বিস্ফোৰণ ঘটোৱা হ'ল। দৰাচলতে অনমনীয় জাপানক আত্মসমৰ্পণ কৰিবলৈ বাধ্য কৰাবলৈ এই আক্ৰমণ কৰা হৈছিল। আগতে নজনা-নুশুনা প্ৰলয়ংকৰী পৰিস্থিতিৰ পাছত ১৫ আগষ্টত জাপানে চৰ্তহীনভাৱে আত্মসমৰ্পণ কৰাৰ কথা ঘোষণা কৰে আৰু ১৯৪৫ চনৰ ২ ছেপ্টেম্বৰত দ্বিতীয় বিশ্বযুদ্ধৰ আনুষ্ঠানিক পৰিসমাপ্তি ঘটে।

হিৰোছিমা আৰু নাগাছাকিৰ পৰমাণু বোমা বিস্ফোৰণত প্ৰায় দুই লাখ লোকৰ মৃত্যু হৈছিল। তদুপৰি আন বহুসংখ্যকে দেহত তেজস্ক্ৰিয় বিকিৰণৰ মাৰাত্মক ক্ৰিয়াৰ ফলত জীয়াতু ভুগি পাছত মৃত্যুক সাবটি ল'বলগীয়া হৈছিল। পাৰমাণৱিক বোমাৰ বিস্ফোৰণৰ ফলত তাৰ আকাশে-বতাহে তেজস্ক্ৰিয় পৰমাণুবোৰ উৰি ফুৰিছিল আৰু পাছত সেইবোৰৰ 'ফল আউট' বা 'তললৈ নামি অহা' পৰিঘটনাৰ ফলত সেই অঞ্চলৰ অধিবাসীসকলে দেহত যথেষ্ট পৰিমাণৰ তেজস্ক্ৰিয় পৰমাণু গ্ৰহণ কৰিবলগীয়া হৈছিল।

হিৰোছিমা আৰু নাগাছাকিত যিসকল লোক মৃত্যুৰ মুখত পৰিল, তাৰ বেছিভাগৰে মূল বিস্ফোৰণত মৃত্যু হোৱা নাছিল। তাৰ পাছত হোৱা বিকিৰণৰ ক্ৰিয়াৰ ফলতহে সেইসকলৰ মৃত্যু হৈছিল। সেই সময়ছোৱাত জাপানৰ চিকিৎসকসকলো কিছুমান অদ্ভুত সমস্যাৰ সমুখীন হৈছিল। ডা° টাৎছুইকিৰো আজিকুকি নামৰ এজন চিকিৎসকে পাছত 'নাগাছাকি' নামৰ এখন কিতাপত

লিখিছিল, “আমি হঠাতে এনে কিছুমান ৰোগী পাবলৈ আৰম্ভ কৰিলোঁ, যিবোৰে বেছ দৈহিক যন্ত্ৰণাত ভুগিছিল, কিন্তু তেওঁলোকৰ দেহত দেখাত কোনো বাহ্যিক আঘাত নাছিল। পাছতহে আমি গম পালোঁ যে আমি আচলতে বিকিৰণৰ ক্ৰিয়াৰ চিকিৎসা কৰি আছোঁ। আমি এই নতুন লক্ষণৰ নাম দিলোঁ ‘এটমিক ৰোগ’ বা ‘তেজস্ক্ৰিয় বিষক্ৰিয়া’। পাছে সেই নাম দিনো কি হ’ব? আমিতো তাৰ চিকিৎসা পদ্ধতিৰ বিষয়ে একোৱেই নাজানো! ...বোমা বিস্ফোৰণৰ এসপ্তাহ-দহদিন পাছৰ পৰা তেজস্ক্ৰিয় বিকিৰণত আক্ৰান্ত মানুহবোৰ দ্ৰুত হাৰত মৰিবলৈ ধৰিলে। কিছুমানৰ দেহত জুয়ে পোৰাৰ দৰে ক্ষত দেখা গৈছিল, আনহাতে কিছুমানৰ দেহত বাহ্যিক একো লক্ষণেই নাছিল। মৃত্যুৰ মুখলৈ আগবাঢ়ি যোৱা ৰোগীসকলক অসহায়ভাৱে চাই থকাৰ বাহিৰে আমাৰ কোনো উপায় নাছিল। ...আমাৰ কিছুমানৰো ডায়েৰিয়া হৈছিল আৰু দাঁতৰ আলুৰেদি তেজ ওলাবলৈ আৰম্ভ কৰিছিল। আমি কেৱল এই আশংকাই কৰিছিলোঁ যে আজি মৰা মানুহজন কাইলৈ আমিও হ’ব পাৰোঁ। তেজস্ক্ৰিয়তাই আমাৰ দেহত কেনেদৰে ক্ৰিয়া কৰিছে, তাৰ কোনো ধাৰণা আমাৰ নাছিল।”

**বিশ্বৰ পাৰমাণৱিক শক্তিধৰ দেশসমূহ**

আমেৰিকা যুক্তৰাষ্ট্ৰই পৰমাণু বোমা তৈয়াৰ কৰা পদ্ধতি গোপনে ৰাখিলেও দ্বিতীয় মহাযুদ্ধৰ পাছত বিভিন্ন দেশে নিজৰ নিৰাপত্তাৰ বাবেই হওক বা আন কাৰণতে হওক, এনে বোমা তৈয়াৰ কৰাৰ কামত ব্ৰতী হ’ল আৰু কেইখনমান দেশে সফলতাও লাভ কৰিলে। বৰ্তমান বিশ্বত ৯খন দেশ পৰমাণু বোমাৰ অধিকাৰী। অৰ্থাৎ এইকেইখন দেশৰ ওচৰত পৰমাণু বোমা সজাৰ প্ৰযুক্তি উপলব্ধ আৰু তেওঁলোকে পৰমাণু বোমা তৈয়াৰ কৰি ৰাখিছেও। সেই দেশকেইখন হ’ল—আমেৰিকা যুক্তৰাষ্ট্ৰ, ৰাছিয়া, চীন, ফ্ৰান্স, বৃটেইন, ভাৰত, পাকিস্তান, ইজৰাইল আৰু উত্তৰ কোৰিয়া। এক হিচাপ অনুসৰি এইকেইখন দেশৰ ওচৰত থকা পৰমাণু বোমাৰ আনুমানিক সংখ্যা এনে ধৰণৰ—

আমেৰিকা যুক্তৰাষ্ট্ৰ : ৫,২৭৭টা, ৰাছিয়া : ৫,৪৪৯টা, চীন : ৬০০টা, ফ্ৰান্স : ২৯০টা, বৃটেইন : ২২৫টা, ভাৰত : ১৮০টা, পাকিস্তান : ১৭০টা, ইজৰাইল : ৯০টা, উত্তৰ কোৰিয়া : ৫০টা।

**আন্তৰ্জাতিক ৰাজনীতি আৰু পৰমাণু বোমা**

আন্তৰ্জাতিক ৰাজনীতিত পৰমাণু বোমা হ’ল শক্তিধৰ দেশসমূহৰ ৰাজনৈতিক হাতিয়াৰ। বৰ্তমান এনে বোমা প্ৰত্যক্ষভাৱে ব্যৱহৃত হোৱাতকৈ যুদ্ধৰ প্ৰতিৰোধক (deterrent) হিচাপেহে ব্যৱহৃত হয়। এই বোমাৰ উপস্থিতিয়ে আন্তৰ্জাতিক সম্পৰ্কত এক বিশেষ ভাৰসাম্য সৃষ্টি কৰি ৰাখিছে। ‘পাৰস্পৰিক নিশ্চিত ধ্বংস’ৰ (Mutually Assured Destruction) ভয়ত বিশ্বৰ প্ৰধান শক্তিসমূহে প্ৰত্যক্ষভাৱে যুদ্ধৰ পৰা বিৰত আছে। এই বোমাই ‘বিশ্বব্যাপী অস্ত্ৰ প্ৰতিযোগিতা, পাৰমাণৱিক বিস্তাৰ ৰোধ চুক্তি’ (NPT) আৰু নানা ধৰণৰ অৰ্থনৈতিক নিষেধাজ্ঞাৰ সৃষ্টি কৰিছে। সাধাৰণভাৱে চাবলৈ গ’লে পৰমাণু বোমা থকা দেশৰ লগত আন দেশে যুদ্ধ কৰিবলৈ সিমান ইচ্ছুক নহয়। যোৱা বছৰবোৰত ভিয়েটনাম, আফগানিস্তান, ইৰাক, ইৰান আদি যিকেইখন দেশৰ লগত আমেৰিকা যুক্তৰাষ্ট্ৰ যুদ্ধত লিপ্ত হৈছে, তাৰ এখন দেশো পৰমাণু বোমাৰ অধিকাৰী নহয়। বহুতৰ মতে, যথেষ্ট কাৰণ বা অজুহাত থকা সত্ত্বেও আমেৰিকা যুক্তৰাষ্ট্ৰ যে উত্তৰ কোৰিয়াৰ দৰে একনায়কত্ববাদী শাসকৰ দেশ এখনক আক্ৰমণ কৰাৰ পৰা বিৰত আছে, তাৰ এক মূল কাৰণ হ’ল যে উত্তৰ কোৰিয়া পাৰমাণৱিক শক্তিধৰ দেশ। তেওঁলোকে যদি প্ৰৰোচনাত পৰি এই বোমাসমূহ আন দেশসমূহৰ বিৰুদ্ধে ব্যৱহাৰ কৰে, তেন্তে বিশ্বত পাৰমাণৱিক যুদ্ধৰ সূত্ৰপাত হ’ব আৰু সমগ্ৰ বিশ্বক ধ্বংস কৰাৰ পাছতহে এই যুদ্ধৰ অন্ত পৰিব। আমাৰ ভাৰতৰ লগত পাকিস্তানৰ যে আনুষ্ঠানিক যুদ্ধ বেছ কিছু বছৰ ধৰি হোৱা নাই বা তেনে পৰিৱেশ সৃষ্টি হ’লেও বিশ্বৰ আন শক্তিধৰ দেশসমূহে উবুৰি খাই পৰি যুদ্ধ পৰিহাৰ কৰিবলৈ দুয়ো দেশৰ ওপৰত চাপৰ সৃষ্টি কৰে, তাৰো অন্যতম কাৰণ হ’ল যে এই দুয়োখন দেশ পাৰমাণৱিক অস্ত্ৰৰ অধিকাৰী দেশ। তেনেবোৰ দিশৰ পৰা চাবলৈ গ’লে পৰমাণু বোমাই বহুতো সম্ভাব্য যুদ্ধৰ ক্ষেত্ৰত প্ৰতিৰোধৰহে সৃষ্টি কৰিছে।

যদিহে যুদ্ধক্ষেত্ৰত ভৱিষ্যতে আৰু এনে বিস্ফোৰণ ঘটোৱা হয়, তেন্তে তাৰ পাছত এনে ভয়াবহ পৰিস্থিতিৰ সৃষ্টি হ’ব যে তাৰ ফলাফল এতিয়া কল্পনাও কৰিব নোৱাৰি। ❖

## ৭২ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা ঘোষণা ‘জুইফুল’লৈ ৰজত কমল সন্মান




যোৱা ১৮ জুলাই তাৰিখে ২০২৪ বৰ্ষৰ ৭২ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাসমূহ কেন্দ্ৰীয় চৰকাৰে আনুষ্ঠানিকভাৱে ঘোষণা কৰে। ভাৰত চৰকাৰৰ তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ে ঘোষণা কৰা অনুসৰি ‘আৰ্টিকল-৩৭০’ চলচ্চিত্ৰখনে শ্ৰেষ্ঠ পূৰ্ণদৈৰ্ঘ্য চলচ্চিত্ৰৰ সন্মান লাভ কৰে। এই চলচ্চিত্ৰখনৰ মুখ্য চৰিত্ৰত অভিনয় কৰা অভিনেত্ৰী য়ামী গৌতমে শ্ৰেষ্ঠ অভিনেত্ৰীৰ সন্মান লাভ কৰিবলৈ সক্ষম হয়। আনহাতে, ‘চন্দু চেম্পিয়ন’ চলচ্চিত্ৰখনত কৰা অভিনয়ৰ বাবে কাৰ্তিক আৰিয়ান আৰু ‘ব্ৰহ্মযুগম’ চলচ্চিত্ৰখনত কৰা অভিনয়ৰ বাবে মামুট্টীয়ে যুটীয়াভাৱে শ্ৰেষ্ঠ অভিনেতাৰ সন্মান লাভ কৰে। ৰাজকুমাৰ পেৰিয়াছামীয়ে ‘আমৰণ’ চলচ্চিত্ৰখনৰ বাবে শ্ৰেষ্ঠ পৰিচালকৰ সন্মান লাভ কৰে।

৭২ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাত যদুমণি দত্ত পৰিচালিত ‘জুইফুল’ ছবিখনে পূৰ্ণদৈৰ্ঘ্য চলচ্চিত্ৰ শিতানত শ্ৰেষ্ঠ অসমীয়া ছবি হিচাপে ৰজত কমল বঁটা লাভ কৰিবলৈ সক্ষম হয়। আনহাতে অকাহিনী চলচ্চিত্ৰ শিতানত ‘লাইফ ইন লুম’ (Life in Loom) শীৰ্ষক তথ্যচিত্ৰখনে শ্ৰেষ্ঠ চিত্ৰনাট্যৰ বঁটা লাভ কৰিছে। ইংৰাজী, তামিল, হিন্দী আৰু অসমীয়া ভাষাত নিৰ্মিত এই চলচ্চিত্ৰখনৰ চিত্ৰনাট্যকাৰ হ’ল এডমণ্ড ৰেনছন।

## ভাৰতৰ প্ৰথমটো ব্যক্তিগত ৰকেট ‘বিক্ৰম-১’ৰ সফল উৎক্ষেপণ



যোৱা ১৮ জুলাই তাৰিখে ভাৰতীয় বিজ্ঞানীসকলে মহাকাশ বিজ্ঞানত ইতিহাস ৰচনা কৰি দেশৰ প্ৰথমটো ব্যক্তিগত স্পেচ ৰকেট ‘বিক্ৰম-১’ সফলভাৱে উৎক্ষেপণ কৰিবলৈ সক্ষম হয়। অন্ধ্ৰপ্ৰদেশৰ শ্ৰীহৰিকোটা উৎক্ষেপণ কেন্দ্ৰৰ পৰা মহাকাশলৈ প্ৰথমটো বেচৰকাৰী স্পেচ ৰকেট উৎক্ষেপণ কৰা হয়। উল্লেখযোগ্য যে ২০১৮ চনতে ইছৰোৰ প্ৰাক্তন বিজ্ঞানী পৱন কুমাৰ চন্দনা আৰু নাগা ভৰত ডাকাই ‘স্কাইৰুট’ (Skyroot) নামৰ মহাকাশ কোম্পানীটো স্থাপন কৰিছিল। স্কাইৰুট এৰ’স্পেচৰ দ্বাৰা নিৰ্মিত ৰকেটটো মূলতঃ মহাকাশত কৃত্ৰিম উপগ্ৰহ উপনীত কৰোৱা কামত ব্যৱহৃত হ’ব। এই ৰকেটটো নিৰ্মাণত ব্যৱহৃত উপাদানবোৰ সাধাৰণতে ৰকেটত ব্যৱহাৰ হোৱা উপাদানতকৈ পাতল আৰু অধিক মজবুত। এই ৰকেটৰ সৈতে যি পেল’ডসমূহ (payload) মহাকাশলৈ পঠিওৱা হৈছে তাৰ ভিতৰত অন্যতম হৈছে ‘এম্ব্ৰেচ মিছন’ (Embrace mission)। এম্ব্ৰেচ মিছনে ৰবটিক আৰ্মৰ সহায়ত মহাকাশৰ আৱৰ্জনা নিকা কৰাৰ প্ৰচেষ্টা কৰিব। উল্লেখ্য যে বিক্ৰম-১ ৰকেটে ভাৰতীয় বিজ্ঞান চৰ্চাৰ কিংবদন্তি ব্যক্তি বিক্ৰম ছাৰাভাই, এ.পি.জে আব্দুল কালাম আৰু চিভি ৰামণৰ প্ৰতিমূৰ্তি কঢ়িয়াই নিয়ে।

## দেশত হাইড্ৰ’জেনচালিত ৰেলসেৱাৰ শুভাৰম্ভ

যোৱা ১৭ জুলাই তাৰিখে ভাৰতৰ হাইড্ৰ’জেনচালিত ৰেলসেৱাৰ শুভাৰম্ভ কৰে প্ৰধানমন্ত্ৰী



নৰেন্দ্ৰ মোডীয়ে। এই ৰেল সেৱা হাৰিয়ানাৰ জিন্দ ষ্টেছনৰ পৰা ৯০ কিলোমিটাৰ দূৰত্বৰ সোণিপ’টলৈ চলাচল কৰিব। এই সুবিধা উপলব্ধ জাৰ্মানী, চীন, জাপান আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ পাছতে ভাৰত হৈছে বিশ্বৰ পঞ্চমখন দেশ। ভাৰতৰ এই হাইড্ৰ’জেনচালিত ৰেলখনত ১০টা ডবা সংযোজন কৰা হৈছে। ই বিশ্বৰ আটাইতকৈ দীঘল হাইড্ৰ’জেন চালিত ৰেল বুলি স্বীকৃত হৈছে। এই ৰেলখন ভাৰতৰ থলুৱা প্ৰযুক্তি প্ৰয়োগ কৰি নিৰ্মাণ কৰা হৈছে। ৰেলখনত বিদ্যুৎ উৎপাদনৰ বাবে হাইড্ৰ’জেন গেছ ইন্ধন হিচাপে ব্যৱহাৰ কৰা হয়। এনে প্ৰযুক্তিত কেৱল জলীয় বাষ্পহে বৰ্জ্য হিচাপে উৎপন্ন হয় বাবে ধোঁৱা নিৰ্গমন শূন্য হয়। এই বিশেষ ৰেলখন নিৰ্মাণত প্ৰায় ১১০ কোটি টকা ব্যয় হৈছে আৰু ৰেল কৰ্তৃপক্ষই প্ৰথম পৰ্য্যায়ত এনে ধৰণৰ ৩৫খন ৰেল চলাচলৰ বাবে পৰিকল্পনা গ্ৰহণ কৰিছে। ঘণ্টাত ৭৫ কিলোমিটাৰ গতিবেগৰ এই পৰিবেশ

অনুকূল ৰেলখনে এবাৰত ২৬০০ যাত্ৰী কঢ়িয়াই নিব পাৰিব।

## জনপ্ৰিয় অভিনেত্ৰী পূৰবী শৰ্মাৰ দেহাৱসান



যোৱা ১৪ জুলাই তাৰিখে অসমৰ জনপ্ৰিয় অভিনেত্ৰী পূৰবী শৰ্মাৰ প্ৰায় ৬৫ বছৰ বয়সত আকস্মিকভাৱে দেহাৱসান ঘটে। ১৯৬১ চনত জন্মগ্ৰহণ কৰা শৰ্মাই ১৯৮০ চনত বিশিষ্ট পৰিচালক নিপ বৰুৱাৰ 'আজলী নবৌ' বোলছবিত 'বেবী' নামৰ এটা চৰিত্ৰ ৰূপায়ণেৰে চলচ্চিত্ৰ জগতত প্ৰবেশ কৰিছিল। অসমীয়া চলচ্চিত্ৰ তথা ভ্ৰাম্যমাণ থিয়েটাৰত বিশেষ অভিনয় প্ৰতিভা প্ৰদৰ্শন কৰা মোহময়ী অভিনেত্ৰীগৰাকীয়ে দূৰদৰ্শন আৰু ৰেডিঅ'ৰ নাটকতো দীৰ্ঘকাল ধৰি সফলতাৰে কাম কৰি আহিছিল। অভিনেত্ৰীগৰাকীয়ে অভিনয় কৰা কেইখনমান জনপ্ৰিয় চলচ্চিত্ৰ হৈছে—'এণ্টনী মোৰ নাম', 'প্ৰথম ৰাগিণী', 'পিতা-পুত্ৰ', 'বাৰুদ', 'পাহাৰী কন্যা', 'কন্যাদান', 'বিধাতা', 'পূজা', 'ভাই ভাই', 'অশান্ত প্ৰহৰ', 'সোণ মইনা', 'সংকল্প', 'অভিমান' আদি। বিশিষ্ট অভিনেত্ৰীগৰাকীয়ে হেঙুল, কহিনুৰ, শ্ৰীমন্ত শংকৰদেৱ আদি বহুতো জনপ্ৰিয় ভ্ৰাম্যমাণ থিয়েটাৰতো মন পৰশা অভিনয় কৰি দৰ্শকৰ হৃদয় জিনিবলৈ সক্ষম হৈছিল। শৰ্মাই মৃত্যুৰ সময়ত স্বামী, জনপ্ৰিয় অভিনেতা তপন দাসৰ লগতে এগৰাকী কন্যাক ইহ সংসাৰত এৰি থৈ যায়।

## স্বাধীন বেলুচিস্তান ঘোষণা বেলুচ বিদ্ৰোহীৰ




পাকিস্তান চৰকাৰ আৰু সেনাৰ বিৰুদ্ধে দীৰ্ঘদিনীয়া ৰক্তক্ষয়ী সংগ্ৰামৰ অন্তত যোৱা ১৪ জুলাই তাৰিখে বেলুচিস্তানে নিজকে স্বাধীন ৰাষ্ট্ৰ হিচাপে ঘোষণা কৰে। নিষিদ্ধ ঘোষিত সংগঠন বেলুচ লিবাৰেছন আৰ্মীয়ে (BLA) এই ঘোষণা কৰে। প্ৰকাশিত বিবৃতি অনুসৰি বেলুচিস্তানক 'ৰিপাব্লিক অৱ বেলুচিস্তান' (Republic of Belochistan) বুলি নামকৰণ কৰা হৈছে। পকিস্তান সেনাৰ সৈতে তয়াময়া যুদ্ধ কৰি বেলুচিস্তানৰ ৮৫ শতাংশ অঞ্চল ইতিমধ্যে স্বাধীন কৰা বুলি বিদ্ৰোহীসকলে দাবী কৰিছে। নতুনকৈ ঘোষিত দেশখনৰ নিজা জাতীয় পতাকা, ৰাষ্ট্ৰীয় সংগীত আৰু বিলুচ-ফালুচ নামেৰে এক স্বকীয় মুদ্ৰাও প্ৰস্তুত কৰা হৈছে। দীৰ্ঘদিনীয়া সংগ্ৰামৰ অন্তত বেলুচিস্তানৰ ভূমিত থকা বিশাল সোণ আৰু তামৰ খনি, ১৫০টা প্ৰাকৃতিক গেছৰ খনি, ১২০০ কয়লাখনি বৰ্তমান স্থানীয় জনসাধাৰণৰ অধীনলৈ আহিব। লগতে সুৰক্ষাৰ বাবে এক শক্তিশালী প্ৰতিৰক্ষা বাহিনীও গঠন কৰা হৈছে। প্ৰায় ৫ লাখ সদস্যৰ স্থলসেনা, নৌসেনা আৰু বায়ুসেনা গঠনৰ প্ৰক্ৰিয়া সম্পূৰ্ণ হৈছে। ইতিমধ্যে বহুতো বেলুচ লোকে পাক সেনা আৰু আৰক্ষীত কৰ্মৰত অৱস্থাৰ পৰা পদত্যাগ কৰিছে। বেলুচিস্তানৰ মুঠ মাটিকালি হৈছে ৩ লাখ ৪৭ হাজাৰ বৰ্গ কিলোমিটাৰ আৰু জনসংখ্যা প্ৰায় ডেৰ কোটি। এই এলেকাটো পাকিস্তানৰ প্ৰায় ৪৩ শতাংশ। ১৯৪৭ চনত দেশ বিভাজনৰ সময়ত কালাট নামৰ দেশীয় ৰাজ্যখন পাকিস্তানে বলপূৰ্বকভাৱে দখল কৰাৰ পৰাই সংঘাতৰ সূচনা হয়। ৯৯ শতাংশ ইছলাম ধৰ্মাৱলম্বী লোকৰ বেলুচিস্তানে বহু বছৰ ধৰি ৰাষ্ট্ৰসংঘত স্বাধীনতাৰ হকে আবেদন কৰি আহিছে।

## গ্লাছগো কমনৱেলথ গেমছ, ২০২৬ আৰম্ভ

যোৱা ২৩ জুলাই তাৰিখে স্কটলেণ্ডৰ গ্লছগোত ২৩ সংখ্যক কমনৱেলথ গেমছ ইংলণ্ডৰ ৰজা চাৰ্লছ তৃতীয়ই উদ্বোধন কৰে। ২ আগষ্টলৈ চলিবলগীয়া এই বৰ্ষৰ প্ৰতিযোগিতাত মুঠ ৭৪টা দলে অংশগ্ৰহণ কৰিছে। প্ৰতিযোগিতাত ১০বিধ খেলত মুঠ ২১৫টা শিতানত (event) ৩০০০ খেলুৱৈয়ে অংশগ্ৰহণ কৰিছে। মূলতঃ অভো হাইড্ৰ ষ্টেডিয়ামত হ'বলগীয়া প্ৰতিযোগিতাখনত গেবন আৰু টগো নামৰ দেশ দুখনে প্ৰথমবাৰৰ বাবে অংশগ্ৰহণ কৰিছে। ভাৰতৰ ১২৬ জনীয়া দলটোৰ মীৰাবাঈ চানু আৰু লাভলীনা

বৰগোহাঁয়ে ক্ৰমে ফ্লেগবিয়াৰাৰ আৰু বেটন বিয়াৰাৰৰ দায়িত্ব পালন কৰে। প্ৰায় ২০০০ কোটি টকা ব্যয়সাপেক্ষে এই বৰ্ষৰ প্ৰতিযোগিতাত হকী, বেডমিণ্টন, শ্যুটিং আৰু মল্লযুঁজক অন্তৰ্ভুক্ত কৰা হোৱা নাই। কমনৱেলথ গেমছ প্ৰথমবাৰৰ বাবে ১২খন দেশৰ মাজত কানাডাত ১৯৩০ চনত অনুষ্ঠিত হৈছিল। পৰৱৰ্তী কমনৱেলথ গেমছ ভাৰতৰ আহমেদাবাদত ২০৩০ চনত অনুষ্ঠিত হ'ব।

## কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগ প্ৰতিবাদী কাৰ্য্যসূচী প্ৰত্যাহাৰ

যোৱা ২৫ জুলাই তাৰিখে কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে চৰকাৰৰ পৰা পদত্যাগ কৰাত ক'কৰোচ জনতা পাৰ্টিৰ নেতৃত্বত চলি থকা প্ৰতিবাদী আন্দোলনৰ কাৰ্য্যসূচী প্ৰত্যাহাৰ কৰা হয়। যোৱা ২০ জুনৰ পৰা ক'কৰোচ জনতা পাৰ্টিয়ে (CJP) দিল্লীৰ যন্তৰ মন্তৰত অভিজিৎ দীপ্‌কেৰ নেতৃত্বত কেন্দ্ৰীয় শিক্ষামন্ত্ৰীগৰাকীৰ পদত্যাগ দাবী কৰি ধৰ্ণা কাৰ্য্যসূচী চলাই আহিছিল। ভাৰতৰ চিকিৎসা শিক্ষাৰ স্নাতক পৰ্য্যায়ৰ নামভৰ্তিৰ বাবে অনুষ্ঠিত সৰ্বভাৰতীয় নীট (NEET) পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিল (leak) হোৱাৰ প্ৰতিবাদত এই কাৰ্য্যসূচীৰ সূচনা হৈছিল। আৰম্ভণিতে কেন্দ্ৰীয় চৰকাৰে প্ৰতিবাদীসকলৰ দাবী মানি নোলোৱাত আন্দোলনৰ কাৰ্য্যসূচী হাতত লোৱা হয়। ২৫ জুলাইত দেশৰ বৃহত্তৰ স্বাৰ্থত শিক্ষামন্ত্ৰীগৰাকীয়ে পদত্যাগ কৰাৰ সিদ্ধান্ত ৰাজহুৱা কৰাৰ পাছতে প্ৰতিবাদী আন্দোলন প্ৰত্যাহাৰ কৰা হয়। লাডাখৰ জনপ্ৰিয় পৰিবেশকৰ্মী তথা বিজ্ঞানী সোনম ৱাংচুকে যন্তৰ মন্তৰত এই দাবীৰ সমৰ্থনত ২৮ জুনৰ পৰা আমৰণ অনশন আৰম্ভ কৰে। তেওঁৰ এই আমৰণ অনশনে আন্দোলনটোক নতুন মাত্ৰা প্ৰদান কৰে আৰু সৰ্বভাৰতীয় বিস্তৃতি লাভ কৰে। ১৮ জুলাইত কেন্দ্ৰীয় চৰকাৰে ৱাংচুকক অনশনস্থলীৰ পৰা বলপূৰ্বকভাৱে চিকিৎসালয়লৈ স্থানান্তৰ কৰা তথা শান্তিপূৰ্ণ আন্দোলনকাৰীসকলক আৰক্ষীয়ে নিৰ্বিচাৰে নিষ্ঠুৰভাৱে অত্যাচাৰ কৰাত পৰিস্থিতি অতি উত্তেজনাপূৰ্ণ হৈ পৰে। এনে পৰিস্থিতিত বিভিন্ন বিৰোধী ৰাজনৈতিক দলেও আন্দোলনটোলৈ মুকলি সমৰ্থন আগবঢ়ায় আৰু সহযোগ কৰে।

আন্দোলনকাৰী ক'কৰোচ জনতা পাৰ্টিৰ মূল দাবীকেইটা হৈছে—ক) কেন্দ্ৰীয় শিক্ষামন্ত্ৰীৰ পদত্যাগ আৰু দোষীক উপযুক্ত কঠোৰ শাস্তি প্ৰদান। খ) নীট পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিলৰ বাবে আত্মহত্যা কৰা মেধাৱী পৰীক্ষাৰ্থীসকলৰ নিকট আত্মীয়ক আৰ্থিক ক্ষতিপূৰণ দিয়া আৰু গ) ক'কৰোচ জনতা পাৰ্টিৰ আন্দোলনকাৰীসকলৰ ওপৰত থকা সকলো গোচৰ প্ৰত্যাহাৰ কৰা।

২৩ জুলাইত কেন্দ্ৰীয় চৰকাৰে চিকিৎসালয়ত অনশনৰত ৱাংচুকক সাক্ষাৎ কৰি দাবীসমূহ মানি লোৱাৰ প্ৰতিশ্ৰুতি দিয়ে। সোণম ৱাংচুকৰ সহযোগত কেন্দ্ৰীয় কেবিনেট মন্ত্ৰী জে পি নড্ডা আৰু জীতেন্দ্ৰ সিঙৰ লগত আন্দোলনকাৰী নেতৃবৰ্গৰ তিনিলানি আলোচনা অনুষ্ঠিত হয়। আলোচনাৰ অন্তত কেন্দ্ৰীয় চৰকাৰে যুৱ শক্তিৰ দাবীবোৰ মানি ল'বলৈ (বিনাচৰ্তে) সন্মত হোৱাত আন্দোলনৰ কাৰ্য্যসূচী ২৫ জুলাই তাৰিখে সাময়িকভাৱে প্ৰত্যাহাৰ কৰা হয়।

## জাপান অ'পেনত পিভি সিন্ধুৰ ঐতিহাসিক খিতাপ জয়

যোৱা ১৯ জুলাই তাৰিখে জাপান অ'পেন মহিলা বেডমিণ্টন (ছিংগলছ) প্ৰতিযোগিতাত ভাৰতৰ পিভি



সিন্ধুৱে চেম্পিয়ন খিতাপ দখল কৰি ইতিহাস ৰচনা কৰে। প্ৰাক্তন বিশ্ব চেম্পিয়ন পিভি সিন্ধুৱে ফাইনেলত ঘৰুৱা খেলুৱৈ আকানে য়ামাগুছিক ২১-১৭ আৰু ২১-১৭ ব্যৱধানত পৰাজিত কৰে। পিভি সিন্ধুৱে প্ৰথমগৰাকী ভাৰতীয় হিচাপে এই সন্মানীয় খিতাপ দখলৰ গৌৰৱ অৰ্জন কৰে। তাৰকা খেলুৱৈগৰাকীয়ে ২০১৬ চনৰ ৰিঅ'ডি জেনেৰিঅ' অলিম্পিকত ৰূপৰ পদক আৰু ২০২০ বৰ্ষৰ টকিঅ' অলিম্পিকত ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সমৰ্থ হৈছিল। ১৪ জুলাইৰ পৰা ১৯ জুলাইলৈ অনুষ্ঠিত এই মুকলি প্ৰতিযোগিতাত চেম্পিয়ন সিন্ধুৱে ট্ৰফীৰ লগতে প্ৰায় ৬৪ লাখ টকাৰ পুৰস্কাৰ লাভ কৰে। ❖

**■ সংগ্ৰহ : কুশল গোস্বামী**

## খবৰৰ লেছেৰি বোটলা

**(২১ জুন ২০২৬ ৰ পৰা ২০ জুলাই ২০২৬লৈ)**

২১ **জুন** : অসম ক্ৰিকেট সন্থাই (এচিএ) প্ৰথমবাৰৰ বাবে অসম প্ৰিমিয়াৰ লীগ (APL) আৰম্ভ কৰে।

২২ **জুন** : অহা চাৰি আগষ্টৰ পৰা গুৱাহাটী আৰু ডুবাই তথা আবুধাবিৰ মাজত পোনপটীয়া বিমান সেৱা আৰম্ভ হ'ব বুলি অসম চৰকাৰে ঘোষণা কৰে।

২৩ **জুন** : ভাৰতৰ অধ্যক্ষতাত দিল্লীত ১৩খন ৰাষ্ট্ৰৰ অংশগ্ৰহণেৰে ব্ৰিকছৰ নিৰাপত্তা উপদেষ্টাৰ সন্মিলন আৰম্ভ হয়।

২৪ **জুন** : ভাৰতৰ দীনেশ ত্ৰিবেদীক কেবিনেট মন্ত্ৰীৰ মৰ্য্যাদা দি বাংলাদেশৰ উচ্চায়ুক্ত হিচাপে নিযুক্তি দিয়া হয়।

২৫ **জুন** : কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদে (CBSE) সপ্তম, অষ্টম আৰু নৱম শ্ৰেণীত তিনিটা ভাষাৰ পৰিবৰ্তে দুটা ভাষা শিক্ষাৰ্থীয়ে পঢ়িব লাগিব বুলি ঘোষণা কৰে।

২৮ **জুন** : শান্তি চুক্তি ভংগ কৰি আমেৰিকা যুক্তৰাষ্ট্ৰই পুনৰ ইৰান আক্ৰমণ কৰি সকলোকে স্তম্ভিত কৰি তোলে।

২৯ **জুন** : আন্তঃৰাষ্ট্ৰীয় ভলীবল কাপত ভাৰতে ব্ৰঞ্জৰ পদক লাভ কৰে।

৩০ **জুন** : লেফটেনেণ্ট জেনেৰেল ধীৰাজ সেথে ভাৰতৰ সেনাবাহিনীৰ মুৰব্বী হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰে।

২ **জুলাই** : নতুন দিল্লীত ১৬ সংখ্যক ভাৰত-জাপান শীৰ্ষ সন্মিলনত অহা ১০ বছৰত জাপানে ভাৰতত ১০ ট্ৰিলিয়ন য়েন (Yen) বিনিয়োগৰ সিদ্ধান্ত গ্ৰহণ কৰে।

৩ **জুলাই** : ক্ৰিপ্টোকাৰেন্সি (cryptocurrency) অৰ্থাৎ অদৃশ্য মুদ্ৰাক কোনো কাৰণতে স্বীকৃতি দিয়া নহয় বুলি ভাৰতীয় ৰিজাৰ্ভ বেংকে ঘোষণা কৰে।

৪ **জুলাই** : আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত শান্তি ৰক্ষা কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰাৰ বাবে ৬৫১ জন ভাৰতীয় সৈনিকে ৰাষ্ট্ৰসংঘৰ বিশেষ পদক লাভ কৰে।

৫ **জুলাই** : গ্ৰীচ দেশত ভাৰতৰ ইউপিআই (UPI) সেৱা আৰম্ভ কৰা হয়।

৬ **জুলাই** : অষ্ট্ৰেলিয়াই আইচিচি টি-২০ মহিলা বিশ্বকাপত ইংলণ্ডক পৰাজিত কৰি চেম্পিয়নৰ খিতাপ দখল কৰে।

৭ **জুলাই** : লিডুত প্ৰায় ৮৩ কোটি টকা ব্যয় সাপেক্ষে ছেটেলাইট আৰ্থ ষ্টেছন স্থাপন কৰিব বুলি ইছৰোৱে ঘোষণা কৰে।

৮ **জুলাই** : বনুৱা দলৰ (Labour Party) নেতা এণ্ডি বাৰ্নহাম ইংলণ্ডৰ পৰবৰ্তী প্ৰধানমন্ত্ৰী নিৰ্বাচিত হয়।

৯ **জুলাই** : ভাৰতীয় ভলীবল দলৰ প্ৰাক্তন অধিনায়ক তথা ভলীবল লীগৰ জন্মদাতা অভিজিৎ ভট্টাচাৰ্য্যক আন্তঃৰাষ্ট্ৰীয় অলিম্পিক কমিটিয়ে লিংগ সমতা, বৈচিত্ৰ্যৰ বিশ্ব চেম্পিয়ন গ্ল'বেল বঁটা প্ৰদান কৰে।

১০ **জুলাই** : বিত্তমন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই অসম বিধান সভাত ২,৮৫,০৮৪ কোটি টকাৰ ২০২৬-২৭ বিত্তীয় বৰ্ষৰ পূৰ্ণাংগ বাজেট দাখিল কৰে।

১১ **জুলাই** : চেক গণৰাজ্যৰ লিণ্ডা নস্কোভাই উইম্বলডনৰ মহিলা ছিংগলছৰ চেম্পিয়নৰ খিতাপ লাভ কৰে।

১২ **জুলাই** : প্ৰাণৰ শিল্পী জুবিন গাৰ্গক মৰণোত্তৰভাৱে অসম সাহিত্য সভাই 'সংগীত সুধাকৰ' অভিধা প্ৰদান কৰিব বুলি ঘোষণা কৰে।

১৩ **জুলাই** : সাহিত্য অকাডেমি বঁটা বিজয়ী পদ্মশ্ৰী গীতা উপাধ্যায়ৰ ৮৭ বছৰ বয়সত দেহাৱসান ঘটে।

১৪ **জুলাই** : ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডৰ সচিব দেৱজিৎ শইকীয়াক আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট পৰিষদৰ গৱৰ্নেঞ্চ কমিটিৰ অধ্যক্ষ হিচাপে নিযুক্তি দিয়া হয়।

১৫ **জুলাই** : ভোটাৰ তালিকাৰ পৰা কোনো লোকৰ নাম কৰ্তন মানে নাগৰিকত্ব হেৰুওৱা নহয় বুলি উচ্চতম ন্যায়ালয়ে ৰায় প্ৰদান কৰে।

১৬ **জুলাই** : ইছৰোৰ ১০০ জন বিজ্ঞানীয়ে একে সময়তে স্বেচ্ছামূলক অৱসৰ গ্ৰহণ কৰি সকলোৰে দৃষ্টি আকৰ্ষণ কৰে।

১৭ **জুলাই** : ৱেষ্ট ইণ্ডিজৰ কিংবদন্তি অলৰাউণ্ডাৰ ক্ৰিকেটাৰ গেৰী ছ'বাৰ্ছৰ ৮৯ বছৰ বয়সত দেহাৱসান ঘটে।

১৮ **জুলাই** : ভাৰতীয় ৰিজাৰ্ভ বেংকে প'লিমাৰ (প্লাষ্টিক) বেংক নোট (মুদ্ৰা) ছপোৱাৰ প্ৰক্ৰিয়া আৰম্ভ কৰে।

২০ **জুলাই** : জাপানত প্ৰস্তুত কৰা ডেংগী ৰোগৰ প্ৰতিষেধক কিউডেংগা (Qdenga) ভাৰতত প্ৰচলন কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে অনুমতি প্ৰদান কৰে। ❖

**■ সংগ্ৰহ : কুশল গোস্বামী**

# কেইটামান প্ৰখ্যাত সংগ্ৰহালয়

■ পৰিণীতা চেতিয়া



ল্যুভ সংগ্ৰহালয়

সংগ্ৰহালয় (museum) হৈছে জ্ঞান, ইতিহাস আৰু সংস্কৃতিৰ সংৰক্ষণ আৰু প্ৰচাৰৰ এক গুৰুত্বপূৰ্ণ কেন্দ্ৰ। ই কেৱল পুৰণি বস্তু সংৰক্ষণ কৰাৰ স্থানেই নহয়, বৰং ই শিক্ষা, সংস্কৃতি আৰু গৱেষণাৰ ক্ষেত্ৰতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। সংগ্ৰহালয়ে আমাৰ অতীত সংৰক্ষণ কৰি বৰ্তমানক জ্ঞানেৰে সমৃদ্ধ কৰে আৰু ভৱিষ্যতৰ বাবে পথ-প্ৰদৰ্শন কৰে। সংগ্ৰহালয় হৈছে মানৱ সভ্যতাৰ এক দৰ্পণ।

বিশ্বৰ বিখ্যাত সংগ্ৰহালয়সমূহ মানৱ ইতিহাস, কলা, বিজ্ঞান আৰু সংস্কৃতিৰ অমূল্য ভাণ্ডাৰ। তেনে কেইটামান উল্লেখনীয় বিশ্ববিখ্যাত সংগ্ৰহালয় হ'ল—

**ল্যুভ সংগ্ৰহালয়** (Louvre Museum), **পেৰিছ, ফ্ৰান্স :** ই পৃথিৱীৰ সৰ্ববৃহৎ কলা সংগ্ৰহালয় আৰু ঐতিহাসিক কীৰ্তিচিহ্ন। ইয়াত প্ৰাক-ঐতিহাসিক কালৰ পৰা একাদশ শতিকালৈকে বহু দুৰ্লভ সামগ্ৰী সংৰক্ষিত হৈ আছে। ইয়াৰ মুখ্য আকৰ্ষণ হৈছে—লিঅ'নাৰ্ডো দা ভিঞ্চিৰ বিখ্যাত চিত্ৰ 'মনালিছা', 'ভেনাচ ডি মাইলো'ৰ মূৰ্তি আদি।

**বৃটিছ সংগ্ৰহালয়** (British Museum), **লণ্ডন :** মানৱ ইতিহাস, কলা আৰু সংস্কৃতিৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠা এই সংগ্ৰহালয়ত প্ৰায় ৮০ লাখতকৈও অধিক সামগ্ৰী সংগ্ৰহ কৰা হৈছে। ইয়াৰ মুখ্য আকৰ্ষণ হৈছে ৰোজেটা ষ্টʼন (Rosetta stone), পাৰ্থেনন মাৰ্বল (Parthenon marbles) আৰু প্ৰাচীন ইজিপ্তৰ মামী, প্ৰাচীন গ্ৰীক শিল্পকৰ্ম আদি।

**মেট্ৰ'পলিটান মিউজিয়াম অফ আৰ্ট** (Metropolitan Museum of Art), **নিউয়ৰ্ক, আমেৰিকা যুক্তৰাষ্ট্ৰ :** পশ্চিমীয়া অৰ্থনীতিৰ লগতে প্ৰাচীন ইজিপ্ত, গ্ৰীক, ৰোমান আৰু ইছলামিক কলাৰ এক বিশাল সংগ্ৰহ ইয়াত পোৱা যায়। ইয়াৰ মুখ্য আকৰ্ষণ হ'ল বিভিন্ন শৈলীৰ পোছাক আৰু প্ৰাচীন শিল্পকলা আদি।

**ভেটিকান সংগ্ৰহালয়** (Vatican Museum), **ভেটিকান চিটি :** ভেটিকান সংগ্ৰহালয় হৈছে বিশ্বৰ অন্যতম বৃহৎ আৰু বিখ্যাত শিল্প-সংগ্ৰহালয়। ইয়াত প্ৰায় ৭০ হাজাৰতকৈও অধিক শিল্পকৰ্ম সংৰক্ষিত আছে। তাৰে প্ৰায় ২০ হাজাৰমান জনসাধাৰণৰ বাবে মুকলি কৰি ৰখা হয়। ৰোমান কেথলিক গীৰ্জাৰ দ্বাৰা স্থাপিত এই সংগ্ৰহালয়ত নৱজাগৰণৰ (Renaissance) সময়ৰ শ্ৰেষ্ঠ শিল্পকলাসমূহ সংৰক্ষণ কৰা হৈছে। মাইকেল এঞ্জেলোৰ দ্বাৰা অংকিত 'ছিষ্টিন চেপেল'ৰ চিলিং (sistine chapel ceiling) ইয়াৰ এক মুখ্য আকৰ্ষণ।

**হাৰ্মিটেজ সংগ্ৰহালয়** (Hermitage Museum), **ছেইন্ট পিটাৰ্ছবাৰ্গ, ৰাছিয়া :** হাৰ্মিটেজ মিউজিয়াম পৃথিৱীৰ অন্যতম বৃহৎ আৰু প্ৰাচীন সংগ্ৰহালয়। ১৭৬৪ চনত এই সংগ্ৰহালয়টো স্থাপন কৰা হৈছিল। আৰম্ভণিতে ই এটা ব্যক্তিগত শিল্প সংগ্ৰহ আছিল যদিও পাছলৈ জনসাধাৰণৰ বাবে মুকলি কৰি দিয়া হয়। ইয়াত প্ৰায় ৩০ লাখতকৈও অধিক শিল্পকলা আছে। ৰেমব্ৰেণ্ট, লিঅ'নাৰ্ডো দা ভিঞ্চি, মাইকেল এঞ্জেলো আদি প্ৰসিদ্ধ শিল্পীৰ কৰ্মৰাজি আৰু ৰুছ সম্ৰাটসকলৰ ৰাজকীয় সম্পদসমূহ এই সংগ্ৰহালয়ৰ মুখ্য আকৰ্ষণ।

**স্মিথছোনিয়ান ইন্সটিটিউট** (Smithsonian Institute), **ৱাশ্বিংটন ডিচি, আমেৰিকা :** ই বিশ্বৰ সৰ্ববৃহৎ মিউজিয়াম আৰু গৱেষণা কেন্দ্ৰ। ইয়াত প্ৰাকৃতিক ইতিহাস, মহাকাশ বিজ্ঞান আৰু আমেৰিকান সংস্কৃতিৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হয়। এই প্ৰতিষ্ঠানটো ১৮৪৬ চনত স্থাপিত হৈছিল আৰু ইয়াৰ মূল উদ্দেশ্য আছিল জ্ঞানৰ বৃদ্ধি আৰু বিস্তাৰ কৰা। ইয়াৰ ১৯টা শাখা মিউজিয়াম, ২১টা পুথিভঁৰাল আৰু চিৰিয়াখানা আদি আছে। ইয়াৰ আন এক আকৰ্ষণ

হ’ল হ’প হীৰা (hope diamond) নামৰ প্ৰখ্যাত হীৰা টুকুৰা।

**ভাৰতীয় সংগ্ৰহালয়** (Indian Museum), **কলকাতা, ভাৰত :** এছিয়াৰ আটাইতকৈ পুৰণি আৰু ভাৰতৰ বৃহত্তম এই সংগ্ৰহালয়টো ১৮১৪ চনত প্ৰতিষ্ঠা কৰা হৈছিল। (The City of Joy) নামেৰে জনাজাত কলকাতা চহৰত এই সংগ্ৰহালয়টো অৱস্থিত। ইয়াত পুৰাতাত্ত্বিক, ভূতাত্ত্বিক আৰু নৃতাত্ত্বিক; এই তিনি ধৰণৰ বিভাগ আছে। ভাৰতৰ ইতিহাস, সংস্কৃতি আৰু প্ৰাকৃতিক বিজ্ঞানৰ বহু মূল্যবান সামগ্ৰী ইয়াত সংৰক্ষিত আছে। এই সংগ্ৰহালয়টো চাবলৈ দেশৰ প্ৰতিটো কোণৰ পৰা পৰ্য্যটক আহে। কেৱল এয়াই নহয়, এই সংগ্ৰহালয়টো ইমানেই ডাঙৰ যে ইয়াক সম্পূৰ্ণৰূপে চাবলৈ দুদিনৰ পৰা তিনিদিন সময় লাগিব।

সংগ্ৰহালয় সমাজৰ বাবে এক অমূল্য সম্পদ।



ভাৰতীয় সংগ্ৰহালয়

ইমানবোৰ মূল্যবান বস্তু সংগ্ৰহ কৰি ভৱিষ্যৎ প্ৰজন্মৰ বাবে সংৰক্ষণ কৰাৰ ক্ষেত্ৰত সংগ্ৰহালয়সমূহৰ গুৰুত্ব অসীম। বিশ্বৰ বিভিন্ন প্ৰান্তত থকা এই সংগ্ৰহালয়সমূহে মানৱ সভ্যতাৰ বিকাশ আৰু ঐতিহ্যৰ এখন স্পষ্ট ছবি দাঙি ধৰে। ❖

# বেবী ভকত–মানৱতাৰ অনন্য কাহিনী

■ **লিপিমণি দত্ত**



আমি নভবাকৈ কৰা কিছুমান ভাল কামৰ মূল্য লগে লগে নাপাব পাৰোঁ, কিন্তু তেনে ভাল কামবোৰে কেতিয়াবা নহয় কেতিয়াবা আমাৰ জীৱন সমৃদ্ধ কৰি তোলে। আমি ইয়াত ক’ব খোজা ‘বেবী ভকত’ৰ কাহিনীটোও ঠিক তেনেকুৱাই।

বেবী ভকত এটা সৰু জহামালৰ পোৱালি। জহামালক ইংৰাজীত চিভেট (civet) বুলি কোৱা হয়। মেকুৰীটোৰ দৰে, কিন্তু মুখখন মেকুৰীতকৈ জোঙা, গাটো কিছু দীঘল। ই হাবিত থাকে, ওখ গছত আশ্ৰয় লৈ থাকে। প্ৰাণীবিধ অত্যন্ত লাজকুৰীয়া, মানুহৰ উপস্থিতি দেখিলে ই পলাই ফুৰে।

এনেকুৱা এটা জহামালৰ পোৱালিকে এদিন অসমৰ কামপুৰ অঞ্চলৰ তেতেলীসৰা গাঁৱৰ ধৰণী শইকীয়া নামৰ এজন ব্যক্তিয়ে নিজৰ ঘৰত আশ্ৰয় দি ডাঙৰ কৰি তুলিছিল। জহামালটোৰ মাকে পোৱালিটোক এজোপা ওখ নাৰিকল গছলৈ নিয়াৰ সময়তে পোৱালিটো তললৈ সৰি পৰিছিল। পোৱালিটো দেখা পাই স্থানীয় লোকে ধৰণী শইকীয়াক খবৰ দিছিল। কিয়নো সকলোৱে জানে, ধৰণী শইকীয়া নামৰ সেই ব্যক্তিজনে বনৰ জীৱ-জন্তুক ভাল পায়, প্ৰকৃতিৰ বাবে নিষ্ঠাৰে কাম কৰে। দুৰ্গত প্ৰাণীবোৰক উদ্ধাৰ আৰু সুস্থ কৰি তেওঁ বনাঞ্চলত পুনৰ এৰি দিয়ে।

জহামালৰ পোৱালিটো গছৰ পৰা তলত পৰাৰ পাছত প্ৰথমে অঞ্চলবাসীয়ে তাক গছৰ ওপৰতে থোৱাৰ

চেষ্টা কৰিছিল, কিন্তু তেনেই অকণমান পোৱালিটো অকলে থাকিলে ফেঁচাই খাব বুলি সকলোৱে মনত ভয় হৈছিল। সেয়ে ৰাইজে ধৰণী শইকীয়াক খবৰ দি জহামালৰ পোৱালিটো তেওঁৰ ঘৰলৈ লৈ যাবলৈ অনুৰোধ কৰিলে। ধৰণী শইকীয়াই জহামালৰ পোৱালিটোক ঘৰলৈ অনাৰ পাছতে তাক শুশ্ৰূষা আৰু টনকিয়াল কৰি বনত এৰি দিয়াৰ সিদ্ধান্ত ল'লে। নাম থ'লে তাৰ ভকত।



সেয়া আছিল ২০১০ চনৰ জুন নে জুলাই মাহৰ কোনোবা এটা দিন। ঘৰলৈ জহামালৰ পোৱালিটো আনিলে হয়, কিন্তু পোৱালিটো ইমানেই সৰু আছিল যে সি একো খাবই নোৱাৰে। জন্মৰ মাত্ৰ দহ দিনমানহে হৈছিল তেতিয়া, চকুও মেল খোৱা নাছিল তাৰ। পোৱালিটোক তেওঁলোকে কি খুৱাব তাক লৈ বৰ চিন্তাত পৰিছিল, কিয়নো গৰু বা আন জন্তুৰ গাখীৰ খাবলৈ দিলে বন্যপ্ৰাণীয়ে হজম কৰিব নোৱাৰে বুলি অঞ্চলটোৰ লোকসকলে তেওঁক জনাইছিল। বহু চিন্তাৰ পাছত ধৰণী শইকীয়াৰ পত্নীয়ে নিজৰ পুত্ৰৰ দৰে জহামালৰ পোৱালিটোকো দুগ্ধপান কৰোৱাই ডাঙৰ কৰাৰ সিদ্ধান্ত ল'লে। ধৰণী শইকীয়াৰ দুটি পুত্ৰৰ সৈতে জহামালৰ পোৱালিটোও লাহে লাহে ডাঙৰ হৈ আহিবলৈ ধৰিলে। সৰু পুত্ৰ গিবনৰ বয়স আছিল তেতিয়া মাত্ৰ ছমাহ। কণমানি গিবনৰ সৈতে একেলগে উমলি-জামলি ফুৰিবলৈ ধৰিলে ভকতে।

ধৰণী শইকীয়াই পুত্ৰৰ দৰে এটি বন্যপ্ৰাণী তুলি লোৱাৰ এই বাস্তৱ কাহিনীটো অঞ্চলটোৰ চৌপাশে লাহে লাহে চৰ্চা হ'বলৈ ধৰিলে। তেনে সময়তে এদিন দিল্লীৰ পৰা অসমলৈ অহা ৰমেল শ্বুনমুগাম (Rommel Shunmugam) নামৰ এগৰাকী বিদেশী পৰ্য্যটকৰ কাণত পৰিল এই কথা। পৰ্য্যটকগৰাকীয়ে কামপুৰৰ ধৰণী শইকীয়াৰ ঘৰলৈ আহি নিজে চাই গ'ল গিবন নামৰ কণমানি কেঁচুৱাটিৰ সৈতে ভকত নামৰ জহামালৰ পোৱালিটোৱে খেলি থকা দৃশ্য। গিবনৰ পিছে পিছে দৌৰি ফুৰে ভকতে, গিবনৰ সৈতে ভকতে একেলগে গাখীৰো খায়, একেলগে শুবলৈও যায়। গিবনৰ লগতে পৰিয়ালটোৰ সৈতে ভকতৰ এই অন্তৰংগ মুহূৰ্তবোৰ কেমেৰাত বন্দী কৰি এদিন পুনৰ দিল্লীলৈ উভতি গ'ল ৰমেল শ্বুনমুগাম। ইফালে ভকতক তুলি লোৱাৰ আঠ-ন মাহমান পাছত হঠাৎ জহামালৰ পোৱালিটো এদিন ঘৰটোৰ পৰা নোহোৱা হ'ল। মনত দুখ উপজিছিল যদিও বনৰ প্ৰাণী বনলৈ উভতি যোৱা বুলি সান্ত্বনা লভিলে ধৰণী শইকীয়াৰ পৰিয়ালটোৱে।

লাহে লাহে সময় পাৰ হ'ল। সেই সময়ৰ কেঁচুৱা গিবন এতিয়া দশম শ্ৰেণী পালেগৈ। এদিন গিবনে নিজৰ চি বি এছ ই পাঠ্যক্ৰমৰ ইংৰাজী বিষয়ৰ কৰ্মপুথিখন (workbook) মেলি আচৰিত হৈ পৰিল। 'বেবী ভকত' নামৰ পাঠটোৰ গোটেই কথাখিনি পঢ়ি হঠাৎ তেওঁৰ সৰুকালৰ কথা মনত পৰি গ'ল। স্ফূৰ্তিত গিবন জঁপিয়াই উঠিল, "আৰে এয়াচোন মোৰেই কাহিনী !"

বেবী ভকতৰ এই কাহিনীয়ে এতিয়া সমগ্ৰ দেশৰ মন জয় কৰিছে। নগাঁও জিলাৰ এই সাধাৰণ ব্যক্তিগৰাকীৰ পৰিয়ালৰ পশুপ্ৰেম এতিয়া আন আন লোকৰ বাবে প্ৰেৰণাৰ কাহিনী হৈ পৰিছে। কামপুৰ অঞ্চলত বহু বন্যপ্ৰাণীৰ উদ্ধাৰ, শুশ্ৰূষা আৰু পুনৰ্সংস্থাপন কৰাৰ লগতে অঞ্চলটোত ৫০ হাজাৰৰ অধিক গছপুলি ৰোপণ কৰিছে ধৰণী শইকীয়াই। বেবী ভকতৰ পাঠ চি বি এছ ইৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত হোৱা বুলি জানিবলৈ পোৱাত আনন্দিত হৈ পৰিছে ধৰণী শইকীয়া। তেওঁ কয়, "মোৰ এই কাহিনীয়ে যদি দেশৰ কিছুসংখ্যক লোককো বন্যপ্ৰাণী প্ৰেমৰ প্ৰতি উদ্বুদ্ধ কৰে, তেন্তে মোৰ কাম সাৰ্থক হোৱা বুলি ভাবিব পাৰিম।" ❖

## চুড'কুৰ শুদ্ধ উত্তৰ দিওঁতাসকল, জুলাই, ২০২৬

ময়ূৰী তালুকদাৰ (অষ্টম ক), ৰিহান চৌধুৰী (অষ্টম গ), ধ্ৰুবাক্ষী মজুমদাৰ (সপ্তম গ), চৈয়দ নুয়াম জাকি (সপ্তম ক)। ❖

# জীৱনৰ সেউজীয়া বাট

■ নিষাদ চয়ন ওজা
অষ্টম শ্ৰেণী

"হেৰৌ, তই তাৰ বাবেই ইমান পঢ়িলিনে?"

খুৰাকে নিত্যক কথাটো কৈছিলহে, দেউতাকে ওপৰতে মাত লগালে, "চাচোন নীৰন, মই তাক কেনেকৈ ইমানখিনি পঢ়ুৱালোঁ, এতিয়া আকৌ সি বোলে চাকৰি নকৰি খেতিতহে ধৰে। হেৰ', খেতি কৰিবলৈ ইমান ধন খৰচ কৰি পঢ়াৰ কি দৰকাৰ? আৰু তোৰ খেতিৰ মাটি আছে ক'ত?"

বিমল ছাৰেও নিত্যক বুজোৱাৰ সুৰত ক'লে, "চা নিত্য, তোৰ ওপৰত আমাৰ বহুত আশা আছিল। পঢ়া-শুনাতো এই পাভে অঞ্চলতে তোৰ নাম আছিল। এতিয়া ব'টানীত ইমান ভালদৰে ডিগ্ৰী লৈ তই গুৱাহাটীৰ পৰা উভতি আহিব নালাগে—ইউনিভাৰ্ছিটিত এম এছ চিটো কৰ। তাৰ পাছত লাগিলে ইয়ালৈকে ঘূৰি আহি ইয়াৰ কোনোবা কলেজতে চাকৰিৰ চেষ্টা কৰ।"

আজিয়েই নহয়—সেইদিনাৰ প্ৰতিটো কথা নিত্যই প্ৰায়েই স্মৰণ কৰে। সেইদিনাৰ প্ৰতিটো কথাই তাৰ মনত আছে। কোনজন কোনখিনিত বহি আছিল সেইবোৰো চকুৰ আগত ভাহি থাকে। সেইদিনা সকলোৰে বিৰুদ্ধে সি ভালদৰেই যুঁজিবলগীয়া হৈছিল। আচলতে গুৱাহাটীৰ আৰ্য্য বিদ্যাপীঠ কলেজত উদ্ভিদবিজ্ঞানৰ শেষৰটো পৰীক্ষা দি ঘৰলৈ উভতিয়েই মাক-বায়েকহঁতক কৈছিল যে সি আৰু নপঢ়ে। ঘৰতে থাকি খেতি কৰিব। গহীন-গম্ভীৰ দেউতাকক ক'বলৈ সাহস হোৱা নাছিল। মাক-বায়েকেও তাৰ কথাটো প্ৰথমতে ধেমালি বুলিয়েই ভাবিছিল। কিন্তু সিদিনা ৰিজাল্ট ওলোৱাৰ পাছত, আৰু ৰিজাল্ট ল'বলৈ গুৱাহাটীলৈ গৈ ঘৰলৈ ওভতাৰ পাছত নিত্যই যেতিয়া একেটা কথাকে ক'লে, তেতিয়া গাঁওখনেই গম পোৱাৰ দৰে হ'ল। ইজন-সিজনে তাক বুজাবলৈ চেষ্টা কৰিও বিফল হ'ল। খঙাল দেউতাকৰ প্ৰতিক্ৰিয়াত আটাইৰে খোৱা-শোৱাৰো খেলিমেলি হ'ল। বায়েকেতো দুবাৰমানেই নিত্যৰ মাৰ্কশ্বীটখন চালে— কিজানি সি ফেইল কৰিছে বাবেহে ঘৰতে থকাৰ মন! এ, পাছে এয়াতো বেছ ভাল নম্বৰ! সেইদিনা পুৱাই নিত্যই শ্ৰদ্ধা কৰা লোকসকলক দেউতাকে মাতি নিছিল। এজন এজনকৈ সকলোৰে একেটা কথা; নিত্যই ভুল কৰিছে। ইমান পঢ়া-শুনা কৰি খেতিত ধৰিব নালাগে। খেতিয়কৰ কিমান কষ্ট—আৰু সিনো খেতি কৰি কিদৰে জীৱিকা অৰ্জন কৰিব? খেতিয়ক এজনক মানুহেনো কিমান শ্ৰদ্ধা কৰিব?

নিত্যই হাৰ মনা নাছিল। দেউতাকৰ দুখ বুজে। তাক লৈ অঞ্চলটোৰ মানুহখিনিৰ আশাও উপলব্ধি কৰে। তথাপি সি তাৰ সপোন পূৰণৰ পথকে বাছি লৈছিল। দেউতাকে তাক অভিমানতে কথা কোৱাও কমাই দিছিল। তাতে সি যেতিয়া খেতি কৰিবলৈ প্ৰথমে ৰাস্তা নথকা—বেলেগৰ মাটিৰ মাজেৰে যাবলগীয়া পথাৰৰ মাজৰ তিনি বিঘা মাটি বন্ধকত লৈছিল, নিত্যক মূৰ্খ বুলিয়েই দেউতাকে ক'বলৈ লৈছিল। পাছে সেই তিনি বিঘা মাটিয়েই নিত্যৰ জীৱন সলাই দিছিল।

নিত্যই আৰ্য্য কলেজত পঢ়ি থাকোঁতেই এবাৰ উদ্ভিদবিজ্ঞান বিভাগৰ হৈ পঞ্জাব আৰু হাৰিয়ানালৈ গৈছিল। তাত খেতি দেখি বুজি পাইছিল যে অসমৰ সাৰুৱা মাটিত আধুনিক উপায়েৰে খেতি কৰিলে আমাৰ ৰাজ্যখনো ঠন ধৰি উঠিব। তেতিয়াই সি সেই বিষয়ে পঢ়া-শুনা আৰম্ভ কৰিছিল। গুৱাহাটীত কৃষি বিভাগৰ দুই-এগৰাকী বিষয়াক লগ কৰিও কিছুমান কথাত স্পষ্ট হৈছিল। 'অশিক্ষিত মানুহেহে খেতি কৰে'—এই ভুল ধাৰণাটোৰ বাবেই যে আমাৰ খেতিপথাৰবোৰ ছন পৰি থাকে, সেই কথা সি উপলব্ধি কৰিছিল। অসমলৈ বিদেশী মানুহ অহা বন্ধ কৰিবলৈকো অসমীয়াই খেতি কৰিব লাগিব—নিত্যৰ মনত সেই ধাৰণা প্ৰবল হ'বলৈ ধৰিছিল।

আৰম্ভণি সেই তিনি বিঘা মাটিৰে। চাৰিওপিনে ধান খেতি হয়, ছমাহ পথাৰ উদং হৈ থাকে। কিন্তু সি ধান খেতিত নধৰিলে। মাটিও উদং কৰি নাৰাখিলে। বৰঞ্চ আনৰ পথাৰৰ পৰা যেতিয়া ধান চপাই নিয়ে, তেতিয়া

তেনে মাটিও ছমাহৰ বাবে ভাৰাত ল'বলৈ ধৰিলে। বছৰৰ এনে এটা মাহ নাথাকে, যেতিয়া তাৰ পথাৰ উকা থাকে। মানুহখিনিয়েও নিত্যক ভৰসা কৰি নিজৰ মাটি বন্দবস্তিত দিয়া কৰিলে।

সময়বোৰ গৈ আছিল। প্ৰথম তিনি বছৰমানৰ পাছৰ পৰাই নিত্যই পৰিকল্পনা অনুসৰি সুফল পাবলৈ ধৰিছিল। আনসকলৰ সহযোগিতাও পাইছিল। তেতিয়াৰে পৰাই তিনি-চাৰি বিঘা মাটিত আৰম্ভ কৰিছিল একেবিধ খেতি। ক'ৰবাত চাৰি বিঘা নেমু খেতি, ক'ৰবাত চাৰি-পাঁচ বিঘা কলৰ খেতি। ক'ৰবাত আকৌ দুবিঘামান কেৱল জলকীয়া বা বিলাহী। কবিৰ দিনত কবি, জিকা-ভোলৰ দিনত জিকা-ভোল। এনেদৰে তাৰ লাভ বাঢ়ি গ'ল। নিজৰ মাটিও বাঢ়ি আহিল। চাহ খেতিও এবিধা এবিঘাকৈ সত্তৰ বিঘা পালেগে। চাহৰ মাজে মাজে আকৌ চাৰি-পাঁচ বিঘালৈকে একে ধৰণৰ ফলৰ গছ। সেইদৰে চাহ খেতিৰ মাজে মাজে চাৰি-পাঁচ বিঘালৈকে আন কিছুমান গছত পাণ অথবা জালুক। সমানে গঢ়ি তুলিলে ফুলৰ নাৰ্চাৰী। ছাগলীৰ এখন ফাৰ্মো গঢ়ি তুলিলে।

পাঁচ বছৰমানৰ পৰাই তালৈ ওচৰৰ বিভিন্ন ঠাইৰ পৰা মানুহ আহিবলৈ ধৰিলে। নিত্যলৈ কৃষিৰ কৰ্মশালাৰ বাবেও নিমন্ত্ৰণ আহিল। বেংকে যে উপযাচি ঋণ দিব বিচাৰে, সেয়া নিত্যই আগতে জনা নাছিল। কৃষি বিষয়াও সেইদৰে নিজেই তাৰ ওচৰলৈ অহা আৰম্ভ কৰিছিল। এনে এজন কৃষি বিষয়ায়েই নিত্যক নতুন দিল্লীলৈ পঠিয়াইছিল অসমৰ খেতিৰ বিষয়ে ৰাষ্ট্ৰীয় আলোচনা-চক্ৰত ভাষণ দিবলৈ। সেইদিনা ভাষণ দি যে নিত্যৰ কেনে অনুভৱ হৈছিল ! তাৰ পাছত ৰাজ্যৰ ভিতৰে-বাহিৰে বছৰি ভাষণ দিয়াটো বাঢ়ি গৈছিল।

প্ৰতিটো কথাই তাৰ মনত আছে। এইবোৰেই তাক সদায় অনুপ্ৰেৰণা যোগায়। নিত্যৰ কামৰ সফলতায়েই তাক উদ্যম যোগাই আহিছে। সি প্ৰতিটো কামেই ভৱিষ্যতৰ কথা ভাবি কৰে। সদায় নতুন কিবা এটা কৰাৰ বাসনা সি মনত পুহি ৰাখে। যেনে—এবাৰ সি পৰিবেশকৰ্মী এগৰাকীক লগ পাইছিল। খেতি কৰা বুলিয়েই নহয়, উদ্ভিদবিজ্ঞানৰ ছাত্ৰ হিচাপেও গছ-গছনিৰ কথা নিত্যই আলোচনা কৰি ভাল পায়। সেইবাৰ পৰিবেশকৰ্মীগৰাকীৰ লগত কথা পাতি থাকোঁতে অসমৰ ক্ৰমাৎ হেৰাই যাবলৈ ধৰা তৰু-লতাৰ প্ৰতি নিত্য হঠাতে আগ্ৰহী হৈ উঠে। সেই আগ্ৰহেৰেই নিত্যই এটা অভাৱনীয় কাম কৰিলে। সি সাত বিঘা মাটি মোকলাই তাত প্ৰণালীবদ্ধভাৱে এপিনৰ পৰা অসমৰ প্ৰতিজোপা গছ আৰু লতাৰ পুলি ৰোপণ কৰি গ'ল। সম্পূৰ্ণ সাত বিঘা নহয়। ছবিঘাত এইদৰে প্ৰায় সকলো গছ-লতা গজাই এবিঘামান মুকলিকৈ থৈ তাত এটা 'গেষ্ট হাউছ' সাজিলে। কোনোবাই যদি অসমৰ গছ-লতাৰ বিষয়ে গৱেষণা বা অধ্যয়ন কৰিবলৈ আহে, তেওঁ তাতেই থাকিব পাৰিব। তালৈকে সিদিনা আহি ওলাইছিল অষ্ট্ৰেলিয়াৰ এজন পৰ্য্যটক। তেওঁ নিশা থাকিল—নিত্যই প্ৰতিজোপা গছ আৰু লতাৰ বৰ্ণনা দি গ'ল। পৰ্য্যটকগৰাকী আছিল মেলবৰ্ণ বিশ্ববিদ্যালয়ৰ এগৰাকী অধ্যাপক। অষ্ট্ৰেলিয়ালৈ উভতি গৈ তেওঁ ৰেকৰ্ডিং কৰা ভিডিঅ'টো সুন্দৰকৈ সম্পাদনা কৰি এৰি দিছিল বিশ্ববিদ্যালয়ৰ ইউটিউব চেনেলত। সেই ভিডিঅ'ত নিত্যই সাৱলীলভাৱে কৰা বৰ্ণনাৰ বাবেই এয়া তালৈ নিমন্ত্ৰণ আহিছে, নিত্যৰঞ্জন হাজৰিকাই মেলবৰ্ণ বিশ্ববিদ্যালয়ত কেইটামান বক্তৃতা দিবগৈ লাগে। লগতে পৰ্য্যটক অধ্যাপকগৰাকীৰ এটা ব্যক্তিগত মেইলো আহিছে, বিশ্ববিদ্যালয়খনে নিত্যক সন্মানীয় ডক্টৰেট ডিগ্ৰী দিয়াৰ বাবে বিবেচনাও কৰিছে।

নিমন্ত্ৰণী মেইলটো দেখাৰে পৰাই নিত্যৰ মনত দুনাই সেই বিশেষ দিনটোৰ স্মৃতিয়ে ভৰ কৰিছে। দেউতাকে তাক কোনোবা কলেজত প্ৰবক্তাৰ ৰূপত বিচাৰিছিল। সেইবাবেই এম এছ চি কৰাত জোৰ দিছিল। বিমল ছাৰেও তেনে আশা কৰিছিল। নিত্যৰ সেইদিনাৰ স্থিতিৰ বাবে দুয়োৰে মুখ দুখন শুকাই গৈছিল। দুয়ো নিত্যৰ সফলতা দেখিয়েই মেলানি মাগিছে। কিন্তু মেলবৰ্ণ বিশ্ববিদ্যালয়ত এলানি ভাষণৰ বাবে নিমন্ত্ৰণ আৰু সন্মানীয় ডক্টৰেটৰ কথাটো শুনিবলৈ আজি যদি তাৰ দেউতাক বা বিমল ছাৰ বাচি থাকিলহেঁতেন, তেওঁলোকৰ মুখ দুখন বাৰু উজ্জ্বল নহ'লহেঁতেননে?

ভাল লগা কথাটোৰ মাজতে দুখৰ এটা হুমুনিয়াহ কাঢ়ি নিত্যই খবৰটো দিবলৈ অসুস্থ মাক আৰু খুৰাকৰ ওচৰলৈ বুলি আগবাঢ়িল। ❖

# অৰ্জুন বঁটা বিজয়ী স্মৃতি মান্ধানা

■ সমৃদ্ধ ৰাগ শইকীয়া
ষষ্ঠ শ্ৰেণী



ভাৰতীয় ক্ৰীড়া জগতৰ তাৰকা 'অৰ্জুন বঁটা' বিজয়ী মহিলা ক্রিকেটাৰ 'স্মৃতি মান্ধানা'ৰ জন্ম হৈছিল মুম্বাইত ১৯৯৬ চনৰ ১৮ জুলাইত। তেওঁৰ সম্পূৰ্ণ নাম স্মৃতি শ্ৰীনিবাস মান্ধানা। তেওঁৰ পিতৃৰ নাম শ্ৰীনিবাস মান্ধানা আৰু মাতৃৰ নাম স্মিতা মান্ধানা। মহাৰাষ্ট্ৰৰ ছাংগলীৰ উপকণ্ঠ অঞ্চল মাধৱনগৰত স্মৃতি মান্ধানাই স্কুলীয়া জীৱনৰ পাতনি মেলিছিল। স্মৃতি মান্ধানাৰ পিতৃ আৰু ভাতৃ দুয়োজনেই ৰাজ্যিক পৰ্য্যায়ৰ ক্রিকেট খেলুৱৈ আছিল। ভাতৃৰ খেল চাই স্মৃতি মান্ধানা ক্রিকেটৰ প্ৰতি আগ্ৰহী হৈছিল। মহাৰাষ্ট্ৰৰ ১৫ বছৰ অনূৰ্দ্ধ ক্রিকেট দলৰ বাবে স্মৃতি মান্ধানা ন বছৰ বয়সতে নিৰ্বাচিত হৈছিল আৰু এঘাৰ বছৰ বয়সত তেওঁ মহাৰাষ্ট্ৰৰ ১৯ বছৰ অনূৰ্দ্ধ দলত খেলাৰ সুযোগ লাভ কৰিছিল।

স্মৃতি মান্ধানা ভাৰতীয় মহিলা ক্রিকেট দলৰ বাঁওহতীয়া অপেনিং বেটাৰ আৰু উপ-অধিনায়ক। তেওঁ ক্রিকেটৰ পৃথিৱীৰ বহুকেইটা ঐতিহাসিক অভিলেখৰ গৰাকী। স্মৃতি মান্ধানা ঘৰুৱা এদিনীয়া ক্রিকেটত দ্বি-শতক অৰ্জন কৰা প্ৰথম ভাৰতীয় মাহিলা। টেষ্ট, এদিনীয়া ক্রিকেট আৰু টি-২০ এই তিনিওটা আন্তঃৰাষ্ট্ৰীয় ফৰ্মেটতে স্মৃতি মান্ধানা শতক অৰ্জন কৰা প্ৰথমগৰাকী মহিলা ক্রিকেট খেলুৱৈ। তদুপৰি, ১৭টা শতকৰে মহিলা আন্তঃৰাষ্ট্ৰীয় ক্রিকেটত যুটীয়াভাৱে সৰ্বাধিক শতক অৰ্জনকাৰী আৰু এটা বৰ্ষতে এদিনীয়া ক্রিকেটত ১০০০তকৈ অধিক ৰান সংগ্ৰহকাৰী প্ৰথমগৰাকী মহিলা ক্রিকেটাৰ। স্মৃতি মান্ধানাৰ সফল অধিনায়কত্বতে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু দলে ২০২৪ আৰু ২০২৬ চনত ৱিমেন্স প্ৰিমিয়াৰ লীগত (WPL) চেম্পিয়ন হৈছিল।

২০২৩ চনত WPLৰ উদ্বোধনী অনুষ্ঠানৰ নিলামত স্মৃতি মান্ধানাক ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে ৩.৪ কোটি টকাত ক্ৰয় কৰিছিল আৰু তেওঁ অধিনায়ক হিচাপে নিৰ্বাচিত হৈছিল।

আন্তঃৰাষ্ট্ৰীয় ক্রিকেটতো স্মৃতি মান্ধানাৰ কৃতিত্ব জিলিকি আছে। ২০১৪ চনৰ আগষ্ট মাহত 'ৱৰ্মছলি পাৰ্ক'ত ইংলণ্ডৰ বিৰুদ্ধে খেলি তেওঁ টেষ্ট ক্রিকেটত খোজ পেলাইছিল। ২০১৬ চনত হোবাৰ্টৰ বেলেৰিভ অভালত ভাৰতৰ অষ্ট্ৰেলিয়া ভ্ৰমণৰ দ্বিতীয়খন এদিনীয়া খেলত তেওঁ প্ৰথমবাৰৰ বাবে আন্তঃৰাষ্ট্ৰীয় শতক (১০৯ বলত ১০২ ৰান) অৰ্জন কৰে। তেওঁ ২০১৬ চনত আইচিচি মহিলা দলত স্থান লাভ কৰি ২০১৭ চনৰ বিশ্বকাপ খেলাৰ যোগ্যতা অৰ্জন কৰে। স্মৃতি মান্ধানাই ২০১৯ চনত নিউজিলেণ্ডৰ বিৰুদ্ধে মহিলা টি-২০ত মাত্ৰ ২৪টা বলত ভাৰতৰ হৈ দ্ৰুততম অৰ্ধশতক অৰ্জন কৰিছিল। ২০১৮ বৰ্ষত তেওঁ বিচিচিআইৰ বছৰটোৰ শ্ৰেষ্ঠ মহিলা ক্রিকেটাৰ সন্মানেৰে সন্মানিত হয়।

স্মৃতি মান্ধানাৰ অনবদ্য পাৰদৰ্শিতাৰ বাবে তেওঁক ২০১৮ চনত ভাৰতৰ দ্বিতীয় সৰ্বোচ্চ ক্ৰীড়া সন্মান 'অৰ্জুন বঁটা'ৰে সন্মানিত কৰা হয়। নিজৰ ধাৰাবাহিক অভিলেখ সৃষ্টিকাৰী প্ৰদৰ্শন আৰু বলিষ্ঠ নেতৃত্বৰ বাবে ২০২৬ বৰ্ষৰ বিখ্যাত 'টাইম' আলোচনীয়ে প্ৰস্তুত কৰা ক্ৰীড়া জগতৰ ১০০গৰাকী প্ৰভাৱশালী ব্যক্তিৰ তালিকাত স্থান লাভ কৰিছে স্মৃতি মান্ধানাই।

স্মৃতি মান্ধানা ভাৰতবাসীৰ বাবে এক গৌৰৱ। স্মৃতি মান্ধানাৰ ক্রিকেটৰ পৃথিৱীত এই জয়যাত্ৰাই নতুন প্ৰজন্মৰ ক্রিকেট খেলুৱৈসকলক অনুপ্ৰাণিত কৰিব বুলি আশা কৰিব পাৰি। ❖

# এভাৰেষ্ট শৃংগ আৰোহণকাৰী প্ৰথমগৰাকী দৃষ্টিশক্তিহীন মহিলা

■ জেনিশা চন্দনা হাালৈ
ষষ্ঠ শ্ৰেণী



পৃথিৱীৰ আটাইতকৈ ওখ শৃংগ মাউন্ট এভাৰেষ্ট আৰোহণ কৰা প্ৰথমগৰাকী দৃষ্টিশক্তিহীন মহিলা হ'ল চন্‌জিন আংমো। চন্‌জিন আংমোৰ জন্ম হয় ভাৰত-তিব্বত সীমান্তৰ হিমাচল প্ৰদেশৰ এখন অতি ভিতৰুৱা জনজাতীয় গাঁৱত। ঔষধৰ পাৰ্শ্বক্ৰিয়াৰ বাবে মাথোঁ আঠ বছৰ বয়সতে দৃষ্টিশক্তি হেৰুওৱা আংমোৱে পৰ্বতাৰোহণৰ সপোন বুকুত কঢ়িয়াই লৈ ফুৰিছিল।

শৈশৱতে চন্‌জিন আংমোৱে সাঁতোৰ, জুডো, ফুটবল আদি খেল খেলাৰ লগতে আঞ্চলিক আৰু ৰাষ্ট্ৰীয় পৰ্য্যায়ত বিভিন্ন প্ৰতিযোগিতাতো অংশগ্ৰহণ কৰিছিল। তেওঁ দিল্লী বিশ্ববিদ্যালয়ৰ পৰা স্নাতক আৰু স্নাতকোত্তৰ পৰ্য্যায়ৰ শিক্ষা সমাপ্ত কৰে। তাৰ পাছত তেওঁ ২০১৬ চনত অটল বিহাৰী বাজপেয়ী পৰ্বতাৰোহণ আৰু ক্ৰীড়া প্ৰতিষ্ঠানৰ পৰা পৰ্বতাৰোহণৰ আনুষ্ঠানিক শিক্ষা গ্ৰহণ কৰে। ২০১৯ চনত তেওঁ মানালীৰ পৰা খাৰডুং-লা পথত চাইকেল চলাই অভিলেখ স্থাপন কৰে। এই পথটো পৃথিৱীৰ আটাইতকৈ বেছি উচ্চতাত (৫৪৮৬ মিটাৰ) থকা গাড়ী-মটৰ চলাচল কৰা পথ। ২০২১ চনত তেওঁ বিশেষভাৱে সক্ষম এদল লোকৰ সৈতে ৪৭৪৬ মিটাৰ উচ্চতাৰ চিয়াচেন গ্লেচিয়াৰ আৰোহণ কৰে। চন্‌জিন আংমো আছিল সেই দলটোৰ একমাত্ৰ মহিলা সদস্য। তাৰ পাছত তেওঁ হিমাচল প্ৰদেশৰ ৫৯৬৬ মিটাৰ উচ্চতাৰ কানামো শৃংগ আৰু লাডাখৰ ৩২৫০ মিটাৰ উচ্চতাৰ কাংয়াষ্টে-২ শৃংগ আৰোহণ কৰে। তাৰ বাবে ২০২৪ চনত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে তেওঁক ৰাষ্ট্ৰীয় সৰ্বশ্ৰেষ্ঠ দিব্যাংগজন বঁটা প্ৰদান কৰে। অৱশেষত, ২০২৫ চনৰ ১৯ মে' তাৰিখে চন্‌জিন আংমোৱে পৃথিৱীৰ আটাইতকৈ ওখ শৃংগ মাউন্ট এভাৰেষ্ট আৰোহণ কৰে।

চন্‌জিন আংমোৱে তেওঁৰ আদৰ্শ ব্যক্তি হেলেন কেলাৰৰ দৰে এটা কথাত দৃঢ় বিশ্বাসী যে 'পৃথিৱীত অন্ধ হোৱাতকৈ বেয়া কথাটো হ'ল দৃষ্টিশক্তি থাকিও লক্ষ্য নথকা'। যিদৰে হেলেন কেলাৰ আছিল চন্‌জিন আংমোৰ বাবে আদৰ্শ, একেদৰে চন্‌জিন আংমোও আমাৰ সকলোৰে বাবে এক আদৰ্শ আৰু প্ৰেৰণাৰ উৎস। ❖

*(সহায়ক আলোচনী : The Hindu in School, ৮ ফেব্ৰুৱাৰী, ২০২৬)*

## তোমালোকৰ বাবে প্ৰশ্ন, আগষ্ট, ২০২৬

১। টেষ্ট ক্ৰিকেটত ৫ অভাৰত কোনো ৰান নিদিয়াকৈ ৫ টা উইকেট দখললৈৰে ইতিহাস সৃষ্টি কৰা বলাৰজন কোন বাৰু?

২। ১৬৭৯ ৰপৰা ১৬৮১ চনলৈ ৰাজত্ব কৰা আহোম ৰজাজনৰ প্ৰকৃত নাম আছিল ৰত্নধ্বজ সিংহ। অসম বুৰঞ্জীত তেওঁ কি নামেৰে পৰিচিত?


৩। ভাৰতত জন্মলাভ কৰা এজন বিদেশী ব্যক্তিয়ে ১৯০২ চনত চিকিৎসাবিজ্ঞানৰ ন'বেল বঁটা লাভ কৰিছিল। কোন বাৰু তেওঁ?

৪। গান ফৰ গ্ল'ৰী - এজন বিখ্যাত ভাৰতীয় খেলুৱৈৰ ক্ৰীড়া একাডেমী। ২০১১ চনত পৱনকুমাৰ সিঙৰ সৈতে অকাডেমিখন প্ৰতিষ্ঠা কৰা খেলুৱৈগৰাকীৰ নাম কি?

৫। কোনটো বিখ্যাত কাৰ্টুন চৰিত্ৰৰ সৃষ্টিৰ আঁৰৰ ব্যক্তি গৰাকীৰ নাম ৰাজীৱ ছিলাকা? ❖

# পণ্ডিত জৱাহৰলাল নেহৰু

■ **উদ্দীপন বৰ্মন**
ষষ্ঠ শ্ৰেণী



স্বাধীন ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰী, শান্তি প্ৰগতিৰ বাটকটীয়া পণ্ডিত জৱাহৰলাল নেহৰুৰ জন্ম হৈছিল ১৮৮৯ চনৰ ১৪ নৱেম্বৰ তাৰিখে এলাহাবাদ (বৰ্তমানৰ প্ৰয়াগৰাজ) চহৰত। তেওঁৰ পিতৃ আছিল লব্ধপ্ৰতিষ্ঠ আইনজ্ঞ আৰু বিখ্যাত ৰাজনীতিবিদ মতিলাল নেহৰু আৰু মাতৃ আছিল স্বৰূপৰাণী নেহৰু।

জৱাহৰলাল নেহৰুৱে চৈধ্য বছৰ বয়সলৈকে ঘৰতে শিক্ষা লাভ কৰি উচ্চ শিক্ষাৰ বাবে ১৯০৫ চনত ইংলণ্ডলৈ যায় আৰু ইংলণ্ডৰ প্ৰসিদ্ধ হেৰো স্কুলত (Harrow School) ভৰ্তি হয়। ১৯০৭ চনত হেৰো স্কুলত শিক্ষা সাং কৰি ট্ৰিনিটি কলেজলৈ যায়। ট্ৰিনিটি কলেজত পঢ়া-শুনা শেষ হোৱাৰ পাছত নেহৰুৱে কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ পৰা ৰসায়ন, ভূতত্ত্ব আৰু উদ্ভিদবিদ্যাত অনাৰ্চসহ ডিগ্ৰী লাভ কৰে। তাৰ পাছত তেওঁ ইনাৰ টেম্পলৰ (Inner Temple) পৰা বেৰিষ্টাৰী পাছ কৰি ১৯১২ চনত সগৌৰৱেৰে স্বদেশলৈ ঘূৰি আহে।

ভাৰতলৈ ঘূৰি আহি নেহৰুৱে এলাহাবাদ উচ্চ ন্যায়ালয়ত ওকালতিৰে কৰ্মজীৱন আৰম্ভ কৰে। স্বদেশ প্ৰেমৰ আকুল আহ্বানে তেওঁক সেই বৃত্তিত থাকিবলৈ নিদিলে। নেহৰুৱে ভাৰতৰ স্বাধীনতা সংগ্ৰামত জঁপিয়াই পৰে। ১৯১৬ চনত তেওঁ কমলা কাউলৰ লগত বিবাহপাশত আবদ্ধ হয়। ১৯১৭ চনত তেওঁ হোমৰুল আন্দোলনতো জড়িত হৈছিল। ১৯২১ চনত প্ৰিন্স অৱ ৱেলছৰ ভাৰত আগমনত হৰতাল পালন প্ৰসংগত তেওঁ প্ৰথমবাৰৰ বাবে জেললৈ গৈছিল। আকৌ ১৯২২ চনত বিদেশী বস্তু বৰ্জন আন্দোলন পৰিচালনাৰ অভিযোগত আৰু ১৯২৩ চনত ৰাজ্য পৰিত্যাগৰ আদেশ অমান্য কৰাৰ অভিযোগত নেহৰু কাৰাৰুদ্ধ হয়। ইয়াৰ পৰা মুক্তি লাভ কৰাৰ পাছতেই তেওঁ এলাহাবাদ পৌৰসভাৰ সভাপতিৰূপে নিৰ্বাচিত হয়। ১৯৩০ চনত লোণ আইন ভংগ আন্দোলন আৰু কিষাণ সন্মিলনত যোগদানৰ অভিযোগত তেওঁ দুবছৰ কাৰাদণ্ডেৰে দণ্ডিত হয়। সেই সময়ত পিতৃ মতিলাল নেহৰুৰ বিয়োগ ঘটে। আকৌ ১৯৩৪ চনত কলিকতাত বৃটিছ বিৰোধী বক্তৃতা দিয়াৰ বাবে তেওঁ কাৰাবাস খাটিবলগীয়া হয়। ইয়াৰ অলপ দিনৰ পাছতে তেওঁৰ পত্নীৰ বিয়োগ ঘটে। ১৯৩৬ চনত নেহৰু লক্ষ্ণৌ কংগ্ৰেছৰ সভাপতি হিচাপে নিৰ্বাচিত হয়। ১৯৪০ চনত সত্যাগ্ৰহ আন্দোলনত যোগদান কৰা কাৰণে নেহৰু কাৰাদণ্ডেৰে দণ্ডিত হয় আৰু ১৯৪২ চনতো ভাৰত ত্যাগ আন্দোলনত যোগদান কৰি কাৰাৰুদ্ধ হয়।

প্ৰখ্যাত মানৱতাবাদী ৰাজনীতিজ্ঞ জৱাহৰলাল নেহৰু এগৰাকী সুসাহিত্যিকো আছিল। দ্য ডিস্ক'ভাৰী অৱ ইণ্ডিয়া (The Discovery of India), গ্লিম্পছেজ অৱ ৱৰ্ল্ড হিষ্টোৰী (Glimpses of World Histoy), লেটাৰছ ফ্ৰম এ ফাডাৰ টু হিজ ডটাৰ (Letters from a Father to His Daughter), এন অটোবায়'গ্ৰাফী (An Autobiography) আদি তেওঁৰ উল্লেখযোগ্য গ্ৰন্থ।

শিশুপ্ৰেমী আছিল বাবেই তেওঁৰ জন্মদিন ১৪ নৱেম্বৰ তাৰিখটো সমগ্ৰ ভাৰতত শিশু দিৱস হিচাপে পালন কৰা হয়। ১৯৬৪ চনৰ ১৭ মে'ৰ দিনা এইজনা জাতীয় জীৱন নিৰ্মাতাই সমগ্ৰ বিশ্বতে শোকৰ ছাঁ পেলাই ইহলীলা সম্বৰণ কৰে। ❖

# নামহীন ঠিকনা

■ নীলম জ্যোতি বৰ্মন
একাদশ শ্ৰেণী (কলা)

তুমি যোৱাৰ পাছত মোৰ দুৱাৰত
বেলি নুফুলে আগৰ দৰে
খিৰিকীৰে সোমোৱা বতাহজাকেও
তোমাৰ গোন্ধবোৰ কাঢ়ি নিয়ে

বুকুৰ বাঁওফালে এতিয়া
এখন শূন্য চহৰ পাতিছোঁ
য'ত ৰাতি নামে নিঃশব্দে
তোমাৰ নামৰ বৰষুণজাক

কাৰোবাক 'ভালে আছোঁ' বুলি ক'লেও
চকুৰে ফাকি দিব নোৱাৰে
ওঁঠৰ হাঁহিত লুকাই থাকে
এটা নুফুটা মাতৰ গোপন চিঞৰ

ঘৰৰ দেৱালত এতিয়াও ওলমি আছে
আমাক এৰি থৈ যোৱা হাঁহি
ধূলিৰে ঢাক খাইছে যদিও
মচি দিবলৈ সাহস নহয় আৰু

যদি কেতিয়াবা মনত পৰে
আহিবা এটা উশাহ হৈ
উকা হৃদয়খনত থৈ যাবা
অপসৃয়মাণ সেই নামহীন ঠিকনা ❖

# ফুল

■ মনশ্ৰী কলিতা
ষষ্ঠ শ্ৰেণী

বিভিন্ন ৰঙৰ ফুল
দেখাত ধুনীয়া
আৰু ৰংচঙীয়া
এয়ে আমাৰ ফুল
হাঁহি থাকা তুমি সদায়
তুমি যে আপোন
তোমাৰ কোমল পাহিত শুবলৈ' মন
এয়ে আমাৰ সপোন ❖

# বৰষাৰ গীত

■ উজ্জীৱন তালুকদাৰ
অষ্টম শ্ৰেণী

ক'লীয়া মেঘে আকাশ ঢাকি
ধীৰে ধীৰে নমায় বৰষুণ
বতাহত উঠে সুৰ মিঠা
প্ৰকৃতিৰ নৱ ভাষা
টিপ্ টিপ্‌কৈ বৰষুণ পৰে
মাটিৰ গোন্ধে মন ভৰে
গছ-বিৰিখ সেউজীয়া হৈ
প্ৰাণে যেন নতুন ৰং ধৰে
গছৰ পাতত সুৰৰ মৃদু কম্পন
ধূলিৰে ভৰা পথ ধুই নিয়ে পানীয়ে
বৃষ্টিৰ টোপালে লিখে ভূমিত
অজানা সপোনৰ স্নিগ্ধ কবিতা
বৰ্ষা তুমি নীৰৱ কবি
শব্দ নোহোৱাকৈয়ে বহু ক'ব পাৰা
তোমাৰ চেহেৰাত জীৱন পুনৰ জাগে
তোমাৰ পৰশত ধৰণীয়ে নতুন জীৱন লভে ❖

# যদি নহয়

■ বৰষা শৰ্মা
ষষ্ঠ শ্ৰেণী

ভবা কামবোৰ যদি
ঠিকমতে নহয়
ভাগি নপৰিবা
আৰু আছে সময়

নিশ্চয় ওলাব এক
সমস্যাৰ সমাধান
সেই সমস্যা পলকতে
হ'ব অন্তৰ্ধান
চেষ্টাৰ অসাধ্য একোৱেই নাই
এই কথা ৰাখিবা মনত
ধৈৰ্য্যৰে কৰি যাবা সকলো কাম
নকৰিবা খঙৰ ভমকত ❖

# ইকুইটোছ

■ জিতেন গোস্বামী



স্থলপথেৰে যাব নোৱাৰা চহৰ থাকেনে? কথাটো ভাবিলে আচৰিত লাগে। পাছে তেনে চহৰো আছে। দক্ষিণ আমেৰিকাৰ পেৰুত অৱস্থিত ইকুইটোছ (Iquitos) তেনে এখন ব্যতিক্রমী চহৰ, য'লৈ স্থলপথেৰে যাব নোৱাৰি। এই চহৰখন আমাজন, ইটায়া আৰু নানায় নদীৰে ঘেৰি থকা দ্বীপৰ দৰে। এই চহৰলৈ নাও বা বিমানৰ সহায়তহে যাব পাৰি। বহিৰ্জগতৰ পৰা বিচ্ছিন্ন বাবে ইকুইটোছক আইছ'লেটেড চিটি (isolated city) বুলি কোৱা হয়।

ইকুইটোছ চহৰখন আমাজন অঞ্চলৰ এটা গুৰুত্বপূৰ্ণ নদী বন্দৰ। ই ল'ৰেট' অঞ্চলৰ ৰাজধানী। এই চহৰখনৰ ভৌগোলিক স্থিতি আমাজন বৰ্ষাৰণ্যৰ মাজত। পেৰুৰ উত্তৰ-পূব অংশত অৱস্থিত ইকুইটোছ সমুদ্ৰপৃষ্ঠৰ পৰা ৯০ মিটাৰ উচ্চতাত অৱস্থিত। ঠাইখনৰ জলবায়ু উষ্ণ আৰু আৰ্দ্ৰ। বছৰৰ বেছিভাগ সময়তে বৰষুণ হয়। এই অঞ্চলৰ গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হ'ল ইয়াৰ জৈৱবৈচিত্ৰ্য। ইকুইটোছৰ ওচৰতে থকা পাকায়া চামিৰিয়া ৰাষ্ট্ৰীয় সংৰক্ষিত বনাঞ্চল জৈৱবৈচিত্ৰ্য গৱেষণাৰ কেন্দ্ৰস্বৰূপ। ই পৰ্য্যটকৰ বাবেও আকৰ্ষণস্থলী।

ইকুইটোছ চহৰখনৰ এক ঐতিহাসিক গুৰুত্ব আছে। চহৰখনে আধুনিক ৰূপ পোৱাৰ আগতে ইয়াত ইকুইটোছ নামৰ খিলঞ্জীয়া জনগোষ্ঠীৰ লোকসকলে বাস কৰিছিল। তেওঁলোকৰ নামৰ পৰাই চহৰখনৰ নাম ইকুইটোছ ৰখা হৈছিল। ১৭০০ চনৰ ফালে মিছনেৰীসকলে ধৰ্ম প্ৰচাৰৰ বাবে গৈ এই অঞ্চলক বহিৰ্বিশ্বৰ সৈতে চিনাকি কৰাই দিছিল। ইকুইটোছ কেৱল এখন চহৰ নহয়, ই আমাজনৰ বুকুৰ এক জীৱন্ত ইতিহাস। ইকুইটোছৰ প্ৰধান ঘৰুৱা উৎপাদিত সামগ্ৰী হ'ল ৰবৰ। ৰবৰ উৎপাদনৰ যোগেদি ইকুইটোছ চহৰখন অৰ্থনৈতিকভাৱে টনকিয়াল হৈ আছে। সেইদৰে কাঠ, পেট্ৰ'লিয়াম আৰু খনিজ সম্পদ, কৃষি আৰু পৰ্য্যটন ইকুইটোছৰ আৰ্থিক বিকাশৰ অন্য আহিলা। যিহেতু পৰিবহণৰ আন ব্যৱস্থা নাই, সেইবাবে পণ্য সামগ্ৰীসমূহ নাও বা বিমানেৰে সৰবৰাহ কৰিব লগা হয়। ইয়াৰ ফলত দৈনন্দিন ব্যৱহাৰ্য্য বস্তুৰ মূল্য ইয়াত আন ঠাইৰ তুলনাত বেছি। বিশেষকৈ বিদ্যুৎ আৰু বিশুদ্ধ খোৱাপানী ইকুইটোছত আজিও সমস্যা হৈ আছে।

শিক্ষাৰ ক্ষেত্ৰত ইকুইটোছ পিছপৰি ৰোৱা নাই। ১৯৬১ চনত চহৰখনত শিক্ষাৰ অগ্ৰণী অনুষ্ঠান National University of the Peruvian Amazon স্থাপন কৰা হৈছিল। তদুপৰি ইয়াত ভালেমান প্ৰযুক্তিবিদ্যাৰ প্ৰতিষ্ঠানো আছে।

এক কথাত ক'বলৈ গ'লে ইকুইটোছ প্ৰকৃতি, অৰ্থনীতি আৰু সংস্কৃতিৰ এক সংমিশ্ৰণ। আমাজনৰ ঘোৰ অৰণ্যৰ মাজত আধুনিক জীৱনচৰ্য্যা আৰু প্ৰকৃতিৰ মনোমোহা পৰিবেশৰ এক বিশেষ সমন্বয় ঘটিছে এই ইকুইটোছ চহৰত, যাক আমাজনৰ হৃদপিণ্ড বুলি কোৱা হয়। ইকুইটোছ বৰ্তমান এনে এক সন্ধিক্ষণত আছে য'ত এফালে ইয়াৰ ভৌগোলিক বিচ্ছিন্নতাই আৰ্থিক বিকাশত বাধা দিছে, আনহাতে অপূৰ্ব প্ৰাকৃতিক সৌন্দৰ্য্য আৰু সম্পদে পৰ্য্যটকক আকৰ্ষণ কৰিছে। ❖

## তোমালোকৰ বাবে প্ৰশ্নৰ উত্তৰ দিওঁতাসকল, জুলাই, ২০২৬

পল ভৰালী (অষ্টম গ), কল্যাণজ্যোতি হাতীমূৰীয়া (সপ্তম গ), ৰাগিণী কাশ্যপ (অষ্টম গ),
জিয়ান ফুকন ঠাকুৰীয়া (সপ্তম গ), ❖

# Mysterious Rat Temple in India

■ **Arpita Devi**



Have you ever heard of a temple where rats are considered as sign of good luck & blessings? It sounds unbelievable right. But it's true! Such a temple really exists in India. It is known as the Karni Mata Temple, which is located in Deshnok near Bikaner, Rajasthan.

More than 25,000 rats live in this temple. Locals living there call these rats 'Kabba' meaning young children. According to a popular belief, these rats are considered as sacred and are worshipped by devotees. The present temple was built by Maharaja Ganga Singh of Bikaner about 100 years ago. According to a legend, in the 14th century, Goddess Durga lived here as Karni Mata. Once her son fell into a tank and died after that she begged Yamraj (the Hindu God of death) to return the life of her son. Initially, Yamraj refused but after her ardent pleas, he promised Karni Mata that her son and all her male lineages will be born as rats here. Interestingly, even though thousands of rats live in the temple, there has never been a major outbreak of plague or widespread disease associated with the temple. This unusual fact continues to amaze visitors from around the world. ❖

# The Forest of Wonders : Nidhivan Forest



Would you visit a forest where people believe something magical happens every night? It may sound like a fairy tale but its true. The name of this forest is Nidhivan Forest. It is located in Vrindvan of Mathura district. It has fascinated many visitors for centuries with its mysterious legends. According to Hindu beliefs, Nidhivan was one of Lord Krishna's favourite places.

One of the most intriguing aspects of Nidhivan is its unusual trees. Unlike regular trees, the ones in Nidhivan are short, twisted, and intertwined, almost as if they are locked in a never-ending dance. Locals believe these trees are actually the Gopis, who take human forms at night to participate in the Raas Leela and return to their tree forms at dawn. Interestingly, despite the dry climate of Vrindavan, these trees remain lush and green throughout the year without regular watering, adding to their mystical allure. Entry in the forest is strictly forbidden after sunset. Every evening, priests perform the last aarti (prayer) and lock the gates of the forest.

Inside Nidhivan lies a small temple, Rang Mahal, dedicated to Radha-Krishna.


Nidhivan is more than just a religious site, it is a place where faith, folklore, and mystery intertwine.Whether explained by faith or science, the mystery of Nidhivan continues. ❖

# A Journey to the Center of the Earth

■ **Papari Kalita**

*(Contd. from July issue)*

On June 20th, the men reach the village where Hans' family lives. They spend only a night there, since they are nearing Snäffel. The men reach the base of the volcano, and Lidenbrock looks at it as if it is a giant he intends to conquer. After four hours of walking, the horses stop of their own accord in the village of Stapi, which stands by the volcano.




Stapi is a beautiful village full of natural phenomena that surpasses the works of great artists and architects. It is the last stage of the cross-country journey; after this, Hans will accompany Axel and Lidenbrock into the crater. They find a priest willing to host them, but this supposedly holy man is far less welcoming than the tradesmen and peasants the group has stayed with in the past. Lidenbrock is eager to leave the man behind, so he leaves to explore the volcano before the men travel into its crater.

Faced with the reality of the volcano, Axel's anxiety returns. Still, he does not voice his concerns to Lidenbrock, reasoning that if he was going to speak up, he should have done so back in Hamburg. He worries that Saknussemm was right about a passage to the center of the earth, and that the travelers will become trapped down there. He also worries that Snäffel is not dormant and will kill them in an eruption.

Axel decides to confess his fears to Lidenbrock, but when he does, Lidenbrock simply says that he predicted Axel's fears and has studied the volcano to ensure it will not erupt. He shows Axel the proof, and tells him that "when science has spoken, it is for us to hold our peace." This does nothing to calm Axel, but the next morning, he joins his uncle, Hans, and three other Icelanders on their way to the crater.

As the men travel, Axel is exhilarated at the freedom of riding through an unknown country. He grows excited at the expedition before them, since he does not believe that there is any risk they will actually find a way to the center of the earth. Hans leads Axel and Lidenbrock, walking ahead of them on foot. The land becomes deserted as they leave the capital, but Axel notes that this part of Iceland is one of the country's most inhabited areas. He wonders what they will face in districts even less populated. ❖

*Contd.*

# কুইজ

■ দীপাংকৰ কৌশিক

১। ‘উই মুভ টুগেদাৰ’ মূলমন্ত্ৰেৰে অনুষ্ঠিত ২৩ সংখ্যক কমনৱেলথ গেমছৰ মেছকটৰ নামটো কি?

২। এখুদ ককাইদেউ খ্যাত নৰকান্ত বৰুৱাই কোনখন গ্ৰন্থৰ বাবে ১৯৭৫ চনত সাহিত্য অকাডেমি বঁটা লাভ কৰিছিল?

৩। নটিংহামশ্বায়াৰৰ হৈ খেলা ছাৰ গেৰী ছোবার্ছে ১৯৬৮ চনত গ্লেমাৰগনৰ বিৰুদ্ধে কাউন্টী মেচত এটা অভাৰত ছটা ছিক্সাৰ কোবাইছিল। সেই দুৰ্ভগীয়া বলাৰজন কোন আছিল?

৪। পিংক চিটী (Pink City) যদি ৰাজস্থানৰ জয়পুৰ হয় তেনেহ’লে ব্লু চিটী (Blue City) বুলি কোনখন চহৰক জনা যায়?

৫। কোনটো আন্তঃৰাষ্ট্ৰীয় সাহিত্য বঁটা লাভ কৰা প্ৰথমজন ব্যক্তি হৈছে আলবেনিয়াৰ ইছমাইল কাদাৰে?

৬। ২০২৬ চনৰ ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ খেলুৱৈৰ গ’ল্ডেন বল বঁটা লাভ কৰে স্পেইনৰ অধিনায়কে। তেওঁৰ নামটো কি?

৭। বিশ্ব জনসংখ্যা দিৱস ১১ জুলাইত পালন কৰা হয়। আন্তঃৰাষ্ট্ৰীয় ব্যাঘ্ৰ দিৱস কোনদিনা পালন কৰা হয়?

৮। দাদাচাহেব ফাল্কে বঁটা লাভ কৰা প্ৰথমগৰাকী মহিলা হৈছে দেৱীকাৰাণী। দ্বিতীয়গৰাকী কোন বাৰু?

৯। ১৯৪৭ চনত লাকী ক্ৰীমেৰে ব্যৱসায় জগতত জনপ্ৰিয়তা অৰ্জন কৰা কোম্পানীটোৱে পৰৱৰ্তী সময়ত তেওঁলোকৰ ব্যৱসায় আৰু কোম্পানীটোৰ নামো সলনি কৰে। নতুন নামটো কি?

১০। দি অটোবায়’গ্ৰাফী অৱ এন আননোন ইণ্ডিয়ান (The Autobiography of an Unknown Indian) গ্ৰন্থখন ১৯৫১ চনত প্ৰকাশ পাইছিল। কোনগৰাকী বিখ্যাত ভাৰতীয় সাহিত্যিকৰ আত্মজীৱনী আছিল এইখন?

১১। ফিফা বিশ্বকাপৰ ইতিহাসত সৰ্বাধিক ২২ টা গ’লৰ অভিলেখ গঢ়া ফুটবলাৰজনৰ নামত টুৰ্নামেণ্টখনৰ ফাইনেলত হেটট্ৰিক কৰাৰো অভিলেখ আছে। খেলুৱৈগৰাকীৰ নাম কি?

১২। ২০২৩ চনত টাইম আলোচনীৰ প্ৰভাৱশালী ব্যক্তিৰ তালিকাত স্থান লাভ কৰা কোনগৰাকী ব্যক্তিৰ আত্মজীৱনীমূলক গ্ৰন্থ এখনৰ নাম জোছেফ এণ্টন?

১৩। দুবাৰকৈ শান্তিৰ ন’বেল বঁটা লাভ কৰা UNHCRৰ সম্পূৰ্ণ ৰূপটো কি?

১৪। লৰ্ডছ ক্ৰিকেট গ্ৰাউণ্ডক-হোম অৱ ক্ৰিকেট বুলি কোৱা হয়। এই ঐতিহাসিক ষ্টেডিয়ামখনত টেষ্টত শতক অৰ্জন কৰা প্ৰথমগৰাকী মহিলা বেটাৰ কোন বাৰু?

১৫। আমাৰ দেশৰ প্ৰথমগৰাকী উপ প্ৰধানমন্ত্ৰীলৈ ১৯৯১ চনত আগবঢ়োৱা হৈছিল ‘ভাৰত ৰত্ন’ সন্মান। তেওঁৰ নাম কি?

১৬। অসমীয়া সাহিত্যত কৃপাবৰ বৰবৰুৱা বুলি ক’লে আমি লক্ষ্মীনাথ বেজবৰুৱাক জানো। ভৱানন্দ পাঠক কোনগৰাকী বিখ্যাত লেখকৰ ছদ্মনাম?

**চিত্ৰ সংকেত**

১৭। কি বিশেষ কাৰণত এই ১৮ বছৰীয়া খেলুৱৈগৰাকী যোৱা ২৫ জুলাইত চৰ্চালৈ আহিছিল? ❖





## তোমালোকে জানানে?

গিনিপিগ এবিধ সৰু স্তন্যপায়ী জীৱ। পৃথিৱীত প্ৰায় কুৰিটা প্ৰজাতিৰ গিনিপিগ পোৱা যায়। প্ৰাপ্তবয়স্ক এটা গিনিপিগ দীঘলে ২০-২৫ চেণ্টিমিটাৰ আৰু ওজন প্ৰায় ৫০০ গ্ৰাম হয়। চিকিৎসাবিজ্ঞানত গিনিপিগৰ ব্যৱহাৰ অপৰিহাৰ্য্য বুলি ক’লেও বঢ়াই কোৱা নহ’ব। কম সময়তে ব্যাপক বংশ বিস্তাৰত সক্ষম হোৱা বাবে বংশগতি বিজ্ঞানৰ গৱেষণা তথা আন বিভিন্ন পৰীক্ষা-নিৰীক্ষাত গিনিপিগ ব্যৱহাৰ কৰা হয়। *(উৎস : শান্তনু কৌশিক বৰুৱাৰ ‘কি, ক’ত, কিয়, কোন আৰু কেতিয়া’)*

# বুঢ়া আৰু সাগৰ




"বুঢ়া মানুহজন আছিল খীণ, হাড়ে-ছালে লগা। তেওঁৰ ডিঙিৰ পিছফালে কোঁচ খোৱা ছালৰ ৰেখা, দুগালত মটীয়া ৰঙৰ কেতবোৰ সৰু সৰু দাগ। দাগবোৰ মুখমণ্ডলৰ দুয়োফালৰ পৰা তললৈ নামি যোৱা। তাহানি গধুৰ মাছ কঢ়িয়াওঁতে মাছ গঁথা জৰীয়ে কাটি হাতত ঘা কৰিছিল, সেই চিনবোৰ মাৰ যোৱা নাই। সেইবোৰ পুৰণি হৈ গৈছে। চকুযুৰিৰ বাহিৰে বুঢ়াৰ সকলোবোৰ পুৰণি। সাগৰৰ দৰে প্ৰফুল্ল, আনন্দময় আৰু নিৰ্ভীক সেই চকুযুৰি।" সাগৰৰ দৰে প্ৰফুল্ল, আনন্দময় আৰু নিৰ্ভীক চকুযুৰিৰ গৰাকী হৈছে চান্তিয়াগো নামৰ বুঢ়াজন। এই বুঢ়াজন এজন মাছমৰীয়া। সাগৰত মাছ মাৰি তেওঁ জীৱন নিৰ্বাহ কৰে। সাগৰৰ কোবাল সোঁতত তেওঁ অকলে অকলে নাও বাই মাছ ধৰিবলৈ যায়। কিন্তু দিনৰ পাছত দিন তেওঁ মাছলৈ গৈও এটা মাছৰো মুখ নেদেখে। বহুতে কয় বুঢ়াজন দুৰ্ভগীয়া, অপদাৰ্থ।

মাছ ধৰাত প্ৰতিদিনৰ ব্যৰ্থতাৰ বাবে তেওঁৰ লগত মাছ ধৰাত সহায় কৰিবলৈ অহা ল'ৰাটোৰেও তেওঁক এৰি গুচি গৈছে। এনেবোৰ কথাই প্ৰফুল্ল, আনন্দময় আৰু নিৰ্ভীক চকুৰ গৰাকী বৃদ্ধজনক হতাশ কৰিব পৰা নাই। বৰং অধিক আত্মবিশ্বাসেৰে, দুগুণ উৎসাহেৰে তেওঁ দিনৰ পাছত দিন মাছ ধৰিবলৈ সাগৰলৈ ৰাওনা হয়। বৃদ্ধ মানুহজনৰ কাহিনী থকা এই কিতাপখনৰ নাম 'দ্য অ'ল্ড মেন এণ্ড দ্য ছী' (The Old Man and the Sea)। কালজয়ী সাহিত্যৰূপে বিবেচিত হোৱা ইংৰাজী ভাষাৰ এই কিতাপখনৰ লেখক আৰ্নেষ্ট হেমিংৱে (Earnest Hemingway)। ১৯৫২ চনত এই কিতাপখন প্ৰকাশ পাইছিল। সকলোৰে মাজত বিপুল জনপ্ৰিয়তা অৰ্জন কৰা উপন্যাসখনে ১৯৫৩ চনত পুলিৎজাৰ বঁটা আৰু ১৯৫৪ চনত ন'বেল বঁটা লাভ কৰিছিল। সাহসী আৰু সংগ্ৰামী মাছমৰীয়াজনৰ কাহিনীৰ মাজেৰে লেখকে জীৱনলৈ অহা হতাশাক নেওচি দৃঢ় মনোবলেৰে আগুৱাই যোৱাৰ কথাকে প্ৰকাশ কৰিছে। সুদীৰ্ঘ ৮৪ দিনৰ পাছত মাছমৰীয়াজনে এটি ডাঙৰ মাছ ধৰিবলৈ সক্ষম হয় যদিও সাগৰত থকা হাঙৰৰ আক্ৰমণত মাছটো ক্ষত-বিক্ষত হৈ পৰে। মাছমৰীয়াজনো আঘাতপ্ৰাপ্ত হয়। অৱশ্যে দৃঢ় মনোবলৰ মানুহজন ভাগৰি নপৰে। টোপনিত লালকাল অৱস্থাতো বুঢ়াই সিংহৰ সপোন দেখে। আৰ্নেষ্ট হেমিংৱেৰ এই উপন্যাসখন অসমীয়া ভাষালৈ অনুবাদ কৰিছে যতীন গোস্বামীয়ে 'বুঢ়া আৰু সাগৰ' নামেৰে। মানুহ ধ্বংস হ'ব পাৰে, কিন্তু পৰাজিত নহয় (A man can be destroyed but not defeated)–এয়াই উপন্যাসখনৰ মূল বক্তব্য। ❖

# বেবিলনৰ শূন্যোদ্যানখন নিৰ্মাণ কৰা হৈছিল কিয়?



বেবিলনৰ শূন্যোদ্যান হ'ল প্ৰাচীন বেবিলনত অৱস্থিত বুলি ধাৰণা কৰা এক বিশেষ উদ্যান। এই উদ্যানখনৰ মূল গাঁথনিটো শিল আৰু ইটাৰে গঠিত আৰু কেইবাটাও খলপাযুক্ত। এই খলপাবোৰত বিভিন্ন গছ-গছনি ৰোপণ কৰি তাক উদ্যানৰ ৰূপ দিয়া হৈছিল। বৰ্তমানৰ ইৰাকৰ হিল্লা (Hillah) চহৰৰ ওচৰত ই অৱস্থিত আছিল বুলি ধাৰণা কৰা হয়। ইউফ্ৰেটিছ (Euphrates) নদীৰ পাৰত এই উদ্যানখন অৱস্থিত আছিল। প্ৰাচীন পৃথিৱীৰ মানুহৰ দ্বাৰা সৃষ্ট সাতটা আচৰিত বস্তুৰ ভিতৰত ইয়াকো এটা বুলি ধৰা হৈছিল। উদ্যানখন শূন্যত ওপঙি থকা বুলি কোৱা হয় যদিও ই সত্য নহয়। বোধকৰোঁ 'শূন্যোদ্যান' (Hanging Garden) শব্দটো মূল ভাষাৰ অশুদ্ধ অনুবাদৰ ফলত সৃষ্টি হৈছে। লোককথা অনুযায়ী, বেবিলনৰ ৰজা দ্বিতীয় নেবুচাদনেজাৰে (Nebuchadnezzar II, আনুমানিক খৃষ্টপূৰ্ব ৬৩০-৫৬২) এই উদ্যানখন নিৰ্মাণ কৰিছিল। ইতিহাস মতে খৃষ্টপূৰ্ব ৬০৫ৰ পৰা ৫৬২লৈকে নেবুচাদনেজাৰে বেবিলনত ৰাজত্ব কৰিছিল। তেৱেঁই আছিল প্ৰাচীন বেবিলনিয়ান সাম্ৰাজ্যৰ প্ৰতিষ্ঠাতা। পত্নী ৰাণী এমাইটিছৰ (Amytis) মনোৰঞ্জনৰ বাবে তেওঁ এই উদ্যানখন সাজিছিল। মৰুভূমিময় দেশত থাকিবলগীয়া হোৱাত অসন্তুষ্ট ৰাণীক নেবুচাদনেজাৰে এই উদ্যান সাজি উপহাৰ দিছিল। ❖

*(উৎস : শান্তনু কৌশিক বৰুৱাৰ 'কি, ক'ত, কিয়, কোন আৰু কেতিয়া')*

## শুৱলা ভাষা

বানানৰ সামান্য সালসলনিয়ে অৰ্থৰ পাৰ্থক্য ঘটোৱা আৰু কেইটামান শব্দ জানি থওঁ আহা :

**বেপৰোৱা** : (ভয়, শংকা নোহোৱা, কেৰেপ নকৰা, অহংকাৰী)

**প্ৰায়োগিক বাক্য** : মাক-দেউতাকৰ হাক-বচন নুশুনি ল'ৰাটোৱে বেপৰোৱা হৈ চলিবলৈ ধৰিছে।

**বেপেৰোৱা** : (বেপাৰ-বাণিজ্য সম্পৰ্কীয়)

**প্ৰায়োগিক বাক্য** : কিছুমান দল-সংগঠন বেপেৰোৱা হোৱাৰ বাবে সাধাৰণ মানুহৰ আস্থা নোহোৱা হ'ল।

**অবিজ্ঞ** : (অজ্ঞানী, যি বিজ্ঞ নহয়) : এই বিষয়ত তাৰ দৰে অবিজ্ঞজনৰ উপদেশ মানিলে সমস্যাতহে পৰিবি।

**অভিজ্ঞ** : (যাৰ নিৰ্দিষ্ট বিষয়ত অভিজ্ঞতা আছে, জ্ঞানী) : গীতৰ কৰ্মশালাখনত বহুকেইগৰাকী অভিজ্ঞ ব্যক্তিয়ে অংশগ্ৰহণ কৰিছে। ❖

# আইৰ ঘৰলৈ যাম, দুই হাতে খাম, কণা বিধাতাই বোলে ময়ো পিছে পিছে যাম



মানুহে মনত বহু আশা পুহি ৰাখে, অনেক পৰিকল্পনা কৰে। কিন্তু এই আশা অথবা পৰিকল্পনাবোৰ সদায় পূৰণ নহ'বও পাৰে। মানুহৰ ভাগ্য সুপ্ৰসন্ন নহ'লে মনতে আলচা কথাবোৰ কেতিয়াও পূৰণ নহয়। উদাহৰণস্বৰূপে, আইৰ ঘৰলৈ গৈ নিজৰ মনৰ হেঁপাহ পূৰাই এসাঁজ খাম বোলা সাধাৰণ আশা এটাও কাৰোবাৰ পক্ষে সম্ভৱ হৈ নুঠিব পাৰে। বিধাতাই অৰ্থাৎ অদৃষ্টই বিধি-পথালি দি মনৰ আশা মনতে মাৰ নিয়ায়।

**প্ৰায়োগিক বাক্য :** আমাৰ পোৰা কপাল অ', কথাবোৰ আলচোঁহে আলচোঁ, ফল নধৰে; বোলো আইৰ ঘৰলৈ যাম, দুই হাতে খাম, কণা বিধাতাই বোলে ময়ো পিছে পিছে যাম। ❖


# উদক ভেটা, চোৰক ঘৰ, ৰখীয়া পাতি নিগমে মৰ



উদে মাছ খাই ভাল পায়। উদক মাছৰ ৰখীয়া পাতিলে মাছবোৰ উদৰ পেটত সোমোৱাৰহে সম্ভাৱনা অধিক। একেদৰে চোৰ স্বভাৱৰ মানুহক ঘৰৰ ৰখীয়াৰ দায়িত্ব দিলে ঘৰ তহিলং কৰাৰ আশংকা থাকে। তেনে মানুহে ঘৰৰ সুৰক্ষা দিয়াতকৈ ঘৰলৈ বিপদ মতাৰহে সম্ভাৱনা থাকে। সেয়েহে কোনো মানুহক গুৰুত্বপূৰ্ণ কামৰ দায়িত্ব দিয়াৰ পূৰ্বে তেওঁ সেই কামৰ বাবে বিশ্বাসযোগ্য হয়নে নহয় বিবেচনা কৰি চোৱা উচিত। ইয়াৰ অন্যথা হিতে বিপৰীত হোৱাৰহে সম্ভাৱনা থাকে।

**প্ৰায়োগিক বাক্য :** নভবা-নুগুণাকৈ কণবাপুক ধনভঁৰালী পাতি ভাল কাম নকৰিলি দেই—উদক ভেটা, চোৰক ঘৰ, ৰখীয়া পাতি নিগমে মৰাৰ নিচিনাহে হ'বগৈ। ❖

# প্ৰথম অসমীয়া চুটিগল্প সংকলন—সুৰভি



সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ দ্বাৰা ৰচিত 'সুৰভি' এখন বিশেষভাৱে উল্লেখযোগ্য গল্প সংকলন। ১৯০৯ চনৰ জানুৱাৰী মাহত প্ৰকাশ পোৱা এই গ্ৰন্থখনেই হৈছে অসমীয়া ভাষাৰ প্ৰথমখন চুটিগল্প সংকলন। এই অমূল্য সৃষ্টিৰ আঁৰত আছে সাহিত্যৰথী বেজবৰুৱাৰ পিতৃ-হৃদয়ৰ কৰুণ কাহিনী। 'সুৰভি' আছিল লক্ষ্মীনাথ বেজবৰুৱা আৰু প্ৰজ্ঞাসুন্দৰী দেৱীৰ প্ৰথম কন্যা সন্তান, যিয়ে মাত্ৰ পাঁচ বছৰ বয়সতে ডিফথেৰিয়া ৰোগত আক্ৰান্ত হৈ অকাল মৃত্যুক সাবটি লৈছিল। সন্তান হেৰুওৱাৰ এই চৰম শোকে বেজবৰুৱাৰ অন্তৰ ভাঙি চূৰমাৰ কৰিছিল আৰু নিজৰ সেই মৰমৰ জীয়ৰীৰ স্মৃতি চিৰযুগমীয়া কৰাৰ উদ্দেশ্যে তেওঁ নিজৰ প্ৰথম চুটিগল্প সংকলনখনৰ নাম 'সুৰভি' ৰাখিছিল। গ্ৰন্থখনৰ পাতনি বা উছৰ্গা পত্ৰত তেওঁ মৃত জীয়ৰীৰ উদ্দেশ্যে এক অতি আবেগিক আৰু কৰুণ কবিতা সংযোজন কৰিছিল, য'ত তেওঁ সুৰভিক হৃদয়ৰ এক টুকুৰা আৰু সৰগৰ ৰতন বুলি উল্লেখ কৰি নিজৰ সাহিত্য-উপহাৰ তাইৰ হাতত অৰ্পণ কৰিছিল।

সাহিত্যিক দৃষ্টিকোণৰ পৰা 'সুৰভি' সংকলনখন অসমীয়া চুটিগল্পৰ ভেটি স্বৰূপ। এই গ্ৰন্থখনত সৰ্বমুঠ ১২টা চুটিগল্প সন্নিবিষ্ট কৰা হৈছে। এই গল্পসমূহৰ জৰিয়তে বেজবৰুৱাই তৎকালীন অসমীয়া সমাজৰ চিত্ৰখন অতি নিখুঁতভাৱে দাঙি ধৰিছিল। বিশেষকৈ সমাজত প্ৰচলিত অন্ধবিশ্বাস, কুসংস্কাৰ, জাতিভেদ প্ৰথা আৰু মানুহৰ ভণ্ডামিক তেওঁ তীক্ষ্ণভাৱে লক্ষ্য কৰিছিল। এই সামাজিক ব্যাধিসমূহ দূৰ কৰাৰ বাবে তেওঁ সমাজখনক পোনপটীয়াকৈ আক্ৰমণ কৰাৰ পৰিবৰ্তে তীব্ৰ ব্যংগ আৰু হাস্যৰসৰ আশ্ৰয় লৈছিল, যাতে মানুহে হাঁহি হাঁহিয়ে নিজৰ ভুলবোৰ উপলব্ধি কৰিব পাৰে। এই সংকলনটিত থকা 'বাপীৰাম', 'ফাতেমা বিবি', 'ধোঁৱাখোৱা', 'সেউতী' আদি গল্পই পাঠকৰ মন আজিও চুই যায় ।

অসমীয়া সাহিত্যলৈ চুটিগল্পৰ আধুনিক ধাৰাটো আদৰি অনাৰ বাবেই লক্ষ্মীনাথ বেজবৰুৱাক অসমীয়া চুটিগল্পৰ জনক বুলি অভিহিত কৰা হয়। 'সুৰভি'ৰ সফলতাৰ পাছতেই তেওঁৰ আন দুখন উল্লেখনীয় গল্প সংকলন 'সাধুকথাৰ কুঁকি' (১৯১০) আৰু 'জোনবিৰি' (১৯১৩) প্ৰকাশ পাইছিল। পৰবৰ্তী সময়ত মৰণোত্তৰভাৱে তেওঁৰ 'কেহোঁকলি' গল্পসংকলনখন প্ৰকাশ পায়। ❖

## *চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা*

**আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য**

# ভাৰতৰ বিভিন্ন ৰাজ্যৰ ৰাজ্যিক জন্তুসমূহ



**চশমা-চকুৰা বান্দৰ** (ইংৰাজী নাম : Phayre's leaf monkey, বৈজ্ঞানিক নাম *Trachypithecus phayrei*) : চশমা চকুৰা বান্দৰ হৈছে চাৰক'পিডিচিডি (Cercopithecidae) পৰিয়ালৰ অন্তৰ্গত এবিধ স্তন্যপায়ী প্ৰাণী। ই হৈছে ভাৰতবৰ্ষৰ ত্ৰিপুৰাৰ ৰাজ্যিক জন্তু। চশমা-চকুৰা বান্দৰ প্ৰধানকৈ বাংলাদেশ, বাৰ্মা, চীন, ভাৰত, থাইলেণ্ড আৰু ভিয়েটনামত বিস্তৃত হৈ আছে। এই প্ৰাণীবিধ ভাৰতৰ ত্ৰিপুৰা, মিজোৰাম আৰু অসমত পোৱা যায়। অসমৰ কাছাৰ, হাইলাকান্দি আৰু শ্ৰীভূমি (কৰিমগঞ্জ) জিলা এই প্ৰাণীৰ প্ৰধান বসতিস্থল। এইবিধ প্ৰজাতিৰ চকুৰ চাৰিওদিশে থকা বগা আঁকটো চশমাৰ দৰে দেখা যায় বাবে ইয়াক চশমা-চকুৰা বান্দৰ বুলি অভিহিত কৰা হয়। চোৰাং চিকাৰ আৰু বনাঞ্চল ধ্বংসৰ বাবে এই আপুৰুগীয়া প্ৰাণীবিধৰ সংখ্যা দিনে দিনে হ্ৰাস পাই আহিছে।

এইবিধ প্ৰাণীয়ে মূলতঃ চিৰসেউজীয়া অৰণ্য আৰু পাতল পৰ্ণপাতী অৰণ্যত বাস কৰে। অসমত এই প্ৰাণীবিধ চিৰসেউজীয়া অৰণ্যৰ বাঁহনিত থকা দেখা যায়। চশমা-চকুৰা বান্দৰ এবিধ তৃণভোজী প্ৰাণী। ইহঁতে মাটিত গজি উঠা চুটি ঘাঁহ আৰু গছৰ পাত খাই জীৱন ধাৰণ কৰে। এইবিধ প্ৰাণীৰ দেহৰ বৰণ ডাঠ নীলা-মটীয়া আৰু পৃষ্ঠ দিশত বগা। স্থানভেদে ইহঁতৰ বৰণৰ উজ্জ্বলতা বা গাঢ়তাৰ পৰিৱৰ্তন হোৱা দেখা যায়। ইয়াৰ মূৰ আৰু নেজৰ শেষৰ অংশ দেহৰ বাকীবোৰ অংশতকৈ তুলনামূলকভাৱে ডাঠ। বাহু, ঠেং আৰু নেজত ৰূপালী-মটীয়া বৰণ আছে। ইয়াৰ ওঁঠ আৰু চকুৰ চাৰিওফালে থকা অংশ বগা।

চশমা-চকুৰা বান্দৰৰ উচ্চতা প্ৰায় ৫০ৰ পৰা ৬০ ছেণ্টিমিটাৰ পৰ্য্যন্ত হয়। মতা প্ৰাণীৰ দেহৰ ওজন প্ৰায় ৭.৩ কিলোগ্ৰাম আৰু মাইকী প্ৰাণীৰ দেহৰ ওজন প্ৰায় ৬.২ কিলোগ্ৰাম। ইহঁত সাধাৰণতে দিনৰ ভাগত সক্ৰিয় হৈ থাকে। চশমা-চকুৰা বান্দৰে সাধাৰণতে দল বান্ধি বাস কৰে। একোটা দলত ৩ৰ পৰা ৩০টাকৈ সদস্য থাকে। আইইউচিএনৰ (IUCN) তালিকাত এই প্ৰাণীবিধক ইতিমধ্যে বিলুপ্তপ্ৰায় বুলি ঘোষণা কৰা হৈছে। এই বান্দৰৰ প্ৰজাতিটো ভাৰতীয় বন্যপ্ৰাণী সংৰক্ষণ আইনৰ দ্বাৰা কঠোৰভাৱে সংৰক্ষিত। এই আইন অনুসৰি এই প্ৰাণীবিধ ধৰা, হত্যা কৰা বা কিনা-বেচা কৰা আৰু ঘৰত আবদ্ধ কৰি ৰখাটো আইনমতে দণ্ডনীয় অপৰাধ। ❖

## চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য

### শব্দ শিকোঁ (এদিনত এটাকৈ, এমাহৰ বাবে ৩০টা শব্দ)

| অসমীয়া | ইংৰাজী |
|---|---|
| গাণনিক, হিচাপৰক্ষক | accountant |
| সঠিক, নিখুঁত | accurate |
| অভ্যস্ত হোৱা | accustom, used to |
| বিষ, বেদনা | ache, pain |
| সক্ৰিয় | active |
| আঁকোৰগোঁজ | adamant |
| আসক্তি, নিচা | addiction |
| যোগ কৰা | add |
| অতিৰিক্ত, সংযোজিত | additional |
| পৰ্য্যাপ্ত, যথেষ্ট | adequate, enough |
| বিদায়, মেলানি | adieu, farewell |
| বিশেষণ | adjective |
| স্থগিত ৰখা | adjourn, postpone |
| পাৰ্শ্বৰতী, সংলগ্ন | adjacent |
| প্ৰশাসন | administration |

| অসমীয়া | ইংৰাজী |
|---|---|
| প্ৰশংসনীয় | admirable |
| নৌসেনাধ্যক্ষ | admiral |
| প্ৰাপ্তবয়স্ক | adult |
| দুঃসাহসিক | adventurous |
| দুৰ্দশা, বিপৰ্য্যয় | adversity |
| আগমন, আবিৰ্ভাৱ | advent |
| বিজ্ঞাপন | advertisement |
| উপদেষ্টা, পৰামৰ্শদাতা | adviser |
| উকীল, অধিবক্তা | advocate, lawyer |
| মহাকাশচাৰী | astronaut |
| বিমান উঠা-নমা কৰা ঠাই | aerodrome |
| নান্দনিক | aesthetic |
| মৰম, স্নেহ | affection, love |
| ইতিবাচক | affirmative, positive |
| বনানীকৰণ | aforestation ❖ |

## চুড'কু

তলৰ আকৃতি এটাৰ ৯টা শাৰী আৰু ৯টা স্তম্ভৰ লগতে প্ৰতিটো বৰ্গক্ষেত্ৰত ১ৰ পৰা ৯লৈ সংখ্যাকেইটা এবাৰকৈহে বহিব।

### চুড'কু ২৩৩ (সমাধান)

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| 1 | 6 | 7 | 8 | 3 | 9 | 2 | 4 | 5 |
| 5 | 2 | 3 | 6 | 4 | 1 | 9 | 8 | 7 |
| 4 | 8 | 9 | 2 | 7 | 5 | 3 | 1 | 6 |
| 6 | 3 | 4 | 1 | 9 | 8 | 5 | 7 | 2 |
| 7 | 5 | 8 | 4 | 2 | 3 | 1 | 6 | 9 |
| 9 | 1 | 2 | 5 | 6 | 7 | 8 | 3 | 4 |
| 2 | 7 | 1 | 9 | 8 | 6 | 4 | 5 | 3 |
| 3 | 4 | 5 | 7 | 1 | 2 | 6 | 9 | 8 |
| 8 | 9 | 6 | 3 | 5 | 4 | 7 | 2 | 1 |

### চুড'কু ২৩৪

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| | | | | | | | | |
| 3 | | | | 6 | | | | |
| 4 | | | | | | | 1 | 7 |
| | | 2 | | 9 | | 5 | | |
| | | | 4 | | | 3 | | |
| | | 1 | | | | | | |
| 5 | | | | | | 2 | 6 | |
| | | | 9 | | | | | |
| | | | 1 | | 7 | | | |

## তোমালোকে জানানে?

### চিলা



সাধাৰণতে পাতল ৰঙীন কাগজ আৰু পাতল কাঠীৰে সজা খেল-ধেমালিৰ এবিধ আহিলাই হ'ল চিলা। চিলাখনৰ এটা মূৰত সূতা বান্ধি বতাহত আকাশলৈ উৰুৱাই দিয়া হয়। বতাহৰ সোঁতে ইয়াক বহু দূৰলৈ লৈ যায়। উৰি যোৱা চিলাখন নিয়ন্ত্ৰণত ৰাখিবৰ বাবে উৰুওৱাজনৰ হাতত সূতাৰ টাকুৰিটো থাকে। ই অতি আনন্দদায়ক খেল।

অতীজৰে পৰা মানুহে চিলা উৰুওৱাৰ প্ৰমাণ পোৱা গৈছে। খৃষ্টপূৰ্ব ২০০ চনত হান-চিন নামৰ চীনা সৈন্য এজনে চিলা আৱিষ্কাৰ কৰে বুলি জনা যায়। তাৰো ২০০ বছৰ আগতেই আৰ্কইটাছ নামৰ এজন গ্ৰীক লোকেহে চিলা আৱিষ্কাৰ কৰিছিল বুলি বহুতে ক'ব খোজে। চীনাসকলৰ পাছত জাপানীসকলে চিলা উৰাবলৈ লৈছিল। কালক্ৰমত পৃথিৱীৰ বিভিন্ন দেশৰ মানুহে চিলা উৰুৱাবলৈ লয়। ভাৰতবৰ্ষত প্ৰথমে মোগল সম্ৰাট শ্বাহ আলমে চিলা উৰুওৱা খেল আৰম্ভ কৰে। আমেৰিকা যুক্তৰাষ্ট্ৰত বসন্ত কালত চিলা উৰুওৱা প্ৰতিযোগিতা পতা হয়। ১৭৪৯ চনত স্কটলেণ্ডৰ দুজন বিজ্ঞানী আলেকজেণ্ডাৰ উইলছন আৰু থমাজ মেলভিলে চিলাৰ বিষয়ে গৱেষণা আৰম্ভ কৰিছিল। অতীজত চিলাত থাৰ্মমিটাৰ বান্ধি আকাশৰ তাপমাত্ৰ জনাৰ চেষ্টা কৰা হৈছিল। ১৮৯৮ চনত স্পেইন আৰু আমেৰিকাৰ যুদ্ধৰ সময়ছোৱাত শত্ৰু সৈন্যৰ গতিবিধি জানিবৰ বাবে চিলা ব্যৱহাৰ কৰাৰ কথা জনা যায়। বিজ্ঞানী বেঞ্জামিন ফ্ৰেংকলিনে চিলাৰ সহায়ত বৈদ্যুতিক প্ৰবাহৰ ফলত বজ্ৰপাত সৃষ্টি হোৱাৰ সত্যতা প্ৰমাণ কৰাৰ চেষ্টা কৰিছিল। ❖

*(উৎস : শান্তনু কৌশিক বৰুৱাৰ 'কোনে কেতিয়া ক'ত কেনেকৈ কি আৱিষ্কাৰ কৰিছিল')।*

# বিশ্বকাপ ফুটবল, ২০২৬

■ কুশল গোস্বামী



যোৱা ১৯ জুলাই তাৰিখে (মাজনিশা) ২৩ সংখ্যক ফিফা বিশ্বকাপ, ২০২৬ মহোৎসৱৰ সফল সামৰণি পৰে। এই বৰ্ষৰ ফুটবল বিশ্বকাপ প্ৰতিযোগিতাৰ চূড়ান্ত খেলত যোৱা বৰ্ষৰ (২০২২) চেম্পিয়ন আৰ্জেণ্টিনাক স্পেইনে ১-০ গ'লৰ ব্যৱধানত পৰাজিত কৰি চেম্পিয়নৰ খিতাপ দখল কৰিবলৈ সক্ষম হয়। আমেৰিকা যুক্তৰাষ্ট্ৰৰ নিউজাৰ্ছিৰ মেটলাইফ ষ্টেডিয়ামত অনুষ্ঠিত চূড়ান্ত খেলখনৰ নিৰ্ধাৰিত সময়ত (৯০ মিনিট) কোনো এটা দলেই গ'ল দিবলৈ সক্ষম নহ'ল। ফলস্বৰূপে অতিৰিক্ত সময় দিয়া হয় আৰু ১০৬ মিনিটত স্পেইনৰ ফেৰান টোৰেচে দিয়া একমাত্ৰ গ'লটোৰ সহায়ত স্পেইনে বিশ্বকাপৰ (২০২৬) খিতাপ দখল কৰিবলৈ সমৰ্থ হয়। চূড়ান্ত খেলখনত স্পেইনৰ উজ্জীৱিত আক্ৰমণাত্মক প্ৰদৰ্শনৰ বিপৰীতে যোৱা বৰ্ষৰ চেম্পিয়ন তথা ১ নম্বৰ ৰেংকিঙৰ আৰ্জেণ্টিনাই ৰক্ষণাত্মক তথা নিষ্প্ৰভ ছন্দহীন খেলেৰে যোগ্য প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱাত ব্যৰ্থ হয়। চূড়ান্ত খেলখনত স্পেইনে প্ৰায় ৬৫ শতাংশ আধিপত্য বিস্তাৰ কৰাৰ লগতে ২০ বাৰ গ'ল স্কৰ কৰাৰ পৰিবেশ সৃষ্টি কৰাত সফল হয়। কিন্তু আৰ্জেণ্টিনাৰ অতি সক্ৰিয় গ'লকীপাৰ এমিলিয়ালো মাৰ্টিনেজে ১২টা গ'ল ৰক্ষা কৰাত সফল হয়। বিপৰীতে আৰ্জেণ্টিনাই মাত্ৰ দুটা সুযোগ সৃষ্টি কৰিবলৈ সামৰ্থ্য হয় যদিও গ'ললৈ ৰূপান্তৰিত কৰাত ব্যৰ্থ হয়।

উল্লেখযোগ্য যে এই বৰ্ষৰ প্ৰতিযোগিতাত বিভিন্ন স্তৰত খেলা মুঠ আঠখন খেলত চেম্পিয়ন দল স্পেইনৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বী দলে মাত্ৰ এটাহে গ'ল স্ক'ৰ কৰিবলৈ সক্ষম হয়। এই বিজয়ৰ জৰিয়তে স্পেইনে যোৱা দুবছৰত একেৰাহে মুঠ ৩৮খন খেলত অপৰাজিত (unbeaten) হৈ থাকি বিশ্ব অভিলেখৰ অধিকাৰী হয়। ইয়াৰ পূৰ্বে ইটালী একেৰাহে ৩৭খন খেলেৰে এই সন্মানৰ অধিকাৰী আছিল। ২০১০ চনৰ বিশ্বকাপত নেডাৰলেণ্ডছক পৰাজিত কৰি স্পেইনে প্ৰথমবাৰৰ বাবে বিশ্বকাপৰ চেম্পিয়নৰ খিতাপ লাভ কৰিছিল।

স্পেইনৰ অধিনায়ক তথা মিডফিল্ডাৰ ৰড্ৰিগো হাৰ্নাণ্ডেজে বিশ্বকাপ প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ খেলুৱৈ বিবেচিত হয় আৰু 'গ'ল্ডেন বল' পুৰস্কাৰ লাভ কৰে। প্ৰতিযোগিতাখনত মুঠ ১০টা গ'ল স্ক'ৰ কৰি ফ্ৰান্সৰ অধিনায়ক কিলিয়ান এমবাপেই 'গ'ল্ডেন বুট' (Golden Boot) বঁটা লাভ কৰে। আৰ্জেণ্টিনাৰ অধিনায়ক তথা কিংবদন্তি খেলুৱৈ ৩৯ বছৰীয়া লিঅ'নেল মেছিয়ে প্ৰতিযোগিতাত মুঠ ৮টা গ'ল স্ক'ৰ কৰি দ্বিতীয় স্থান দখল কৰে। তেওঁ ছিলভাৰ বল লাভ কৰে। তিনিখন বিশ্বকাপ ফাইনেল খেলত (২০১৪, ২০২২ আৰু ২০২৬) অংশগ্ৰহণ কৰিবলৈ সমৰ্থ হোৱা মেছিয়ে বিশ্বকাপত মুঠ ২১টা গ'ল স্ক'ৰ কৰিবলৈ সমৰ্থ হয়। ফ্ৰান্সৰ এমবাপেই ২২টা গ'লেৰে শীৰ্ষস্থান লাভ কৰি আছে। স্পেইনৰ গ'লকীপাৰ উনাই চাইমনে গ'ল্ডেন গ্লোভ বঁটা লাভ কৰে।

চেম্পিয়ন দল স্পেইনে সুদৃশ্য ট্ৰফীৰ লগতে ৫০ নিযুত মাৰ্কিন ডলাৰ আৰু ৰানাৰ্ছ-আপ আৰ্জেণ্টিনাই ৩৩ নিযুত মাৰ্কিন ডলাৰৰ পুৰস্কাৰ লাভ কৰে। প্ৰতিযোগিতাত ইংলণ্ডে তৃতীয় আৰু ফ্ৰান্সে চতুৰ্থ স্থান লাভ কৰে। তদুপৰি নেদাৰলেণ্ডছে এই প্ৰতিযোগিতাত আটাইতকৈ সুশৃংখলিত দলৰ পুৰস্কাৰ লাভ কৰে। মুঠ ১৪ বিলিয়ন মাৰ্কিন ডলাৰ ব্যয়সাপেক্ষে এই বৰ্ষৰ বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ শ্লোগান আছিল—উই আৰ টুৱেণ্টি ছিক্স (We are 26)।

২৩ সংখ্যক ফিফা (Federation International de Football Association) বিশ্বকাপ প্ৰতিযোগিতা প্ৰথমবাৰৰ বাবে তিনিখন দেশ ক্ৰমে আমেৰিকা যুক্তৰাষ্ট্ৰ, কানাডা আৰু মেক্সিকোত অনুষ্ঠিত হয় আৰু মুঠ ৪৮টা দলে প্ৰতিদ্বন্দ্বিতা আগবঢ়ায়। যোৱা ১১ জুনৰ পৰা আৰম্ভ হোৱা প্ৰতিযোগিতাখনত ফাইনেলকে ধৰি মুঠ ১০৪খন খেল অনুষ্ঠিত হয়। তিনিওখন আয়োজক দেশৰ ১৬খন ষ্টেডিয়ামত ৪৮খন দেশক ১২টা গ্ৰুপত ভগাই খেলসমূহ সুকলমে অনুষ্ঠিত কৰা হয়।

১৯৩০ চনত উৰুগুৱেত প্ৰথমবাৰৰ বাবে মাত্ৰ ১৩খন দেশৰ অংশগ্ৰহণেৰে শুভাৰম্ভ হোৱা বিশ্বকাপ প্ৰতিযোগিতা বৰ্তমান ২১১খন ফিফাৰ সদস্য ৰাষ্ট্ৰলৈ সম্প্ৰসাৰিত হৈ পৰিছে। প্ৰথমবাৰৰ বাবে কাৰাকাও, কেপ ভাৰ্দে, জৰ্ডান, উজবেকিস্তান আদি দেশে মূল ৰাউণ্ডলৈ (৪৮খন দেশ) যোগ্যতা অৰ্জন কৰি ফুটবলপ্ৰেমীৰ দৃষ্টি আকৰ্ষণ কৰে। ইয়াৰ বিপৰীতে ইটালী (চাৰিবাৰৰ চেম্পিয়ন), পোলেণ্ড, ডেনমাৰ্ক, চিলি, কেমেৰুণ আদি দেশ বিশ্বকাপৰ মূল প্ৰতিযোগিতালৈ যোগ্যতা অৰ্জন কৰাত ব্যৰ্থ হৈ অনুৰাগীক আশাহত কৰে।

ফুটবল মহোৎসৱখনৰ ১০৪খন খেলত মুঠতে ৩০৮টা গ'ল স্কৰ হয়। স্পেইনৰ পাও কুবাৰ্চীয়ে শ্ৰেষ্ঠ যুৱ খেলুৱৈৰ বঁটা লাভ কৰে। ইংলণ্ডৰ জুডো বেলিংহাম আৰু নৰৱেৰ আৰ্লিং হালাণ্ডে অতি দৰ্শনীয় পদ শিল্পৰে ৭টাকৈ গ'ল কৰি দৰ্শকৰ অন্তৰ জয় কৰিবলৈ সক্ষম হয়। তেওঁলোক দুয়োজনে প্ৰতিযোগিতাত এই ক্ষেত্ৰত তৃতীয় স্থান দখল কৰে। আনহাতে স্পেইনৰ ১৯ বছৰীয়া লামিন য়ামালে চূড়ান্ত খেলত ১২০ মিনিট সময় আক্ৰমণাত্মক খেল খেলি জয়লাভত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এফ চি বাৰ্চিলোনাৰ তাৰকা খেলুৱৈগৰাকীয়ে এতিয়ালৈ বিভিন্ন খেলত মুঠ ২৪টা গ'ল কৰি আৰু ১৭টা গ'ল কৰাত প্ৰত্যক্ষভাৱে সহায় কৰি দৰ্শকৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হয়।

উল্লেখযোগ্য যে যোৱা ৪ জুলাইত অনুষ্ঠিত নকআউট পৰ্য্যায়ত আৰ্জেণ্টিনা আৰু কেপ ভাৰ্দেৰ মাজত অনুষ্ঠিত খেলখনক (৩-২ ব্যৱধান) প্ৰতিযোগিতাৰ আটাইতকৈ আক্ৰমণাত্মক তথা উত্তেজনাপূৰ্ণ খেল বুলি বিশ্লেষকসকলে চিহ্নিত কৰিছে।

ফিফাৰ সভাপতি জিয়ানী ইনফেণ্টিনোৱে পৰবৰ্তী বিশ্বকাপ ৬৪টা দলৰ মাজত হ'ব বুলি ঘোষণা কৰাত যাদুকৰী পদ শিল্পই বিশ্বৰ জনগণক আৰু অধিক ওচৰ চপাই আনিব পাৰিব বুলি আশা কৰা হৈছে। পৰবৰ্তী বিশ্বকাপ ২০৩০ চনত মৰক্কো, পৰ্টুগাল আৰু স্পেইনত অনুষ্ঠিত হ'ব। ❖

## বিজ্ঞান-বাৰ্তা

# গছৰ পাতে যেতিয়া ৰং সলায়

**■ ৰাণু বুজৰবৰুৱা**

প্ৰকৃতি বুলি ক'লে সেউজীয়া গছ-বনেৰে ভৰা এক মনোমোহা পৰিবেশৰ কথা মনলৈ আহে। অৰ্থাৎ সেউজীয়া গছ-বনবোৰ হ'ল প্ৰকৃতিৰ অপৰিহাৰ্য্য অংশ। সেই সেউজীয়া উদ্ভিদে যেতিয়া নিজৰ ৰং সলাই ৰঙীন হৈ পৰে, তেতিয়া প্ৰকৃতি অপূৰ্ব আৰু বিনন্দীয়া হৈ পৰে। আমি গছৰ পাতৰ ৰং বুলি ক'লে সদায় সেউজীয়া ৰংটোকে বুজাওঁ। এই সেউজীয়া ৰংটো পাতত থকা ক্ল'ৰ'ফিল নামৰ ৰঙীন পদাৰ্থবিধৰ বাবে হয় বুলিও জানো। আমি এইটোও জানো যে ক্ল'ৰ'ফিল থকা বাবে গছৰ পাতে খাদ্য তৈয়াৰ কৰিব পাৰে। তেন্তে গছে কিয় এই ৰং সলনি কৰে? ৰঙীন পাতবোৰে খাদ্য তৈয়াৰ কৰিব নোৱাৰে নেকি? সকলো গছৰে পাতৰ ৰং সলনি হয়নে?

উদ্ভিদৰ কোষত প্লাষ্টিড নামৰ এক বিশেষ অংগ (cell organells) থাকে, যিটো প্ৰাণীৰ দেহৰ কোষত নাথাকে। প্লাষ্টিডত কিছুমান ৰঞ্জক পদাৰ্থ থাকে। তাৰ ভিতৰত প্ৰধান ৰঞ্জক পদাৰ্থ দুবিধ হ'ল, পত্ৰহৰিৎ

(chlorophyll) আৰু কেৰ'টিনইড (carotenoid)। সাধাৰণতে সালোকসংশ্লেষণ কৰা উদ্ভিদত থকা প্ৰধান ক্ল'ৰ'ফিল দুবিধ হ'ল—পত্ৰহৰিৎ-এ (সেউজীয়া-নীলা ৰং) আৰু পত্ৰহৰিৎ-বি (ঘন/ঘোৰ সেউজীয়া ৰং)।

আনহাতে কেৰ'টিনইড দুই প্ৰকাৰৰ। কেৰ'টিন আৰু জেন্থ'ফিল। কেৰ'টিন (carotene) কমলা আৰু ৰঙা ৰঙৰ আৰু জেন্থ'ফিল (xanthophylls) হালধীয়া ৰঙৰ। তদুপৰি কিছুমান শেলাইত ফাইক'বিলিন (phycobilin) নামৰ ৰঞ্জক পদাৰ্থ পোৱা যায়, যাৰ ৰং ৰঙা আৰু নীলা। উদ্ভিদৰ পাতত এই ৰঞ্জক পদাৰ্থসমূহৰ অনুপাত অনুসৰি ৰং ভিন ভিন হয়। সাধাৰণতে ৰ'দ পৰা ঠাইৰ উদ্ভিদৰ পাতত বেছিকৈ ক্ল'ৰ'ফিল উৎপন্ন হয়, সেইবাবে পাতবোৰ সেউজীয়া হয়। কিছুমান গছৰ পাত ৰঙীন হয়। তাৰ অৰ্থ এইটো নহয় যে সেই পাতবোৰত ক্ল'ৰ'ফিল নাথাকে বা সেই পাতবোৰত সালোকসংশ্লেষণ প্ৰক্ৰিয়া সংঘটিত নহয়। তেনেবোৰ পাতত আন ৰঞ্জক পদাৰ্থবোৰ বেছি পৰিমাণত থাকে বাবেহে সেইবোৰৰ ৰং ভিন ভিন হোৱা দেখা যায়। কিন্তু কিছুমান গছৰ পাত সদায় ৰঙীন নহয়। এক বিশেষ সময়তহে পাতবোৰৰ ৰঙৰ পৰিবৰ্তন হয়।

গছৰ পাতে যেতিয়া ৰং সলায় তেতিয়াই আমি বুজিব লাগিব যে বতৰ অৰ্থাৎ ঋতু পৰিবৰ্তন হ'বলৈ আৰম্ভ কৰিছে। সূৰ্য্যৰ পোহৰৰ উপস্থিতি অৰ্থাৎ দিন চুটি-দীঘল হোৱাৰ ওপৰত নিৰ্ভৰ কৰি গছৰ পাতৰ ৰং সলনি হোৱা দেখা যায়। সাধাৰণতে বসন্ত আৰু গ্ৰীষ্মকালত দিন দীঘল হোৱাৰ লগতে সূৰ্য্যৰ পোহৰ যথেষ্ট পৰিমাণে পায়। সেইবাবে সেই সময়ত পাতে যথেষ্ট পৰিমাণে ক্ল'ৰ'ফিল সংশ্লেষণ কৰে। ফলত পাতৰ ৰং সেউজীয়া হয়। গছৰ পাত ঋতু পৰিবৰ্তনৰ প্ৰতি যথেষ্ট সংবেদনশীল। গ্ৰীষ্ম শেষ হৈ শৰৎ আহিবলৈ আৰম্ভ হোৱাৰ লগে লগে পাত সচেতন হৈ পৰে। সেই সময়ত দিন লাহে লাহে চুটি হ'বলৈ ধৰে আৰু সূৰ্য্যৰ পোহৰো কমকৈ পৰে। তেতিয়া গছে ক্ল'ৰ'ফিল কমকৈ উৎপাদন কৰিবলৈ লয়। যিখিনি ক্ল'ৰ'ফিল ইতিমধ্যে আছিল সেইখিনিও ভাঙি যায়। ফলত সেউজীয়া ৰং শেঁতা হ'বলৈ ধৰে। পাতত ইতিমধ্যে উপস্থিত থকা কিছু ক্ল'ৰ'ফিলৰ দ্বাৰা আবৃত্ত হৈ থকা কেৰ'টিনইডৰ ৰংবোৰ দৃশ্যমান হ'বলৈ ধৰে। আকৌ পাতত জমা হৈ থকা শৰ্কৰাবোৰে ৰাসায়নিক বিক্ৰিয়াৰ দ্বাৰা এন্থ'চায়ানিন (anthocyanin) নামৰ ৰঞ্জক পদাৰ্থ প্ৰস্তুত কৰে। যাৰ উপস্থিতিত পাতবোৰৰ ৰং ৰঙা হৈ পৰে। যিমানে দিন চুটি হৈ আহিব আৰু ঠাণ্ডা বাঢ়ি আহিব পাতৰ সংযোগস্থলত এক বিশেষ ধৰণৰ কোষৰ স্তৰ এটা গঠন হ'বলৈ ধৰে। ফলত পাতখিলালৈ পানী, খনিজ পদাৰ্থ আদিৰ সৰবৰাহ কমি আহে আৰু এটা সময়ত বন্ধ হৈ যায়। এটা সময়ত পাতখিলা গছডালৰ পৰা সৰি পৰে।


উদ্ভিদৰ এনে কাৰ্য্যৰ উদ্দেশ্য কি? শীতকালত দিন চুটি হোৱাৰ লগতে সূৰ্য্যৰ পোহৰ কম আৰু ঠাণ্ডা বেছি হোৱা বাবে উদ্ভিদে সকলো কাৰ্য্য নিয়াৰিকৈ চলাই নিয়াত কষ্ট পায়। বিশেষকৈ পানীৰ পৰিমাণ কমি যায়, ক্ল'ৰ'ফিলৰ উৎপাদনো কমি যায়। ফলত উদ্ভিদে প্ৰয়োজনীয় পুষ্টি তথা শক্তি লাভ কৰাত ব্যাঘাত জন্মে। সেয়ে পাতৰ ৰং পৰিবৰ্তন কৰি (বিশেষকৈ ৰঙা আৰু বেঙুনীয়া ৰং) পাতখিলাক সূৰ্য্যৰ উজ্জ্বল পোহৰৰ পৰা ৰক্ষা কৰে। এইখিনি সময়তে উদ্ভিদজোপাই পাতত থকা প্ৰায় সকলোখিনি পুষ্টিকৰ উপাদান শোষণ কৰি লয় আৰু ভৱিষ্যতৰ ব্যৱহাৰৰ বাবে সঞ্চয় কৰি থয়।

তদুপৰি শীতৰ আগমনৰ লগে লগে গছৰ পাতবোৰ কিছুমান অপকাৰী পোক-পতংগৰ বাসস্থান হৈ পৰে। কিন্তু ৰঙীন পাতবোৰ বিশেষকৈ ৰঙা ৰংটোৱে এই পোক-পতংগবোৰক আঁতৰাই ৰাখি গছজোপাক সুৰক্ষিত কৰে। অৰ্থাৎ পাতৰ ৰঙৰ পৰিবৰ্তনৰ দ্বাৰা উদ্ভিদে শীতকাললৈ নিজকে সাজু কৰি তোলে।

কোনো নিৰ্দিষ্ট ঋতুত পাত সলোৱা উদ্ভিদক পৰ্ণপাতী উদ্ভিদ (deciduous plant) বোলে। শৰৎ কালত উদ্ভিদৰ পাতৰ ৰঙৰ পৰিবৰ্তনে কেৱল যে প্ৰকৃতিক অপূৰ্ব সুন্দৰ কৰি তোলে তেনে নহয়। ইয়াৰ দ্বাৰা বহু দেশৰ অৰ্থনৈতিক লাভো হয়। কানাডা, আমেৰিকা যুক্তৰাষ্ট্ৰ, জাপান, দক্ষিণ কোৰিয়া, জাৰ্মানী, অষ্ট্ৰিয়া, ফ্ৰান্স আদি দেশত শৰতৰ এই মনোমোহা প্ৰকৃতি চাবলৈ প্ৰতি বছৰে যথেষ্টসংখ্যক পৰ্য্যটকৰ আগমন ঘটে। আমাৰ দেশতো কাশ্মীৰত এনে বিচিত্ৰ ৰঙা-কমলা প্ৰাকৃতিক ৰঙৰ আনন্দ ল'বলৈ পৰ্য্যটকৰ আগমন ঘটে। ❖

# সোনম ৱাংচুকৰ গণতান্ত্রিক প্রতিবাদ

■ নিভা ৰাণী ৰায়



সোনম ৱাংচুক নামটো শেহতীয়াভাৱে কাকতে-পত্ৰই হওক বা সামাজিক মাধ্যমতে হওক অথবা সংবাদ মাধ্যমতে হওক অধিক চৰ্চিত হৈ আছে। সোনম ৱাংচুক মানুহজন কোন আৰু কিয় প্ৰখ্যাত সেই কথাও তোমালোকে ইতিমধ্যে জানিছা চাগৈ। লাডাখৰ প্ৰখ্যাত শিক্ষাবিদ, উদ্ভাৱক, অভিযন্তা আৰু সমাজকৰ্মী সোনম ৱাংচুক ভাৰতৰ এজন সুপৰিচিত ব্যক্তি। ১৯৬৬ চনৰ ১ ছেপ্টেম্বৰত লাডাখৰ উলেইটকপো গাঁৱত তেওঁৰ জন্ম হয়। শৈশৱৰ পৰাই তেওঁ দুৰ্গম পাহাৰীয়া অঞ্চলৰ শিক্ষাৰ সমস্যা আৰু প্ৰাকৃতিক প্ৰতিকূলতাৰ সন্মুখীন হৈছিল। এই অভিজ্ঞতাই তেওঁক সমাজৰ কল্যাণৰ বাবে নতুন চিন্তা আৰু উদ্ভাৱনৰ বাবে দিকদৰ্শন কৰিছিল।

সোনম ৱাংচুকে শ্ৰীনগৰৰ নেছনেল ইন্সটিটিউট অৱ টেকন'লজিৰ (NIT) পৰা যান্ত্ৰিক অভিযান্ত্ৰিক (mechanical engineering) বিষয়ত স্নাতক ডিগ্ৰী লাভ কৰে। শিক্ষা সমাপ্ত কৰাৰ পাছত তেওঁ লাডাখত উন্নত আৰু জীৱনমুখী শিক্ষাব্যৱস্থা গঢ়ি তোলাৰ বাবে কাম আৰম্ভ কৰে আৰু "Students' Educational and Cultural Movement of Ladakh (SECMOL)" নামৰ এক শিক্ষানুষ্ঠান প্ৰতিষ্ঠা কৰে। এই শিক্ষানুষ্ঠানখনত শিক্ষাৰ লগতে ব্যাৱহাৰিক জ্ঞান, পৰিবেশ সংৰক্ষণ আৰু আত্মনিৰ্ভৰশীলতাৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হয়।

ৱাংচুকৰ অন্যতম উল্লেখযোগ্য উদ্ভাৱন হৈছে 'আইচ ষ্টুপা' (ice stupa)। শীতকালত পানী বৰফৰ স্তূপ হিচাপে সংৰক্ষণ কৰি গ্ৰীষ্মকালত কৃষিকাৰ্য্যৰ বাবে ব্যৱহাৰ কৰাৰ এই অভিনৱ পদ্ধতিয়ে পানীৰ নাটনিত ভুগি থকা বহু অঞ্চলক সহায় কৰিছে। এই উদ্ভাৱনৰ বাবে তেওঁ সমগ্ৰ বিশ্বজুৰি প্ৰশংসা লাভ কৰিছে।

এই অসাধাৰণ অৱদানৰ স্বীকৃতিস্বৰূপে ভাৰত চৰকাৰে ২০১৮ চনত তেওঁক পদ্মশ্ৰী সন্মানেৰে বিভূষিত কৰে। তদুপৰি শিক্ষা, পৰিবেশ সংৰক্ষণ আৰু বহনক্ষম উন্নয়নৰ ক্ষেত্ৰত তেওঁৰ কামে আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়তো স্বীকৃতি লাভ কৰিছে।

বিগত কেইবাবছৰ ধৰি সোনম ৱাংচুকে লাডাখৰ বিভিন্ন জনস্বাৰ্থমূলক বিষয়ত শান্তিপূৰ্ণভাৱে নিজৰ মতামত প্ৰকাশ কৰি জনসচেতনতা সৃষ্টিৰ প্ৰয়াস চলাই আহিছে। এই ক্ষেত্ৰত তেওঁ সদায় অহিংস তথা গণতান্ত্ৰিক পদ্ধতিৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ককৰোচ জনতা পাৰ্টিয়ে সূচনা কৰা প্ৰতিবাদী কাৰ্য্যসূচীত অংশগ্ৰহণ কৰি ৱাংচুকে শেহতীয়াকৈ কৰা শান্তিপূৰ্ণ প্ৰতিবাদে সমগ্ৰ দেশৰ দৃষ্টি আকৰ্ষণ কৰিছে। NEET পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিল হোৱাৰ ঘটনাৰ পাছত এই কেলেংকাৰীৰ দায়িত্ব লৈ কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগৰ দাবীৰ লগতে দেশৰ সমগ্ৰ শিক্ষা ব্যৱস্থাত জৰুৰী আৰু গুৰুত্বপূৰ্ণ সংস্কাৰ সাধনকে ধৰি বিভিন্ন জনস্বাৰ্থমূলক বিষয়ৰ প্ৰতি চৰকাৰ আৰু সাধাৰণ জনতাৰ দৃষ্টি আকৰ্ষণ কৰাৰ উদ্দেশ্যে তেওঁ অনশন কাৰ্য্যসূচী গ্ৰহণ কৰিছিল। চৰকাৰৰ সৈতে আলোচনাৰ আশ্বাস লাভ কৰাৰ পাছত যোৱা ২৮ জুনৰ পৰা ৱাংচুকে আৰম্ভ কৰা অনশন অৱশেষত ২৬ দিনৰ অন্তত যোৱা ২৩ জুলাইৰ মাজনিশা সমাপ্ত হয়।

গণতান্ত্ৰিক দেশত নাগৰিকসকলৰ নিজৰ মতামত প্ৰকাশ কৰাৰ অধিকাৰ আছে। শান্তিপূৰ্ণ প্ৰতিবাদ সেই অধিকাৰ প্ৰয়োগ কৰাৰ এক গণতান্ত্ৰিক মাধ্যম। চৰকাৰৰ দায়িত্ব হৈছে জনসাধাৰণৰ উদ্বেগসমূহ শুনি আলাপ-আলোচনাৰ জৰিয়তে সমাধানৰ পথ বিচৰা। ৱাংচুকৰ অনশন আৰু তাৰ পৰৱৰ্তী ঘটনাক্ৰমে দেখুৱাইছে যে মতভেদ থাকিলেও পাৰস্পৰিক সন্মান, ধৈৰ্য্য আৰু আলোচনাই গণতন্ত্ৰক অধিক শক্তিশালী কৰি তোলে।

এই ঘটনাৰ পৰা আমি ল'ব পৰা এটা গুৰুত্বপূৰ্ণ শিক্ষা হৈছে—যিকোনো বিষয়ত নিজৰ মতামত প্ৰকাশ কৰাৰ সময়ত সদায় শান্তিপূৰ্ণ, শৃংখলাবদ্ধ আৰু দায়িত্বশীল আচৰণ কৰা উচিত। ❖

## মানসিক সামৰ্থ্য বিকাশ

■ **ৰবীন্দ্ৰ বৰ্মন**

1. বিবেকৰ বয়স অনিলতকৈ যিমান বছৰ কম, তৰুণৰ বয়সতকৈ সিমান বছৰ বেছি। যদি অনিল আৰু তৰুণৰ বয়সৰ যোগফল 48 বছৰ, তেন্তে বিবেকৰ বয়স—

 a) 36 বছৰ  b) 42 বছৰ  c) 22 বছৰ  d) 24 বছৰ

2. 342 × 348 × 316 ৰ এককৰ স্থানৰ অংকটো কি হ'ব?

 a) 3  b) 6  c) 4  d) 5

3. যদি এটা সংকেতত 'GAME'ক 'TZNV' বুলি লিখা হয় তেন্তে সেই সংকেতত 'BOSS'ক কি বুলি লিখা হ'ব?

 a) YLII  b) LYHH  c) YLSH  d) YLHH

4. এখন দাপোনত এটা ঘড়ীৰ প্ৰতিবিম্বটোৰে দেখুওৱা সময় 10 বাজি 20 মিনিট। প্ৰকৃত সময় কিমান?

 a) 8 বাজি 10 মিনিট  b) 1 বাজি 40 মিনিট

 c) 4 বাজি 50 মিনিট  d) 10 বাজি 20 মিনিট

5. '?' চিনৰ ঠাইত কি সংখ্যা বহিব?

 0, 6, 24, 60, 120, ?


 a) 160  b) 156  c) 210  d) 180


6. '?' চিনৰ ঠাইত কি বহিব?

 0, 3, 15, 35, 63, 99, ?

 a) 143  b) 142  c) 140  d) 144

7. এটা লুডুগুটিৰ দুটা অৱস্থান দেখুওৱা হৈছে। অৱস্থান দুটা চাই 6 ৰ বিপৰীত পিঠিত চিহ্নিত সংখ্যাটো উলিওৱাঁ।








 a) 3  b) 4  c) 1  d) 5

**উত্তৰসমূহ :** 1. d  2. b  3. d  4. b  5. c  6. a  7. c

# সমুদ্ৰ অৰ্থনীতি

■ অপৰ্ণা দেৱী



সাগৰ, মহাসাগৰ, উপকূলীয় অঞ্চল আৰু জল সম্পদৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠা অৰ্থনৈতিক কাৰ্য্যকলাপক সমুদ্ৰ অৰ্থনীতি (ocean economy) বোলা হয়। সমুদ্ৰ অৰ্থনীতিক নীল অৰ্থনীতি (blue economy) বুলিও কোৱা হয়। সমুদ্ৰ অৰ্থনীতিয়ে অৰ্থনৈতিক উন্নয়ন, কৰ্মসংস্থান আৰু আয় বৃদ্ধি কৰাৰ লগতে পৰিবেশ সংৰক্ষণতো সমানে গুৰুত্ব দিয়ে।

সমুদ্ৰ অৰ্থনীতি সাগৰ, মহাসাগৰ, উপকূলীয় অঞ্চল, জলসম্পদৰ সৈতে জড়িত উদ্যোগ আৰু সেৱাৰ সৈতে সম্পৰ্কিত। খাদ্য-সুৰক্ষা, বাণিজ্য, শক্তি উৎপাদন, নিয়োগ, পৰ্য্যটন আৰু পাৰিবেশিক সমতা ৰক্ষা কৰাৰ ক্ষেত্ৰত সমুদ্ৰ অৰ্থনীতিয়ে সমগ্ৰ অৰ্থ ব্যৱস্থালৈ অৰিহণা যোগাই আহিছে।

সমুদ্ৰ অৰ্থনীতিৰ কেইটামান মূল বৈশিষ্ট্য আছে। উদাহৰণস্বৰূপে, বহনক্ষম উন্নয়ন অৰ্থাৎ সমুদ্ৰৰ সম্পদ অতিমাত্ৰা ব্যৱহাৰ নকৰি সঠিকভাৱে ব্যৱহাৰ কৰাৰ ওপৰত গুৰুত্ব দিব লাগে যাতে ভৱিষ্যৎ প্ৰজন্মৰ বাবেও এনে সম্পদ উপলব্ধ হৈ থাকে। পৰিবেশ সংৰক্ষণো সমুদ্ৰ অৰ্থনীতিৰ এটা বৈশিষ্ট্য। সামুদ্ৰিক জীৱ, মাছ আদিৰ সংৰক্ষণৰ জৰিয়তে পৰিবেশ সংৰক্ষণ কৰিব পৰা যায়।

সমুদ্ৰভিত্তিক উদ্যোগৰ জৰিয়তে আয় বৃদ্ধি সম্ভৱ। দেশৰ আয় বৃদ্ধিয়ে অৰ্থনৈতিক বিকাশ হোৱাত সহায় কৰে। কৰ্মসংস্থান সৃষ্টিও সমুদ্ৰ অৰ্থনীতিৰ আন এটা বৈশিষ্ট্য। মাছ ধৰা, জাহাজ পৰিবহণ, পৰ্য্যটন, বন্দৰ ব্যৱস্থাপনা আদিয়ে কৰ্ম সংস্থানৰ পথ মুকলি কৰে।

মৎস্য উদ্যোগ, সামুদ্ৰিক পৰ্য্যটন, জাহাজ পৰিবহণ, শক্তি উৎপাদন, সাগৰীয় জৈৱ প্ৰযুক্তি, খনিজ সম্পদ ইত্যাদি হ'ল সমুদ্ৰ অৰ্থনীতিৰ মুখ্য খণ্ডসমূহ। মৎস্য উদ্যোগত সাধাৰণতে মাছ ধৰা, মাছ পালন কৰা তথা সাগৰীয় মাছ প্ৰক্ৰিয়াকৰণৰ জৰিয়তে খোৱাৰ উপযোগী কৰি তোলা হয়। জাহাজ পৰিবহণৰ ক্ষেত্ৰত দেখা যায় যে বিশ্বৰ ৮০%ৰ পৰা ৯০% বেহা-বেপাৰ সাগৰীয় পথেৰে কৰা হয়। বন্দৰ, বাণিজ্যিক পৰিবহণ, জাহাজ নিৰ্মাণ আদি এই খণ্ডটিৰ সৈতে জড়িত। সমুদ্ৰ অৰ্থনীতিৰ এই খণ্ডটিৰ বাবে আন্তৰ্জাতিক বাণিজ্যত ব্যয় হ্ৰাস হয়। লগতে বিশ্বৰ দেশসমূহৰ মাজত এক সংযোগ স্থাপন হয়।

উপকূলীয় পৰ্য্যটন সমুদ্ৰ অৰ্থনীতিৰ বাবে এটা অতি গুৰুত্বপূৰ্ণ খণ্ড। পানীকেন্দ্ৰিক বিভিন্ন খেল-ধেমালিয়ে পৰ্য্যটকসকলক আকৰ্ষণ কৰাৰ লগতে জাহাজেৰে পৰিভ্ৰমণ কৰা, প্ৰাকৃতিক সৌন্দৰ্য্য উপভোগ কৰা আদি কাৰকে এই খণ্ডটিক সমৃদ্ধ কৰিছে। উপকূলীয় পৰ্য্যটন খণ্ডই মূলধন গঠনত সহায় কৰাৰ লগতে নিয়োগৰ পথ মুকলি কৰে আৰু স্থানীয় ব্যৱসায় গঢ়ি উঠাত সহায় কৰে।

সমুদ্ৰ অৰ্থনীতিৰ শক্তি উৎপাদন খণ্ডত সাগৰীয় সম্পদৰ পৰা শক্তি উৎপাদন হয়। ই বিকল্প শক্তি (alternative energy) উৎপাদনৰ এক গুৰুত্বপূৰ্ণ উৎস। ই জীৱাশ্ম ইন্ধনৰ (fossil fuel) ওপৰত থকা নিৰ্ভৰতা আঁতৰ কৰাত সহায় কৰে। সাগৰীয় জৈৱ প্ৰযুক্তিয়েও সমুদ্ৰ অৰ্থনীতিৰ এক গুৰুত্বপূৰ্ণ খণ্ড হিচাপে সেৱা আগবঢ়াই আহিছে। এই খণ্ডটি বিজ্ঞানসন্মত গৱেষণাৰ সহায়ক হিচাপে কাম কৰাৰ লগতে দৰৱ বা ঔষধ প্ৰস্তুতকৰণ, প্ৰসাধন সামগ্ৰী প্ৰস্তুতকৰণ আদিৰ লগত জড়িত।

সমুদ্ৰৰ কাৰ্বন ডাই-অক্সাইড গেছ শোষণ কৰি লোৱাৰ ক্ষমতা আছে। জলবায়ু নিয়ন্ত্ৰণ কৰাৰ সামৰ্থ্যৰ লগতে পাৰিপাৰ্শ্বিক ভাৰসাম্য ৰক্ষা কৰাতো সহায়ক উপাদান হিচাপে কাম কৰে।

আমাৰ দেশত দীঘলীয়া উপকূল অঞ্চল আছে। সেয়েহে সমুদ্ৰ অৰ্থনীতি বা নীল অৰ্থনীতি ভাৰতৰ বাবে অতি গুৰুত্বপূৰ্ণ। ❖

# জেট লেগ

■ ছায়াস্মিতা বৈশ্য



আন্তঃৰাষ্ট্ৰীয় ভ্ৰমণে এখন দেশৰ সংস্কৃতি, ভাষা, খাদ্যাভ্যাস আদি আন এখন দেশৰ সৈতে পৰিচয় কৰোৱাৰ লগতে ব্যক্তিৰ ব্যক্তিত্ব বিকাশ, আত্মবিশ্বাস বৃদ্ধি, মানসিক চাপ হ্ৰাস কৰা আদি ক্ষেত্ৰতো বিশেষভাৱে অৰিহণা যোগায়। আন্তঃৰাষ্ট্ৰীয় ভ্ৰমণৰ ক্ষেত্ৰত গন্তব্যস্থানত উপস্থিত হোৱাৰ প্ৰথম সময়ছোৱাত এক ধৰণৰ শাৰীৰিক সমস্যাই অশান্তিকৰ পৰিস্থিতিৰ সৃষ্টি কৰি আনন্দ-উপভোগত কিছু পৰিমাণে ব্যাঘাত জন্মায়। ভাগৰুৱা অনুভৱ, টোপনি ভালদৰে পূৰ নোহোৱা, বদহজম হোৱা, মূৰ বিযোৱা, খিংখিঙীয়া হোৱা আদি এনে কিছুমান লক্ষণ। এনে শাৰীৰিক অৱস্থাৰ মূল কাৰণ হৈছে জেট লেগ (Jet Lag)। জেট লেগ হৈছে এটা সাময়িক শাৰীৰিক সমস্যা, যিটো এজন ব্যক্তি এটা সময়সূচীৰ (time zone) অঞ্চলৰ পৰা আন এটা বেলেগ সময়সূচীৰ অঞ্চললৈ কম সময়তে গৈ পোৱাৰ ফলত সৃষ্টি হয়।

আমাৰ দেহৰ জৈৱিক ঘড়ীয়ে (biological clock) আমাৰ দেহৰ টোপনি অহা, সাৰ পোৱা আদি কাৰ্য্য দিন-ৰাতিৰ চক্ৰটোৰ লগত তাল মিলাই নিয়ন্ত্ৰণ কৰি থাকে, যেতিয়া এই দিন-ৰাতি হোৱা চক্ৰটো অতি কম সময়ৰ ভিতৰতে সলনি হয়, তেতিয়া আমাৰ শৰীৰৰ আভ্যন্তৰীণ জৈৱিক ঘড়ীক সেই নতুন সময়ৰ লগত খাপ খাবলৈ কিছু সময়ৰ প্ৰয়োজন হয়। মেলাটনিন (melatonin) নামৰ হৰম'নবিধৰ নিঃসৰণে আমাৰ দেহৰ এনে কাৰ্য্য নিয়ন্ত্ৰণ কৰে। জেটলেগৰ সময়ত পূৰ্বৰ অঞ্চলৰ সময়সূচী অনুসৰি মেলাটনিন নিঃসৰণ হোৱাৰ বাবে শৰীৰত কিছু বিসংগতিৰ সৃষ্টি হয়। ফলত বিভিন্ন শাৰীৰিক সমস্যাই দেখা দিয়ে। নতুন ঠাইখনত দিনৰ ভাগতো টোপনিৰ ভাৱে আমনি কৰি ভ্ৰমণত কিছু সমস্যাৰ সৃষ্টি কৰে। উদাহৰণস্বৰূপে, কোনো এজন ব্যক্তিয়ে ভাৰতৰ পৰা যদি আমেৰিকা যুক্তৰাষ্ট্ৰলৈ কম সময়ৰ ভিতৰতে ভ্ৰমণ কৰে তেন্তে কিছু সময়লৈকে জৈৱিক ঘড়ীয়ে ভাৰতৰ সময়সূচী অনুসৰণ কৰি থাকে অৰ্থাৎ ভাৰতৰ সময় অনুসৰি তেওঁৰ টোপনি ধৰিব বা সাৰ পাই থকাৰ প্ৰৱণতা জাগিব। ফলত আমেৰিকাত ৰাতিৰ সময়খিনিত টোপনি যোৱা আৰু দিনৰ ভাগত সাৰ পাই থকাটো কঠিন হৈ পৰে। টোপনি ভালদৰে পূৰ নোহোৱা বাবে অধিক ভাগৰ লগা, খং উঠা, মূৰৰ বিষ উঠা, কোনো ক্ষেত্ৰত মনোযোগ দিব নোৱৰা, খাদ্যবস্তু ভালদৰে হজম নোহোৱা আদি সমস্যাই অশান্তিৰ সৃষ্টি কৰে।

জেট লেগ শব্দটো জেট বিমানৰ পৰা অহা। জেট বিমানত তীব্ৰ বেগেৰে যথেষ্ট দূৰত্ব কম সময়তে অতিক্ৰম কৰাৰ ফলত এনে সমস্যা সঘনাই সৃষ্টি হোৱা দেখা যায়।

পশ্চিম দিশলৈ ভ্ৰমণ কৰিলে আমাৰ জৈৱিক ঘড়ীয়ে সময় পিছুৱাই নিবলগীয়া হয় বাবে দিনটো আমাৰ কাৰণে দীঘলীয়া হয়। এনে ক্ষেত্ৰত সময়সূচীৰ স'তে খাপ খাবলৈ কিছু সহজ হয়। কিন্তু পূব দিশলৈ ভ্ৰমণ কৰিলে জৈৱিক ঘড়ীয়ে সময় আগলৈ নিব লাগে অৰ্থাৎ দিনটো চুটি হয়। আমাৰ শৰীৰটোক জোৰ কৰি আগবঢ়াব লগা হোৱা বাবে এই ক্ষেত্ৰত জেট লেগ বেছিকৈ অনুভৱ হয়।

জেট লেগ এটা সাধাৰণ সাময়িক শাৰীৰিক সমস্যা। প্ৰত্যেক ব্যক্তিয়ে জেট লেগ ভিন ভিন ধৰণে আৰু ভিন ভিন মাত্ৰাত অনুভৱ কৰে। কিছুমান মানুহে বিশেষকৈ শিশুসকলে নতুন সময়সূচীৰ অঞ্চলৰ সৈতে নিজকে খাপ খুৱাবলৈ কোনো সমস্যাই অনুভৱ নকৰে। ❖

# শিহু

■ চন্দনা মেধি চৌধুৰী



শিহু বা নদী ডলফিন দক্ষিণ এছিয়াৰ এক অতি গুৰুত্বপূৰ্ণ আৰু দুষ্প্ৰাপ্য প্ৰাণী হিচাপে পৰিগণিত হৈছে। ১৯৯৬ চনত আন্তৰ্জাতিক পৰিবেশ সংৰক্ষণ পৰিষদৰ (International Union for Conservation of Nature : IUCN) দ্বাৰা বিলুপ্তপ্ৰায় জীৱৰূপে স্বীকৃত শিহুক ২০০৯ চনৰ ৫ অক্টোবৰত ভাৰত চৰকাৰে জাতীয় জলচৰ প্ৰাণী হিচাপে পৰিচিতি প্ৰদান কৰিছে। ভাৰতবৰ্ষৰ গংগা আৰু ব্ৰহ্মপুত্ৰ নদী, পাকিস্তানৰ সিন্ধু নদী, বাংলাদেশৰ পদ্মা নদী, নেপালৰ সপ্ত কোশী আৰু কৰ্ণালী নদী আৰু এই নদীসমূহৰ উপনৈসমূহত সাধাৰণতে শিহু দেখা পোৱা যায়। সাধাৰণতে ডাঙৰ আৰু গভীৰ নদীবোৰত পানী ধীৰ গতিত বয় বাবে এই নদীবোৰ শিহুৰ বাবে উপযুক্ত বাসস্থান। তদুপৰি মোহনাৰ দৰে অঞ্চলসমূহতো ইহঁতক অধিক দেখা যায়, কাৰণ এই ঠাইবোৰত খাদ্য অধিক পোৱা যায়।

স্তন্যপায়ী এই প্ৰাণীবিধৰ শাৰীৰিক গঠন কিছু ব্যতিক্ৰমী। ইহঁতৰ দেহটো দীঘল আৰু পাতল। ঠোঁটটো দীঘলীয়া, চিকুণ আৰু দাঁতবোৰ চোকা আৰু অতি জোঙা। এই দীঘল ঠোঁটটোৰ সহায়ত ইহঁতে পানীৰ তলত থকা সৰু মাছ আৰু আন ক্ষুদ্ৰ জীৱ সহজে ধৰি খায়। ইহঁতৰ চকু অতি সৰু আৰু প্ৰায়ে দৃষ্টিহীন, কিন্তু ঘ্ৰাণ শক্তি প্ৰবল। শব্দৰ সহায়ত ইহঁতে আন জীৱৰ স্থান নিৰূপণ কৰে। এনেদৰেই ইহঁতে নিজৰ চিকাৰ আৰু খাদ্যৰ সন্ধান কৰে।

ইহঁতৰ শ্বাস-প্ৰশ্বাস প্ৰণালীও বৰ বিশেষত্বপূৰ্ণ। শিহুৱে উশাহ ল'বলৈ প্ৰতি ৩০ ছেকেণ্ডৰ পৰা ২ মিনিটৰ মূৰে মূৰে পানীৰ ওপৰলৈ ওলাই আহে। ইহঁতে মূৰৰ ওপৰত থকা ব্লো হোল (blow hole) নামৰ এক ছিদ্ৰৰ সহায়ত বায়ু গ্ৰহণ কৰে।

আচৰণগতভাৱে ইহঁত শান্ত আৰু অকলে থাকি ভাল পোৱা ধৰণৰ। ডাঙৰ দলৰ সলনি ইহঁতে অকলে বা দুটাৰ পৰা তিনিটাকৈ লগ হৈ থাকে। দুপৰীয়াৰ সময়তকৈ ৰাতিপুৱা আৰু সন্ধিয়াৰ সময়ছোৱাত ইহঁত অধিক সক্ৰিয় হৈ থাকে।

ইহঁতৰ প্ৰজনন প্ৰক্ৰিয়াও ধীৰ গতিৰ। শিহুৱে এবাৰত সাধাৰণতে এটা পোৱালিহে জন্ম দিয়ে। পোৱালিটো জন্মৰ পাছত মাকৰ লগতেই থাকে আৰু মাকৰ পৰা খাদ্য বিচাৰি খোৱা, সাঁতোৰা আদি কৌশল আয়ত্ত কৰে। ধীৰ প্ৰজননৰ বাবে শিহুৰ সংখ্যা সহজে বৃদ্ধি নাপায়।

প্ৰকৃতিৰ বিশেষ গুণেৰে পৰিপূৰ্ণ শান্ত আৰু লাজকুৰীয়া এই প্ৰাণীবিধ বৰ্তমান বিপন্ন অৱস্থাত আছে। ইয়াৰ প্ৰধান কাৰণ হৈছে মানুহৰ কাৰ্য্যকলাপ। ঔদ্যোগিক আৱৰ্জনা, কৃষি ক্ষেত্ৰৰ ৰাসায়নিক পদাৰ্থ, প্লাষ্টিকজাত সামগ্ৰী নদীত পেলোৱা, চোৰাং চিকাৰ, নদী বান্ধ, বালি খনন, মাছমৰীয়াসকলে ব্যৱহাৰ কৰা সামগ্ৰী আদিয়ে শিহুৰ জীৱনৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিছে। নদী বান্ধৰ নিৰ্মাণে পানীৰ স্বাভাৱিক প্ৰবাহ বাধাপ্ৰাপ্ত কৰি তোলে, প্লাষ্টিকৰ আৱৰ্জনা আৰু ঔদ্যোগিক আৱৰ্জনাই নদীৰ পানী প্ৰদূষিত কৰি শিহুৰ স্বাস্থ্য বিপদাপন্ন কৰে আৰু খাদ্যৰ উৎস কমাই আনে, যাৰ ফলত শিহুৰ চলাচল সীমিত হয়। মাছ ধৰা জালো শিহুৰ বাবে ডাঙৰ বিপদ। বহু সময়ত জালত আবদ্ধ হৈ শ্বাস ল'ব নোৱাৰি বহু শিহু মৃত্যুমুখত পৰে। ইহঁতৰ চিকাৰ মূলতঃ তেলৰ বাবে কৰা হয়। আন মাছ ধৰিবলৈ শিহুক টোপ হিচাপেও ব্যৱহাৰ কৰা হয়। এনেবোৰ কাৰণৰ বাবে শিহুৰ সংখ্যা দিনে দিনে হ্ৰাস পাই আহিছে।


২০২৫ চনৰ সমীক্ষা অনুসৰি ভাৰতত মুঠ ৬,৩২৭টা শিহু আছে। ইয়াৰে গংগা নদীৰ মূল সুঁতিত ৩,২৭৫টা আৰু উপনৈসমূহত ২৪১৪টা পোৱা গৈছে। ব্ৰহ্মপুত্ৰৰ মূল সুঁতিত প্ৰায় ৫৮৪টা আৰু উপনৈসমূহত ৫১টা শিহু পোৱা গৈছে।

এই প্ৰাণীবিধক ৰক্ষা কৰিবলৈ চৰকাৰ আৰু বিভিন্ন সংস্থাই বহুতো পদক্ষেপ গ্ৰহণ কৰিছে। সংৰক্ষিত এলেকা ঘোষণা, নদী পৰিষ্কাৰকৈ ৰখাৰ ব্যৱস্থা কৰা আৰু জন সচেতনতা বৃদ্ধি কৰা আদি এই ক্ষেত্ৰত প্ৰধান। ❖

# ভাৰতৰ আন্তঃৰাষ্ট্ৰীয় স্থল সীমাৰেখা

■ মৌচুমী দেৱী

ভাৰত এখন সাৰ্বভৌম গণতান্ত্ৰিক স্বাধীন ৰাষ্ট্ৰ। ভৌগোলিক আয়তনৰ ফালৰ পৰা ভাৰত পৃথিৱীৰ ভিতৰত সপ্তম বৃহত্তম ৰাষ্ট্ৰ, জনসংখ্যাৰ ফালৰ পৰা প্ৰথম তথা সৰ্ববৃহৎ গণতন্ত্ৰ। দক্ষিণে ভাৰত মহাসাগৰ, পশ্চিমে আৰব সাগৰ আৰু পূবে বংগোপ সাগৰৰ দ্বাৰা পৰিবেষ্টিত ভাৰতৰ মুঠ উপকূলৰ দৈৰ্ঘ্য হ'ল প্ৰায় ৭,৫১৭ কিলোমিটাৰ। এই দেশৰ চাৰিসীমাত অৱস্থিত ৰাষ্ট্ৰসমূহ হ'ল—পশ্চিমে পাকিস্তান, উত্তৰ-পূবত চীন, নেপাল আৰু ভূটান, পূবে বাংলাদেশ আৰু ম্যানমাৰ। ভাৰত মহাসাগৰৰ মাজত অৱস্থিত শ্ৰীলংকা, মালদ্বীপ আৰু ইণ্ডোনেছিয়াৰ উপৰি থাইলেণ্ড হ'ল ভাৰতৰ নিকটৱৰ্তী ৰাষ্ট্ৰ।




আন্তঃৰাষ্ট্ৰীয় সীমাৰেখা হৈছে দুখন বা ততোধিক ৰাষ্ট্ৰৰ মাজত থকা সীমা, যিয়ে দেশসমূহৰ মাজৰ ভৌগোলিক সীমা নিৰ্ধাৰণ কৰে। এই সীমাৰেখাসমূহ ৰাজনৈতিক, সাংস্কৃতিক আৰু ভৌগোলিক কাৰকৰ দ্বাৰা প্ৰভাৱিত হয়। আন্তঃৰাষ্ট্ৰীয় সীমাৰেখাসমূহৰ বিষয়ে অধ্যয়ন কৰাটো অতি গুৰুত্বপূৰ্ণ, কাৰণ এই সীমাৰেখাসমূহে ৰাষ্ট্ৰসমূহৰ মাজত থকা সম্পৰ্ক, সংঘাত তথা সহযোগিতাৰ বিষয়ে বুজাত সহায় কৰে।

**ভাৰতৰ আন্তঃৰাষ্ট্ৰীয় সীমান্তসমূহ :** ভাৰতে সৰ্বমুঠ এঘাৰখন দেশৰ সৈতে আন্তঃৰাষ্ট্ৰীয় স্থল সীমা আৰু জল সীমা ভাগ কৰে। ভাৰতৰ মুঠ স্থল সীমা ১৫,১০৬.৭ কিলোমিটাৰ আৰু সামুদ্ৰিক সীমা প্ৰায় ৭,৫১৬.৬ কিলোমিটাৰ দীঘল। ভাৰতৰ আটাইতকৈ দীঘল সীমা আছে বাংলাদেশৰ সৈতে, যাৰ দৈৰ্ঘ্য হৈছে ৪,০৯৬.৭ কিলোমিটাৰ আৰু আটাইতকৈ চুটি সীমা আছে আফগানিস্তানৰ সৈতে, যাৰ দৈৰ্ঘ্য ১০৬ কিলোমিটাৰ মাত্ৰ। এই সীমান্তসমূহে উত্তৰ দিশৰ উচ্চ হিমালয়ৰ পৰা আৰম্ভ কৰি দক্ষিণৰ উপকূলীয় অঞ্চললৈকে বিভিন্ন ধৰণৰ ভূখণ্ড সামৰি লৈছে।

ভাৰতৰ স্থল সীমাসমূহ হ'ল—

**ৰেডক্লিফ লাইন** (Redcliffe line) : ভাৰত আৰু পাকিস্তানৰ মাজত থকা আন্তঃৰাষ্ট্ৰীয় সীমাৰেখাক ৰেডক্লিফ লাইন বুলি জনা যায়। ১৯৪৭ চনত বৃটিছ ভাৰত বিভাজনৰ সময়ত এই ৰেখাৰ সৃষ্টি কৰা হৈছিল। এই সীমান্ত দক্ষিণে আৰব সাগৰৰ পৰা উত্তৰে হিমালয়লৈকে বিস্তৃত হৈ আছে। এই সীমাৰেখাৰ নাম ছাৰ চাইৰিল ৰেডক্লিফৰ নামেৰে ৰখা হৈছে। পাছলৈ পাকিস্তান দুই ভাগত বিভক্ত হোৱাৰ ফলত এই সীমাৰেখাই পূব পাকিস্তান অথবা বৰ্তমানৰ বাংলাদেশৰ লগতো ভাৰতক বিভক্ত কৰিছে। এই সীমাৰেখা বিশ্বৰ অন্যতম দীঘলীয়া আন্তঃৰাষ্ট্ৰীয় সীমান্ত, যাৰ দৈৰ্ঘ্য প্ৰায় ৪,০৯৬.৭ কিলোমিটাৰ।

**প্ৰকৃত নিয়ন্ত্ৰণ ৰেখা** (Line of Actual Control) : ভাৰত-চীন সীমাৰেখাক প্ৰকৃত নিয়ন্ত্ৰণ ৰেখা বুলি জনা যায়। ইয়াৰ দৈৰ্ঘ্য প্ৰায় ৩,৪৮৮ কিলোমিটাৰ। এই সীমাৰেখা তিনিটা খণ্ডত বিভক্ত—পূব খণ্ড, মধ্য খণ্ড আৰু পশ্চিম খণ্ড। প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাৰ (LAC) সীমা স্পষ্টভাৱে নিৰ্ধাৰণ নোহোৱাৰ ফলত আজিও দুয়োখন দেশৰ মাজত সঘনাই বিবাদ আৰু সংঘৰ্ষৰ সৃষ্টি হয়। দুয়োখন দেশৰ মাজত অধিক উত্তেজনা থকাৰ বাবে দুয়োখন ৰাষ্ট্ৰই সীমান্তত আন্তঃগাঁথনি নিৰ্মাণৰ কাম অব্যাহত ৰাখিছে। এই সীমাৰেখাৰ পূব খণ্ডক মেকমোহন লাইন বুলি কোৱা হয়।

**ভাৰত-নেপাল সীমান্ত** (India-Nepal Border) : ভাৰত-নেপাল সীমান্ত প্ৰায় ১,৭৫১ কিলোমিটাৰ দৈৰ্ঘ্যৰ এক মুকলি আন্তৰ্জাতিক সীমা। এই সীমান্ত হিমালয়ৰ ভূখণ্ড আৰু ভাৰত-গংগা সমভূমিৰ মাজেৰে পাৰ হৈ

গৈছে। ১৮১৫ চনত নেপাল আৰু বৃটিছ চৰকাৰৰ মাজত হোৱা ছুগাউলী সন্ধিৰ (Treaty of Sugauli) দ্বাৰা এই সীমান্ত স্থাপন কৰা হৈছিল। এই সীমান্ত এক মুকলি আন্তঃৰাষ্ট্ৰীয় সীমা হোৱাৰ ফলত সকলো সা-সামগ্ৰীৰ সহজে আমদানি-ৰপ্তানি কৰিব পৰা যায়। ভাৰতৰ লগতে অন্য দেশৰ পৰ্য্যটকৰ বাবেও এই সীমা মুকলি। ইয়াৰ ফলত ভাৰত আৰু নেপালৰ মাজৰ সম্পৰ্ক অৰ্থনৈতিক আৰু সাংস্কৃতিকভাৱে শক্তিশালী হৈ উঠিছে।

**ভাৰত-ম্যানমাৰ সীমান্ত** (India-Myanmar Border) : ভাৰত-ম্যানমাৰ সীমান্তৰ দৈৰ্ঘ্য হৈছে প্ৰায় ১,৬৪৩ কিলোমিটাৰ আৰু এই সীমান্ত উত্তৰে চীনৰ সৈতে থকা ত্ৰিবিন্দুৰ পৰা দক্ষিণে বাংলাদেশৰ সৈতে থকা ত্ৰিবিন্দুলৈকে বিস্তৃত। ভাৰত-ম্যানমাৰ সীমান্তৰ এটা অনন্য দিশ হ'ল মুক্ত চলাচলৰ ব্যৱস্থা। এই ব্যৱস্থা অনুসৰি সীমান্ত অঞ্চলত বাস কৰা এখন দেশৰ জনজাতীয় সম্প্ৰদায়ে আনখন দেশৰ ১৬ কিলোমিটাৰ ভিতৰলৈ প্ৰবেশ কৰাৰ অনুমতি পায়।

**ভাৰত-ভূটান সীমান্ত** (India-Bhutan Border) : ভাৰত-ভূটান সীমান্ত প্ৰায় ৬৯৯ কিলোমিটাৰ দৈৰ্ঘ্যৰ এক মুক্ত আন্তঃৰাষ্ট্ৰীয় সীমা। ১৮৫৫ চনত ছিনচুলাৰ চুক্তিৰ (Treaty of Sinchula) দ্বাৰা এই সীমা নিৰ্ধাৰণ কৰা হৈছিল যদিও বছৰ বছৰ ধৰি এই সীমাৰ বিভিন্ন পৰিবৰ্তন ঘটি আহিছে। আন বহু আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ বিপৰীতে ভাৰত-ভূটান সীমা তুলনামূলকভাৱে শান্তিপূৰ্ণ আৰু সহযোগিতামূলক, যিয়ে দুয়োখন ৰাষ্ট্ৰৰ ঘনিষ্ঠ সম্পৰ্কক প্ৰতিফলিত কৰে।

**ডুৰাণ্ড লাইন** (Durand Line) : ভাৰত-আফগানিস্তান সীমাৰেখা ডুৰাণ্ড লাইন হিচাপে জনাজাত। এই সীমা প্ৰায় ১০৬ কিলোমিটাৰ বিস্তৃত। এই সীমান্ত জম্মু-কাশ্মীৰ অঞ্চলত অৱস্থিত। ১৮৯৩ চনত ছাৰ মৰ্টিমাৰ ডুৰাণ্ডে এই লাইন স্থাপন কৰিছিল বাবে তেওঁৰ নাম অনুসৰিয়ে এই সীমাৰ নাম ডুৰাণ্ড লাইন ৰখা হয়। যদিও এই সীমা তুলনামূলকভাৱে চুটি, তথাপি ইয়াৰ অৱস্থান আৰু অঞ্চলটোৰ ঐতিহাসিক প্ৰেক্ষাপটৰ বাবে ইয়াৰ ভূৰাজনৈতিক গুৰুত্ব আছে।

এখন ৰাষ্ট্ৰৰ ভূখণ্ড ক'ত শেষ হয় আৰু আন এখন ৰাষ্ট্ৰৰ ভূখণ্ড ক'ৰ পৰা আৰম্ভ হয় তাক চিহ্নিত কৰাৰ লগতে সাৰ্বভৌমত্ব, আইনী অধিকাৰ ক্ষেত্ৰ আৰু ৰাষ্ট্ৰৰ নিৰাপত্তা সংজ্ঞায়িত কৰাৰ বাবে আন্তঃৰাষ্ট্ৰীয় সীমা অতি গুৰুত্বপূৰ্ণ। বিদেশী অনুপ্ৰবেশ নিয়ন্ত্ৰণ, বাণিজ্য আৰু ৰীতি-নীতি নিয়ন্ত্ৰণ, সাংস্কৃতিক সুৰক্ষা তথা এখন ৰাষ্ট্ৰৰ গুৰুত্বপূৰ্ণ সম্পদসমূহ সুৰক্ষা আৰু পৰিচালনাৰ বাবে এই সীমাৰেখাসমূহ অতি প্ৰয়োজনীয়। আন্তঃৰাষ্ট্ৰীয় সীমা সমগ্ৰ বিশ্বৰে স্থিতিশীলতা, সাৰ্বভৌমত্ব, সুৰক্ষা আদিৰ বাবে অতি প্ৰয়োজনীয় অংগ। ❖

## তোমালোকৰ বাবে প্ৰশ্নৰ উত্তৰ, জুলাই, ২০২৬

১। কদম কদম বঢ়ায়ে যা।
২। লালা লাজপত ৰায়।
৩। লোকপ্ৰিয় গোপীনাথ বৰদলৈ। লিখিছিল সন্তোষ কুমাৰ কৰ্মকাৰে।
৪। স্বৰাজ পাৰ্টি।
৫। ক্ৰিষ্টিয়ানো ৰোনাল্ডো। ❖

## কুইজৰ উত্তৰসমূহ

১। ফিনী ২। ককাদেউতাৰ হাড় ৩। মেলকম নাশ্ব ৪। যোধপুৰ ৫। আন্তঃৰাষ্ট্ৰীয় বুকাৰ বঁটা ৬। ৰ'ড্ৰি ৭। ২৯ জুলাই ৮। ৰুবী মায়াৰ্ছ ৯। এল জি (LG) ১০। নিৰোদ চি চৌধুৰী ১১। কিলিয়ান এমবাপ্পে ১২। ছলমান ৰুশ্বডী ১৩। United Nations High Commissioner for Refugees ১৪। ভাৰতৰ য়াস্তিকা ভাটিয়া ১৫। চৰ্দাৰ বল্লৱভাই পেটেল ১৬। বাণীকান্ত কাকতি ১৭। বিশ্ব জুনিয়ৰ স্কোৱাছ চেম্পিয়নশ্বিপত জয়ী হৈছিল। ভাৰতৰ অনাহত সিং। ❖

# উজনিত বানৰ সংহাৰ

■ ড° বিদ্যুৎ বৰুণ শৰ্মা

এফালে ফুটবলৰ উন্মাদনা, আনফালে প্ৰকৃতিৰ সংহাৰ। নিয়তিৰ কি এক পৰিহাস !

১৯ জুলাইৰ নিশা যেতিয়া বিশ্বৰ কোটি কোটি ফুটবলপ্ৰেমী বিশ্বকাপ ফুটবলৰ ফাইনেল খেল চোৱাত ব্যস্ত হৈ আছিল, সেই সময়তে উজনি অসমৰ কেইবাখনো জিলাত বান আৰু খহনীয়াই অবৰ্ণনীয় ধ্বংসলীলা চলাইছিল। এফালে ক্ৰীড়া বিশ্বৰ অন্যতম শ্ৰেষ্ঠ খেল এখনৰ ৰোমাঞ্চ, আনফালে শতিকাৰ অন্যতম ভয়ংকৰ বান-খহনীয়াৰ সংহাৰ-মূৰ্তি।

বান-খহনীয়াই বছৰে বছৰে অসমত ধন-জনৰ ব্যাপক ক্ষতিৰে অৰ্থনীতিত বিৰূপ প্ৰভাৱ পেলাই আহিছে। ইয়াৰ সমান্তৰালভাৱে অসমৰ বান-খহনীয়াক ৰাষ্ট্ৰীয় দুৰ্য্যোগ যথা ৰাষ্ট্ৰীয় সমস্যাৰূপে স্বীকৃতি দি ইয়াৰ সমাধান-সূত্ৰ উলিওৱাৰ দাবীও উঠি আহিছে। কিন্তু কাৰ্য্যতঃ সেই দাবীয়ে আশানুৰূপ সঁহাৰি লাভ কৰা নাই। ফলস্বৰূপে অসমৰ বৃহত্তৰ অঞ্চলৰ ৰাইজে বিশেষকৈ ধেমাজি, লখিমপুৰৰ দৰে ঠাইৰ লোকে বানৰ সৈতে সহাৱস্থানৰ কৌশলো যেন ক্ৰমান্বয়ে আয়ত্ত কৰিছে। কিন্তু সচৰাচৰ বানৰ প্ৰকোপৰ বিষয়ে অজ্ঞাত-অনভিজ্ঞ শিৱসাগৰ, চৰাইদেউ, যোৰহাট, গোলাঘাটৰ এই অঞ্চলবোৰৰ ৰাইজৰ বাবে এই বান আছিল অন্য এক মহাপ্ৰলয়ৰ নামান্তৰ মথোন। কিয়নো তেওঁলোকক এই আকস্মিক দুৰ্য্যোগে যিদৰে বিভ্ৰান্ত কৰি তুলিছিল, একেদৰে তেওঁলোকে ল'ব পৰা নাছিল কোনো তাৎক্ষণিক ব্যৱস্থাও। বছৰ বছৰ ধৰি বানৰ সংহাৰী ৰূপৰ চাক্ষুষ অভিজ্ঞতা নথকা এই লোকসকলে এই আকস্মিক, অকল্পনীয়, অভূতপূৰ্ব দুৰ্য্যোগৰ সময়ত দিকবিদিক হেৰুৱাই পেলাইছিল।

মন কৰিবলগীয়া যে প্ৰাৰম্ভিক পৰ্য্যায়ত এই প্ৰলয়ৰ কাৰণ হিচাপে চুবুৰীয়া নাগালেণ্ডৰ মন জিলাত হোৱা ডাৱৰ বিস্ফোৰণ (cloud burst) বুলি বিভিন্ন সূত্ৰ আনকি চৰকাৰী পক্ষয়ো প্ৰকাশ কৰিছিল যদিও ভাৰতীয় বতৰ বিজ্ঞান কেন্দ্ৰই (Indian Meteorological Department) স্পষ্ট কৰে যে সেই সময়ছোৱাত ডাৱৰ বিস্ফোৰণৰ দৰে কোনো পৰিঘটনা সংঘটিত হোৱা নাছিল। তেওঁলোকে অৱশ্যে এই কথা স্পষ্ট কৰে যে সেই সময়ছোৱাত প্ৰবলৰ পৰা অতি প্ৰবল পৰ্য্যায়ৰ বৃষ্টিপাত হৈছিল। বতৰ বিজ্ঞান কেন্দ্ৰৰ নাগালেণ্ডত থকা বিষয়াই প্ৰকাশ কৰা অনুসৰি মন জিলাৰ অভয় কেন্দ্ৰৰ তথ্যমতে ১৯ জুলাইৰ দিনটোত অৰ্থাৎ প্ৰায় ২৪ ঘণ্টাত এইবাৰৰ বাৰিষাৰ সৰ্বাধিক ১৩৭ মিলিমিটাৰ বৰষুণ হৈছিল। কিন্তু ডাৱৰ বিস্ফোৰণ আখ্যা দিব পৰাকৈ ঘণ্টাত কমেও ১০০ মিলিমিটাৰ পৰ্য্যন্ত বৰষুণ হোৱাৰ কোনো তথ্য তেওঁলোকে লাভ কৰা নাছিল। আনহাতে গুৱাহাটীত থকা বতৰ বিজ্ঞান কেন্দ্ৰয়ো অসমৰ কোনো ঠাইতে ডাৱৰ বিস্ফোৰণ হোৱা নাছিল বুলি ইতিমধ্যে প্ৰকাশ কৰিছে। বতৰ বিজ্ঞানীৰ আন এটা মন কৰিবলগীয়া বক্তব্য এই যে উত্তৰ-পূৰ্বাঞ্চলত এনে ধৰণৰ প্ৰবল বৃষ্টিপাত মুঠেও অস্বাভাৱিক নহয়। সেয়েহে কেৱল এনে বৃষ্টিপাতৰ বাবেই উজনি অসমত এই প্ৰলয়ংকৰী বান হোৱা বুলি কোৱাটো নিশ্চয় যুক্তিসংগত নহ'ব। প্ৰথম অৱস্থাত ডাৱৰ বিস্ফোৰণৰ কথাই এই প্ৰলয়ৰ মুখ্য কাৰণ হিচাপে চিহ্নিত হৈছিল যদিও পৰৱৰ্তী পৰ্য্যায়ত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মায়ো বতৰ বিজ্ঞান কেন্দ্ৰৰ তথ্যৰ উদ্ধৃতিৰে ডাৱৰ বিস্ফোৰণৰ কথা অস্বীকাৰ কৰে।

বতৰ বিজ্ঞান কেন্দ্ৰই স্পষ্ট কৰা অনুসৰি ১৮ৰ পৰা ২০ জুলাইৰ সময়ছোৱাত নাগালেণ্ড আৰু অসমৰ সীমামূৰীয়া বৃহত্তৰ অঞ্চলটোত প্ৰবল আৰু অতি প্ৰবল বৃষ্টিপাত হৈছিল। নাগালেণ্ডৰ লংলেং, মন, মোককচাং, ওখা আদি জিলাত স্বাভাৱিক পৰিমাণতকৈ বহু বেছি বৰষুণ হোৱাৰ দৰেই অসমৰো চৰাইদেউ, শিৱসাগৰ, যোৰহাট, গোলাঘাট আদি জিলাত স্বাভাৱিক পৰিমাণতকৈ বহু বেছি পৰিমাণে বৰষুণ হৈছিল। যিহেতু এই বৃহত্তৰ অঞ্চলটোত প্ৰবল বৃষ্টিপাত অস্বাভাৱিক নহয় বুলি স্বয়ং

বতৰ বিজ্ঞান কেন্দ্ৰই স্পষ্ট কৰিছে, তেনেস্থলত এই প্ৰলয়ৰ অন্যান্য সম্ভাব্য কাৰণসমূহ বিশ্লেষণৰো নিশ্চয় প্ৰয়োজন আছে।

প্ৰাপ্ত তথ্য অনুসৰি এই প্ৰবল বৃষ্টিপাতৰ পূৰ্বেই ১৯ এপ্ৰিলৰ পৰা ৬ জুলাইৰ ভিতৰত প্ৰায় ১৮টা মথাউৰি ছিগিছিল। আন ২৫টা মথাউৰিৰ বিস্তৰ ক্ষতি হৈছিল। মাথোঁ ১৭ জুলাইত এদিনতে ছটা মথাউৰি যোৰহাট জিলাত ভাগিছিল। এই সময়ছোৱাত দিখৌ, দিচাং, জাঁজী আদি নৈসমূহ ওফন্দি উঠাত মথাউৰিবোৰ ভাগিছিল। দিখৌৰ সোঁত ইমানেই প্ৰবল আছিল যে শিমলুগুৰিত ৰেল পথ খহাই নিয়াত ৰেল যোগাযোগ ব্যাহত হৈ পৰিছিল ।

শেহতীয়া তথ্য (২৬ জুলাই পৰ্য্যন্ত) অনুসৰি এই বানত অন্যান্য ক্ষয়-ক্ষতিৰ উপৰি কমেও ৬৬জন লোকে প্ৰাণ হেৰুৱাইছে আৰু শতাধিক লোক সন্ধানহীন হৈ আছে। কমেও সাত লাখ লোক বানৰ কবলত পৰিছে। কমেও পঁয়ত্ৰিছ হাজাৰ হেক্টৰ কৃষি ভূমিৰ শস্য নষ্ট হৈছে। হাজাৰ হাজাৰ পশুধন উটি গৈছে, মৃত্যুমুখত পৰিছে। বাসগৃহ, অন্যান্য গৃহ আৰু অনুষ্ঠান-প্ৰতিষ্ঠানৰ বিস্তৰ ক্ষতি হৈছে। হাজাৰ হাজাৰ চাৰিচকীয়া-দুচকীয়া বাহন পানীত উটি গৈছে অথবা পানীত পৰি বিকল হৈছে। এক কথাত ক'বলৈ গ'লে বৃহত্তৰ অঞ্চল এটা ধ্বংসস্তূপত পৰিণত হৈছে। এই ক্ষয়-ক্ষতিৰ পৰিমাণ শিৱসাগৰ আৰু চৰাইদেউ জিলাতে সৰ্বাধিক।

উল্লেখ্য যে প্ৰবল বৃষ্টিপাতত নাগালেণ্ডৰ মন জিলাত হোৱা ভূমিস্খলনত কমেও নজন লোকে প্ৰাণ হেৰুওৱাৰ তথ্য প্ৰাথমিক পৰ্য্যায়ত প্ৰকাশ পাইছিল। অসমৰ কিমান লোকে প্ৰকৃততে এই প্ৰলয়ত প্ৰাণ হেৰুৱাবলগীয়া হৈছে সেই তথ্য এই পৰ্য্যন্ত সম্পূৰ্ণকৈ লাভ কৰাটো সম্ভৱ হৈ উঠা নাই।

মন কৰিবলগীয়া যে পাহাৰীয়া অঞ্চলটোত হোৱা ভূমিস্খলনে এই প্ৰলয়ৰ অন্য এক ভয়াবহ কাৰণো ইংগিত কৰিছে। ইতিমধ্যে বিভিন্ন পক্ষই উত্থাপন কৰা অভিযোগ অনুসৰি অসমৰ সীমামূৰীয়া নাগালেণ্ডৰ এই বৃহত্তৰ পাহাৰীয়া অঞ্চলটোত দীৰ্ঘদিন ধৰি অবাধ পাহাৰখনন চলি আহিছে। বৈধ-অবৈধ দুয়ো ধৰণে চলা কয়লা খননকে ধৰি বিভিন্ন কাৰণত নিয়মিতভাৱে কৰা প্ৰকৃতি-ধ্বংস এই প্ৰলয়ৰ অন্যতম কাৰণ বুলি বিভিন্ন পক্ষই অভিযোগ কৰিছে। কিয়নো অবাধে চলা পাহাৰখননে পাহাৰবোৰ ফোঁপোলা কৰি পেলাইছে আৰু ফলস্বৰূপে ভূমিস্খলন হোৱাটো স্বাভাৱিক পৰিঘটনাত পৰিণত হৈছে। তদুপৰি পাহাৰৰ ফোঁপোলা অংশত বৃহৎ জলৰাশি জমা হৈ ধল হৈ নামনিলৈ নামি অহাৰ বাবেই বানৰ প্ৰকোপ দুগুণে চৰা বুলিও বিভিন্ন পক্ষই অভিযোগ কৰিছে।

এই প্ৰলয়ৰ আন এক কাৰণ হিচাপে নৈসমূহৰ গভীৰতা কমি অহা আৰু ফলস্বৰূপে পানী ধৰি ৰখা তথা বোৱাই নিয়াৰ ক্ষমতা হ্ৰাস পোৱাও অন্যতম বুলি একাংশই ক'ব খোজে।

তদুপৰি প্ৰকৃত অৰ্থত বহনক্ষম উন্নয়নত গুৰুত্ব দিয়াৰ পৰিবৰ্তে দ্ৰুত আৰু জনপ্ৰিয়তা-আকাংক্ষী উন্নয়নে প্ৰাকৃতিক ভাৰসাম্যত ক্ৰমান্বয়ে যি আঘাত হানি আহিছে সেই আঘাতৰেই পৰিণতি এই প্ৰলয় বুলিও বহুতে ক'ব খোজে।

লাখ লাখ লোকে ঘৰ-বাৰী, অন্ন-বস্ত্ৰ, আত্মীয়-স্বজন হেৰুৱাই দিকভ্ৰান্ত হোৱা, সৰ্বস্বান্ত হোৱা এই সময়ত, এই জটিল সন্ধিক্ষণত অৱশ্যে এই সম্ভাব্য কাৰণবোৰৰ সত্যাসত্য নিৰূপণ কৰাটো অত্যন্ত প্ৰয়োজনীয়। সম্পূৰ্ণ বিজ্ঞানভিত্তিক বিশ্লেষণ আৰু নিৰপেক্ষ তদন্ত অবিহনে এইবোৰ মাথোঁ চৰ্বিত-চৰ্বণ আৰু শাসক-বিৰোধীৰ অৰিয়া-অৰি হৈ ৰৈ যাব।

শতিকাটোৰ অন্যতম প্ৰলয়ংকৰী এই বানত সৰ্বস্বান্ত হোৱা লোকসকলক সম্প্ৰতি প্ৰয়োজন মাথোঁ সহায়ৰ হাত। ৰাজ্যৰ ইমূৰৰ পৰা সিমূৰলৈকে সকলো ইতিমধ্যে আগবাঢ়ি আহিছে আৰ্তজনক সহায়ৰ বাবে। চৰকাৰ-প্ৰশাসনৰ উদ্ধাৰ অভিযান আৰু সাহায্য বিতৰণৰ সমান্তৰালভাৱে যিয়ে যেনেকৈ পাৰে সাহায্য আগবঢ়াইছে। শিৱসাগৰত বানপীড়িতৰ বাবে সাহায্য সামগ্ৰী কঢ়িয়াই নিয়া গাড়ীয়ে সৃষ্টি কৰা যান-জঁট এই দুঃসময়ৰ মাজতো যেন এক বিৰল ইতিবাচক পৰিঘটনা। প্ৰকৃতি কিম্বা মানৱসৃষ্ট এই প্ৰলয়ৰ আতংকৰ মাজতে দশোদিশে বাজি উঠিছে যেন মানৱতাৰ জয়গান। অত্যাধুনিকতাৰ ধামখুমীয়াত ক্ৰমশঃ ক্ষয়িষ্ণু আমাৰ সমাজ ব্যৱস্থাক ভ্ৰাতৃত্ববোধৰ এনাজৰীৰে পুনৰ এবাৰ সুদৃঢ় কৰি তোলাৰ এয়াই হয়তো সময়ৰ আহ্বান। ❖


## শিক্ষাৰ্থীয়ে অঁকা ছবি



বাস্তৱ দাস, নৱম গ




ৰিম্পী দাস, নৱম ঘ



অনুগ্ৰহ ঠাকুৰীয়া, নৱম ঘ




কৌশিক কলিতা, দশম গ



চিৰঞ্জীৱ ডেকা, দশম ঘ



ৰোহিত শৰ্মা, চতুৰ্থ ঘ



কৃষ্ণাঞ্জলি কাশ্যপ, ষষ্ঠ খ



আস্থা বৰুৱা, পঞ্চম ঙ


# ভাৰতৰ বিভিন্ন ৰাজ্যৰ ৰাজ্যিক গছ



নাগালেণ্ড: এলডাৰ (Alder)
বৈজ্ঞানিক নাম: *Alnus nepalensis*



ত্রিপুৰা: সাঁচি গছ (Agar)
বৈজ্ঞানিক নাম: *Gelidium amansii*



উত্তৰাখণ্ড: ৰোডোডেন্ড্রন (Rhododendron)
বৈজ্ঞানিক নাম: *Rhododendron arboreum*




মিজোৰাম: নাহৰ (Iron wood)
বৈজ্ঞানিক নাম: *Mesua ferrea*



তামিলনাডু: তাল (Palmyra palm)
বৈজ্ঞানিক নাম: *Borassus Flabellifer*



গুজৰাট: বটগছ (Banyan tree)
বৈজ্ঞানিক নাম: *Ficus benghalensis*



লাক্ষাদ্বীপ: ব্রেড ফ্রুট (Bread fruit)
বৈজ্ঞানিক নাম: *Artocarpus altilis*